1977 - 78

# নগাঁও ছোৱালী কলেজ আলোচনী



সম্পাদনাত :

স্বপ্না নেওগ

দুৰ্গাময়ী ভূঞা

Prof. R. Dasgupta

# নগাঁও ছোৱালী কলেজ আলোচনী

NOWGONG GIRL'S COLLEGE LIBRARY
ACC. No.
NOWGONG ASSAM

তৃতীয় প্ৰকাশ ঃ
১৯৭৭-৭৮ চন

77-78

তত্ত্বাৱধায়ক ঃ
অধ্যাপক ইদ্ৰিছ আলি

সম্পাদিকা ঃ
স্বপ্না বেওগ
দুৰ্গাময়ী ভূঞা

॥ নগাঁও ছোৱালী কলেজ আলোচনী ॥


প্ৰকাশক :
অধ্যক্ষ,
নগাঁও ছোৱালী কলেজ

বেটুপাত শিল্পী
মামণি গোহাঁই বৰুৱা
১ম বাৰ্ষিক, স্নাতক শ্ৰেণী
নগাঁও ছোৱালী কলেজ

ছপা :
সুছন্দা প্ৰেছ
নগাঁও : অসম


# সূচী


| প্ৰবন্ধ : | ॥ পৃষ্ঠা ॥ | লিখক |
|---|---|---|
| ছাত্ৰীসকললৈ একাষাৰ | ॥ ১ ॥ | অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী |
| সৌন্দৰ্য্য শিক্ষা | ॥ ৪ ॥ | অধ্যাপক শ্ৰীব্ৰজেন্দ্ৰ ৰায়চৌধুৰী |
| অসমীয়া সংস্কৃতিৰ ঐতিহ্য | ॥ ৮ ॥ | নিৰুপা শইকীয়া |
| অনুতাপৰ পূৰ্বে | ॥ ১২ ॥ | সন্ধ্যা শৰ্মা |
| গাঁৱলীয়া সমাজৰ জিলিঙনি | ॥ ১৫ ॥ | প্ৰিয়ম্বদা শইকীয়া |
| নাট্যকাৰ জ্যোতিপ্ৰসাদ | ॥ ২০ ॥ | দীপালী ৰাজখোৱা |
| আমাৰ কলেজৰ ইতিবৃত্ত | ॥ ২৪ ॥ | অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী |
| বাংলা দেশলৈ গৈছিলোঁ | ॥ ২৯ ॥ | মহম্মদ আলি ( গ্ৰন্থাগাৰিক ) |
| স্বাধীনতা সংগ্ৰামত জ্যোতিপ্ৰসাদ | ॥ ৩৪ ॥ | চন্দনা আইদেউ |
| **কৱিতা :** | | |
| হে মহানগৰ ! | ॥ ৩৭ ॥ | অধ্যাপিকা হিমাদ্ৰি দেৱী |
| প্ৰতীতি | ॥ ৩৮ ॥ | শেৱালি কাকতি |
| এটি মিনি কবিতা | ॥ ৩৯ ॥ | অঞ্জু বৰা |
| দুবৰিৰ মন | ॥ ৩৯ ॥ | মামনি গোহাঞিঁবৰুৱা |
| এনেকৈয়ে প্ৰতিটো ক্ষণ : প্ৰতিটো মুহূৰ্ত্ত | ॥ ৪০ ॥ | কুমাৰী ৰুণু কোঁৱৰ |
| তিনিটা সৰু কবিতা | ॥ ৪১ ॥ | মালা খাউণ্ড |
| অলীক কল্পনা | ॥ ৪১ ॥ | মিচ্ চেলিমা আহমেদ |
| আৰ্ত্তনাদ ! | ॥ ৪২ ॥ | শ্ৰীমতী ধৃতি ৰায় |
| সংগ্ৰাম | ॥ ৪৩ ॥ | ৰীণা ডেকা |
| স্মৃতি | ॥ ৪৩ ॥ | কুমাৰী মীনা বৰদলৈ |
| **গীত :** | | |
| গীত | ॥ ৪৪ ॥ | অধ্যাপক ইদ্ৰিছ আলি |
| গীত | ॥ ৪৪ ॥ | পমী গোস্বামী |

গল্প ঃ


| | | |
|---|---|---|
| কীট | ॥ ৪৫ ॥ | ভাৰতী গগৈ |
| জীৱন | ॥ ৫১ ॥ | মীনাক্ষি মড়ল |
| বিমলা জেঠাইজনী | ॥ ৫৫ ॥ | কুমাৰী দুৰ্গামণী ভূঞা |
| শীতৰে সেমেকা পুৱতি | ॥ ৬৩ ॥ | স্বপ্না নেওগ |
| ভগ্নাৱশেষ | ॥ ৬৮ ॥ | কল্পনা দেৱী |
| ৰজনীগন্ধা | ॥ ৭২ ॥ | বীণাবাণী ফুকন |
| আত্মত্যাগ | ॥ ৭৭ ॥ | কুমাৰী মালা ৰজক |
| সংগ্ৰাম | ॥ ৮২ ॥ | কুমাৰী অঞ্জলি গগৈ |
| প্ৰতিশ্ৰুতি | ॥ ৮৬ ॥ | শ্ৰীঅৰুণা দেৱী |
| সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন | ॥ ক ॥ | |
| সম্পাদকীয় | ॥ ঘ ॥ | |


# ছাত্ৰীসকললৈ একাষাৰ

অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী

শিক্ষাদান এটা মহত্তৰ মানসিক উদাৰতাৰ বৃত্তি। এই জগতত একোৱেই শিক্ষা বা জ্ঞানৰ দৰে পৱিত্ৰ হ'ব নোৱাৰে। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক উপদেশ দিওঁতে কৈছে ঃ "ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।" সন্ত আগষ্টাইনে কবৰ দৰে— শিক্ষাদানেই হ'ল সৰ্বশ্ৰেষ্ঠ দান। শাস্ত্ৰৰ মতে জ্ঞানদাতা গুৰুৰ সমান আন কোনো হ'ব নোৱাৰে। "তিনি জন মহাগুৰু সংসাৰী লোকৰ, জ্ঞানদাতা গুৰু তাতে অতি শ্ৰেষ্ঠতৰ; জ্ঞানদাতা গুৰুৰ সমান নাহি আন, নাহি ধৰ্ম আন গুৰুৰ সমান।" সত্যৰ সন্ধান দিয়াই শিক্ষাদানৰ মুখ্য উদ্দেশ্য। শিক্ষকতা এটা বিনয়ী আৰু সহায়িকা বৃত্তি যাক চক্ৰেটিছে ধাইৰ বৃত্তিৰ লগত তুলনা কৰিছে। সন্তান প্ৰসব কৰাৰ ক্ষেত্ৰত ধাইয়ে মাকক সহায় কৰে। শিক্ষকেও চিন্তা আৰু বোধশক্তি জন্ম দিয়াত ছাত্ৰক সহায় কৰে। প্ৰাচীন কালৰ পণ্ডিতসকলৰ মতে মুচি আৰু মিস্ত্ৰীৰ কাম; আৰু চিকিৎসক আৰু খেতিয়কৰ কাম একে নহয়। চিকিৎসকৰ সহায় অবিহনেও শৰীৰ বৰ্ত্তি থাকিব পাৰে অথবা খেতিয়কৰ সহায় নহ'লেও গছ-গছনি স্বয়ং গজি থাকে। প্ৰকৃতিয়ে যি কাম সম্পাদন কৰে, সেইবিলাক কামত সহায় কৰাটোৱেই হ'ল চিকিৎসক বা খেতিয়কৰ দায়িত্ব। আনহাতে, জোতা বা ঘৰ মানুহে নিজ হাতেৰে নিৰ্মাণ কৰে বাবেই সিহঁতৰ অস্তিত্ব আছে। স্বাস্থ্য ৰক্ষণত আৰু উদ্ভিদ বিকাশত যথাক্ৰমে সহায় কৰে বাবে চিকিৎসা-বিদ্যা আৰু কৃষি-বিদ্যাক সহযোগিতা-মূলক কলা বুলি বৰ্ণনা কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ ওপৰতো অন্ধভাৱে মানি লবৰ বাবে কোনো ধাৰণা বা মত বলপূৰ্বক জাপি দিয়াৰ পৰিবৰ্তে তেওঁলোকে নিজেই যাতে শিকিব আৰু চিন্তা কৰিব পাৰে তাৰ কাৰণেই শিক্ষকে সহায় কৰে। এই সাহায্যদান আৰু গ্ৰহণৰ বিষয়ত গুৰু-শিষ্যৰ মাজত পৱিত্ৰ সম্বন্ধ অপৰিহাৰ্য্য। সেয়েহে প্ৰাচীন ভাৰতীয় শিক্ষা-ব্যৱস্থাত গুৰু-শিষ্য উভয়েই মহৎ আদৰ্শৰে অনুপ্ৰাণিত হৈ এইদৰে শান্তি পাঠ কৰিছিল, যেন ব্ৰহ্মই তেওঁলোকক সমানে ৰক্ষা কৰে আৰু সমানে বিদ্যাফল দান কৰে, তেওঁলোকে সমানে বিদ্যা লাভৰ বাবে সামৰ্থ্য অৰ্জন কৰিব পাৰে,

উভয়ৰে অধীত বিদ্যা সফল হয়, আৰু উভয়ে পাৰস্পৰিক বিদ্বেষৰ ভাৱ পোষণ নকৰে। "ওঁ সহ নাববতু, সহ নৌ ভুনক্তু, সহ বীৰ্য্যং কৰবাবহৈ। তেজস্বি নাবধীতমস্তু, মা বিদ্বিষাবহৈ ॥ ওঁ শান্তিঃ শান্তিঃ শান্তিঃ ।।" গুৰু-শিষ্যৰ এনে সহযোগৰ শিক্ষা নিশ্চয় ফলপ্ৰসূ।

প্ৰাচীন কালত ভাৰতবৰ্ষত ৰাজকোঁৱৰৰ পৰা আৰম্ভ কৰি খৰিভাৰীৰ লৰালৈকে বিদ্যাৰ্থীসকলে গুৰুগৃহত থাকি শিক্ষা লাভ কৰিছিল। সেইসময়ত বিদ্যাৰ্থী ৰাজকোঁৱৰ হৈও গুৰুগৃহত যাৱতীয় কাম কাজ কৰা, খৰি লোৱা আদি শাৰীৰিক পৰিশ্ৰমৰ বাহিৰেও আহাৰ অন্বেষণত কেতিয়াবা ভিক্ষাৰ জোলোঙা লব লাগিছিল। প্ৰকৃত পণ্ডিত আৰু নমস্য ব্যক্তিসকলেই আছিল শিক্ষাদানত ব্ৰতী। ঘৰুৱা, সামাজিক পৰিবেশৰ প্ৰভাৱৰ পৰা আঁতৰি গুৰুগৃহত শিক্ষা আহৰণ কৰাৰ ফলত গুৰুৰ মহান ব্যক্তিত্বই বিদ্যাৰ্থীসকলৰ চৰিত্ৰ গঠনত ৰেখাপাত কৰিছিল। এই সময়ছোৱাতে বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, মনুসংহিতা আদি গ্ৰন্থৰ সহায়ত শিক্ষাৰ্থীয়ে ধৰ্ম, নীতি, কলা, সাহিত্য, বিজ্ঞান, সংস্কৃতি, সভ্যতা বিষয়ৰ সৰ্বাত্মক জ্ঞান আহৰণ কৰি জাতীয় জীৱনৰ সৈতে গভীৰভাৱে পৰিচিত হোৱাৰ সুযোগ পাইছিল। এনে ছাত্ৰই পৰৱৰ্তী কালত ৰাজ্য পৰিচালনাৰ পৰা আৰম্ভ কৰি ব্যক্তিগত আৰু সামাজিক ক্ষেত্ৰত বৈচিত্ৰপূৰ্ণ জীৱন সফলতাৰে নিৰ্বাহ কৰাত একো আশ্চৰ্য্য নাই।

জাতিৰ জনক মহাত্মা গান্ধীয়ে আমাৰ দেশৰ শিক্ষাক ঋষি মুনিসকলৰ শিক্ষাৰ আহিৰেই যুগোপযোগীকৈ পুনৰ ৰূপ দিয়াৰ সপোন দেখিছিল। তেখেতৰ মতে যি শিক্ষাই লৰা-ছোৱালী আৰু ডাঙৰৰ শৰীৰ, মন আৰু আত্মাৰ গুণবোৰৰ বিকাশ কৰিব পাৰে সেয়েহে আচল শিক্ষা। কিন্তু দুখৰ বিষয় যে আমাৰ দেশত কি ব্যক্তি, কি সমাজ, কি সামাজিক অনুষ্ঠান সকলোতে ৰঘুমলাৰ দৰে কু-প্ৰবৃত্তিয়ে নৈতিক চৰিত্ৰক আচ্ছাদিত কৰিছে। স্বতঃস্ফূৰ্ত্ত সামাজিক আন্দোলনৰ দ্বাৰাহে নৈতিক চৰিত্ৰ সবল হ'ব পাৰিব। নৈতিক শিক্ষাইহে মূল শিক্ষা। ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আদি সকলোৰে নৈতিক শিক্ষাৰ পৰিসীমাৰ মাজত স্বতন্ত্ৰতা ৰক্ষা কৰিব পাৰে। নিজৰ প্ৰয়োজনতকৈ অধিক বিচাৰি যি মানুহে আনক প্ৰৱঞ্চনা কৰি নৈতিকভাৱে অধঃপতিত হয়, ভাগৱতৰ মতে সি চৌৰ্য্য বৃত্তি অৱলম্বনৰ বাবে দণ্ড পোৱা উচিত।

যাবদ্ ভ্ৰিয়েত জঠৰং তাবৎ স্বত্বং হি দেহিনাম্
অধিকং যোহভিমন্যেত স স্তেনো দণ্ডমৰ্হতি ॥

( ভাগৱত )

সেয়ে ছাত্ৰীসকলে মন আৰু ইন্দ্ৰিয়ক সংযত কৰি নৈতিক শিক্ষাৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ মহীয়সী নাৰীৰ মৰ্য্যাদা লভিবলৈ যেন সততে যত্ন কৰে।

ছাত্ৰীসকলে কামৰ কৃতিত্ব লাভৰ বাবে শাৰীৰিক আৰু মানসিক বল আহৰণ কৰিবলৈ চেষ্টা কৰা উচিত। শাস্ত্ৰই কৈছে ঃ পৰম একাগ্ৰতা আৰু দৃঢ় মনোবল থাকিলে তত্বজ্ঞলোকৰ আত্মাই ব্ৰহ্মধামত প্ৰৱেশ কৰে; অনৱধানতা আৰু অকাৰণ তপস্যাৰ দ্বাৰা সিদ্ধিলাভ নহয়।

'নায়মাত্মা বলহীনেন লভ্যো, ন চ প্ৰমাদাত্তপসো বাপ্যলিঙ্গাৎ।
এতৈৰুপায়ৈৰ্যততে যস্তু বিদ্বাংস্তস্যৈষ আত্মা বিশতে ব্ৰহ্মধাম ॥

গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনক ক্লীৱতা আৰু তুচ্ছ হৃদয়ৰ দুৰ্ব্বলতা ত্যাগ কৰিবলৈ উপদেশ দিছে। সময়ানুবৰ্ত্তিতা ৰক্ষা কৰি কৰ্ত্তব্যপথত অগ্ৰসৰ হোৱা। কৰ্ম্মহীন অলস জীৱন সমাজৰ বোজা-স্বৰূপ। কৰ্ম্মত্যাগী এলেহুৱা মানুহৰ বাবে জীৱন হ'ল এটা অভিশাপ। নিজৰ নিৰ্ভীকতা, চিত্তশুদ্ধি, আত্মজ্ঞাননিষ্ঠা, কৰ্ম্মতৎপৰতা, দান, ইন্দ্ৰিয় সংযম, শাস্ত্ৰ অধ্যয়ন, সৰলতা, অহিংসা, সত্যবাদীতা, ক্ৰোধহীনতা, ত্যাগ, শক্তি, পৰনিন্দা-বৰ্জ্জন, দয়া, লোভহীনতা, মৃদুতা, কুকৰ্ম্মত লাজ, অচাঞ্চল্য, তেজস্বিতা, ক্ষমা, ধৃতি, পবিত্ৰতা, অনভিমান— এই সাত্বিক গুণবোৰৰ আহৰণে মানুহক দেৱত্ব আৰোপ কৰে।

অভয়ং সত্ত্বসংশুদ্ধিজ্ঞানযোগব্যস্থিতিঃ
দানং দমশ্চ যজ্ঞশ্চ স্বাধ্যায়স্তপ আৰ্জ্জৱম্ ।।
অহিংসা সত্যমক্ৰোধস্ত্যাগ : শান্তিৰ পৈশুনম্
দয়া ভূতেষ্বলোলুপ্ত্বমাৰ্দ্দবং হ্ৰীৰচাপলম্ ।।
তেজঃ ক্ষমা ধৃতিঃ শৌচমদ্ৰোহো নাভিমানিতা
ভৱন্তি সম্পদং দৈবীমভিজাতস্য ভাৰত ।।

কেতিয়াবা নিৰুৎসাহ, সংশয়, হতাশা আদিয়ে মানুহক আৱৰি ধৰাটো স্বাভাৱিক। সাৰ্ব্বজনীন গ্ৰন্থ গীতাখন পঢ়ি চাবাচোন। গীতা অধ্যয়নে মনোবল দিব। অপাৰ দুখৰ মাজতো গান্ধীজীয়ে গীতা পঢ়ি হাঁহি পৰিছিল— "When doubts haunt me when disappointment stares me in the face and I see not one ray of hope on the horizon, I turn to Bhagwatgita and find a verse to comfort me and I immediately begin to smile in the midst of overwhelming sorrow." + +

> আমাৰ বৰ্ত্তমান যুগৰ পথভ্ৰষ্ট মানুহবোৰক গোট-পিট খুৱাই এটি লক্ষ্যস্থান নিৰ্ণয় কৰাত সহায় কৰিবৰ কাৰণে আজি আৱশ্যক মহাত্মাপুৰুষৰ, পুৰোহিত্য মনৰ নহয়; তত্ত্বদৰ্শী মানুহৰ, পুৰণি আচৰণকে অন্ধ-অনুকৰণ কৰি থকা যন্ত্ৰৰূপ লোকৰ নহয়।
>
> ৰাধাকৃষ্ণন্ : জীৱনৰ আদৰ্শবাদ

# সৌন্দৰ্য্য শিক্ষা

অধ্যাপক শ্ৰীব্ৰজেন্দ্ৰ ৰায়চৌধুৰী

যি কোনো সুন্দৰ বস্তুৰ প্ৰতি সকলো মানুহৰে এটি মোহ আছে। মানুহৰ যে অকল সুন্দৰ বস্তুৰ প্ৰতি মোহ আছে এনে নহয়। বিভিন্ন কলা-সংস্কৃতিয়ে মানবীয় মনোবৃত্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। সত্য সৌন্দৰ্য্য আৰু কলাই মানৱ মনত প্ৰথম স্থান অধিকাৰ কৰি আছে। সৌন্দৰ্য্যৰ প্ৰতি স্পৃহা মানুহক সুন্দৰ বস্তুৰ আবেস্তনিয়ে আকৰ্ষণ নকৰিবও পাৰে। কিন্তু যদি মানুহে বিশেষ সুন্দৰ মন এটিৰে সৌন্দৰ্য্য বিচাৰি উলিয়াব পাৰে তেনেহলে এই আবেস্তনিৰ মাজতেই সৌন্দৰ্য্য বিচাৰি পাব পাৰে আৰু এই বিশেষ সৌন্দৰ্য্যই মানুহজনৰ হৃদয়ৰ পূৰ্ণ অৰ্থ এটি প্ৰকাশ কৰে। কলা বা সৌন্দৰ্য্য বিচাৰিব জানিলে কাৰিকৰী বিদ্যাতেই হওক কিম্বা সুকুমাৰ কলাতেই হওক সৌন্দৰ্য্য বিচাৰি লব পাৰে আৰু ইয়াৰ বাবে লাগে সৌন্দৰ্য্য-পিপাসু এটি মন। বিজ্ঞান, অঙ্ক ইত্যাদি বিষয়ত সৌন্দৰ্য্য বিচাৰি উলিওৱাত সাৰ্থকতা আছে।

বহুতো দাৰ্শনিকে বিভিন্ন সময়ত বিভিন্ন সংজ্ঞাৰ দ্বাৰা সৌন্দৰ্য্যৰ তাৎপৰ্য্য বৰ্ণনা কৰিছে। আদিম যুগৰ মানুহে তেওঁলোকৰ সমগ্ৰ শক্তি, সময় অকল খোৱা-লোৱা আৰু জীয়াই থকাৰ প্ৰয়োজনৰ বাবে ব্যৱহাৰ কৰিছিল। তেওঁলোকে শত্ৰুৰ পৰা হাত সাৰিবলৈ বা চিকাৰ আদি কৰিবলৈ অস্ত্ৰ-শস্ত্ৰ সজাই লৈছিল। চিকাৰ কৰিবলৈ লোৱা অস্ত্ৰ-শস্ত্ৰত যেতিয়া এজন মনুহে প্ৰয়োজনতকৈ বেছি ভাজ দিলে, কেইটামান আঁচ বেছিকৈ কাটিলে তাকে দেখি আনবিলাকৰ মনত আনন্দ উপজিল, চকু-উজ্জ্বল হৈ উঠিল, তেতিয়াই মানুহৰ সৌন্দৰ্য্য-বোধ জন্মিল। তেওঁলোকৰ লাগতিয়াল বস্তু-বোৰ কম সময়ৰ ভিতৰত সুন্দৰকৈ সজাব পৰা হ'ল। ইয়াৰ ফলত তেওঁলোকে অৱসৰ পালে। আহৰি সময়ত তেওঁলোকৰ মন আনন্দিত হোৱাৰ উপৰিও মনৰ আবেগিক ভাৱধাৰাৰ বিভিন্ন দিশ প্ৰকাশ পাইছিল।

গুহাৰ ভিতৰৰ বেৰত বনৰীয়া জন্তুৰ ছবি মানুহে আঁকিলে এঙাৰেৰে, বিবিধ ৰং-বৰণেৰে, তেতিয়া মানুহৰ চিন্তা, বিশ্বাস, কল্পনা সেই ছবিবোৰত প্ৰকাশ হ'ল, চিকাৰ পোৱাৰ আনন্দত নাচিব ধৰিলে, অন্তৰৰ আনন্দ বিবিধ শব্দেৰে প্ৰকাশ পাব ধৰিলে। গান আৰু নাচ মধুৰ লাগিবলৈ ধৰিলে আৰু এইবিলাক এটা নিয়মৰ ভিতৰলৈ আহিল। তেওঁলোকে ধাৰণা কৰিব পৰা হৈছিল পৃথিবীৰ কিছুমান বস্তু দেখিবলৈ বেয়া ( ugly ) আৰু কিছুমান বস্তু ধুনীয়া বা সুন্দৰ ( beautiful )। প্ৰকৃতিৰ আন কিছুমান দিশেও তেওঁলোকৰ মন আকৰ্ষণ কৰিছিল। আকাশৰ সুন্দৰ জোনৰ শোভা, সূৰ্য্য অস্ত যোৱাৰ সৌন্দৰ্য্য তেওঁলোকে উপভোগ কৰিব পৰা হ'ল আৰু এইদৰে সৌন্দৰ্য্যৰ প্ৰতি মানুহৰ মনৰ অনুৰাগ দৃঢ় হ'ল।

সৌন্দৰ্য্যৰ প্ৰথম গঠনমূলক তথ্য দাঙি ধৰে বিখ্যাত দাৰ্শনিক প্লেটোই আৰু লগতে সৌন্দৰ্য্য শিক্ষাৰ এটি অঙ্গ স্বৰূপ বুলি তেওঁ মত পোষণ কৰে। গ্ৰীকসকলৰ মতে সকলো সুন্দৰ বস্তুৱেই ভাল হ'ব পাৰে। কিন্তু প্লেটোৰ মতে সেইটো নহয়। প্লেটোৰ মতে ভালটোহে সুন্দৰ বুলি আখ্যা দিব পাৰি।

"The Greeks identified the beautiful with good. This could mean that the beautiful is good but Plato reversed this sequence by saying that the good is beautiful."

মানুহৰ অভিজ্ঞতা আৰু জ্ঞানৰ ওপৰত সৌন্দৰ্য্যৰ অনুৰাগ নিৰ্ভৰ কৰে। এজন মানুহৰ ভাল লগা বিশেষ বস্তু এটি আন এজন মানুহৰ ভাল নালাগিবও পাৰে। মানুহজনৰ মনটো আৰু তেওঁ ভালপোৱা বস্তুটোৰ সৈতে এটি নিবিড় সম্পৰ্ক গঢ়ি উঠিব লাগিব আৰু তেতিয়াহে সৌন্দৰ্য্যৰ আচল ৰূপটো মানুহজনে উপলব্ধি কৰিব পাৰিব।

শৈশৱ কালৰ পৰাই মানুহৰ সৌন্দৰ্য্যৰ দক্ষতা বিভিন্ন ধৰণে বিকাশ হ'ব ধৰে আৰু ল'ৰা-ছোৱালীৰ এই সৌন্দৰ্য্যৰ প্ৰতি ধাউতি কেনেকৈ জগাব লাগে তাক পিতৃ-মাতৃ বা শিশুৰ অভিভাৱক কিম্বা শিক্ষকে জনাটো অত্যন্ত প্ৰয়োজনীয়। মনৰ উচ্চ সাংস্কৃতিক আৰু সুন্দৰ জীৱন যাপনৰ বাবে সৌন্দৰ্য্য শিক্ষা অতি আৱশ্যক। অতি কেচুৱা অৱস্থাতে যেতিয়া শিশুৱে তৃপ্তিৰে মাকৰ পিয়াহ খায় তেতিয়া মুখৰ ভিতৰত সুৰ ধৰি শিশুৱে গুণ গুণ শব্দ কৰে। ক্ৰমে ডাঙৰ হোৱাৰ লগে লগে পদ্য মাতে কিম্বা মনৰ আনন্দতে পদ্যবোৰ সুৰ ধৰি মাতে। শিশুৰ জীৱনত গান আৰু নাচ প্ৰথমে দেখা দিয়ে। গীত আৰু নাচৰ প্ৰতি শিশুৰ ধাউতি বাঢ়ে। উল্লেখযোগ্য যে মাক-বাপেকৰ অকৃত্ৰিম মৰম চেনেহৰ বাবেহে শিশুৰ মনত এনে তৃপ্তি জন্মে। গতিকে শিশুৰ মনত সৌন্দৰ্য্যবোধৰ অনুৰাগ জন্মাবৰ প্ৰথম আৰু প্ৰধান প্ৰয়োজন হল ঘৰখন। ঘৰখনৰ শান্তি-পূৰ্ণ, প্ৰেমপূৰ্ণ পাৰিবাৰিক পৰিবেশ শিশুৰ বাবে অত্যন্ত প্ৰয়োজনীয়। কিন্তু ঘৰখনত যদি এইবোৰৰ ওলোটাটোহে হয় অৰ্থাৎ যদি অশান্তি বিৰাজ কৰে, শিশুক যদি মাক-বাপেকে হুতা মাত কথা আৰু ডাবি-ধমকি দি থাকে, তিৰস্কাৰ কৰে তেন্তে তেওঁলোকৰ মনৰ সৌন্দৰ্য্যবোধ আৰু কলানুৰাগৰ বৃত্তিবোৰ মৰহি যায়।

আৰ্ট সমূহৰ ভিতৰত ভাস্কৰ্য কলাই হৈছে সমাজৰ সৌন্দৰ্য্যবোধৰ ওপৰত বেছি নিৰ্ভৰশীল।

গান-বাজানাৰ উপৰিও লৰা-ছোৱালী প্ৰথম অৱস্থাত চিত্ৰাঙ্কনৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। বয়স অনুযায়ী শিশুৱে বিভিন্ন ছবি আঁকে। দুই তিনি বছৰ বয়সত শিশুৱে কেৱল কিছুমান একা-বেকা আঁক দিয়ে। ইয়াত কোনো ছবিৰ লক্ষণ ফুটি নুঠে। ইংৰাজীত ইয়াক Scribbling কৰা বোলে। চাৰি পাঁচ বছৰত শিশুৱে কিছু আকৃতি দিব পৰা হয়, কিন্তু এই আকৃতিত বিভিন্ন অংশ-বোৰৰ কোনো সামঞ্জস্য নথকাত আঁকবোৰ যতে ততে বহুৱাই দিয়ে। এনে ধৰণে আঁকাটোক ইংৰাজীত Schematic drawing বুলি কোৱা হয়। আখৰ লিখিবলৈ শিশুক যেনেকৈ শিকোৱা হয় ঠিক সেইদৰে ছবি আঁকিবলৈ-ও শিকাই দিব লাগে। কাৰণ লিখা আখৰ-বোৰ এক ৰকমৰ ছবি বুলিও কব পৰা যায়; যিহেতু আদিম যুগত মানুহে এই ছবিবোৰৰ দ্বাৰা নিজৰ মনৰ ভাব প্ৰকাশ কৰিছিল। ক্ৰমবিকাশৰ লগে লগে এই ছবিবোৰৰ পৰাই বৰ্ণমালাৰ সৃষ্টি হয়। শিশুৰ অন্তৰত থকা খং, বেজাৰ, ভালপোৱা এই ছবিবোৰৰ দ্বাৰা প্ৰকাশ হয়।

সৌন্দৰ্য্য-বোধৰ অনুৰাগ সকলো ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে। এই-বোৰ বিশেষকৈ নিৰ্ভৰ কৰে বংশগত গুণ আৰু সুন্দৰ পৰিবেশৰ ওপৰত। শিশু এটিক যদি সৰুৰে পৰা সৌন্দৰ্য্যৰ প্ৰতি আকৰ্ষণ বঢ়োৱা হয় আৰু প্ৰেৰণা দিয়া হয়, কম পৰিমাণে সমলোচনা কৰা হয় তেন্তে শিশুটি ডাঙৰ হোৱাৰ লগে লগে জীৱনৰ অন্তিম দিনলৈ সৌন্দৰ্য্য উপভোগ কৰিবলৈ সক্ষম হ'ব। এইখিনিতে উল্লেখযোগ্য যে শিশুৰ কাৰ্য্যক খুব বেছি বেয়াকৈ সমালোচনা কৰা উচিত নহ'ব, কাৰণ এনে কৰিলে শিশুৰ মনত সৌন্দৰ্য্য-বোধ আত্ম প্ৰতিষ্ঠা কৰিবলৈ অক্ষম হ'ব।

ইয়াৰ উপৰিও ল'ৰা-ছোৱালীক সুন্দৰ উপদেশমূলক গল্প আদিৰ দ্বাৰা কল্পনাৰ বিকাশ সাধনত সহায় কৰিব লাগে। ল'ৰা ছোৱালীৰ বাবে উপযোগী নাটক, গল্প ইত্যাদিয়ে তেওঁ-লোকৰ সুন্দৰ চৰিত্ৰ গঠনত সহায় কৰে। ল'ৰা-ছোৱালীয়ে গল্প বা দেশ-বিদেশৰ কথাবোৰ শুনিব খুজিলে পিতৃ-মাতৃয়ে অৱহেলা কৰা উচিত নহয়। শিশু কালছোৱাত ঘৰখনৰ, পৰিয়ালৰ দায়িত্ব যথেষ্ট। সৌন্দৰ্য্য শিক্ষাৰ আৱশ্যকতাৰ কথা সকলো পিতৃ-মাতৃ কিম্বা অভিভাৱকে চিন্তা কৰি চোৱা দৰকাৰ। ইয়াৰ বাবে সাধ্যানুযায়ী আৱশ্যকীয় পৰিবেশৰ সৃষ্টি কৰা উচিত।

কৈশোৰ অৱস্থাত ল'ৰা-ছোৱালীৰ মানসিক দিশটোৰ বিকাশ ঘটে আৰু ল'ৰা-ছোৱালীৰ চিন্তাশক্তি হয় যুক্তিসংগত, বিজ্ঞানসম্মত আৰু শৃঙ্খলাবদ্ধ। কোনো বিশেষ বস্তু, অধ্যয়ন বা কোনো বিষয়ত কিশোৰ-কিশোৰীৰ মন নিবিষ্ট হৈ পৰে। ইয়াৰ উপৰিও এই সময়ত শিক্ষা আহৰণৰ ক্ষমতা মনযোগ আদি অধিক বৃদ্ধি পায়। ভৱিষ্যতৰ অলীক কল্পনা কৰে, নানা ৰঙীন সপোন দেখে। কিশোৰ-কিশোৰীৰ মনৰ বিভিন্ন জোৱাৰ, দুখ-ব্যথা, মান-অভিমান, আনন্দ এই সকলোবোৰ মনৰ তৃপ্তি সাধনৰ বাবে প্ৰকাশ কৰে কবিতা, গল্প, সঙ্গীত,



চিত্ৰাঙ্কন, চিলাই, ঘৰসজা (Home decoration), ৰন্ধা-বঢ়া, খোৱা-লোৱাৰ বাবে নতুন নতুন বস্তু কৰা ইত্যাদিৰ দ্বাৰা। তেওঁ-লোকৰ কাম কাজৰ বাবে আনৰ পৰা প্ৰশংসা বিচাৰে। পিতৃ-মাতৃ, শিক্ষকসকলে এইবিলাক গুণৰ বাবে তেওঁলোকক প্ৰেৰণা দিয়া উচিত। এইটো ঠিক যে কলা বা সৌন্দৰ্য্যবোধৰ অনু-ৰাগ বঢ়ালেই যে ভৱিষ্যতে প্ৰত্যেকজন লৰা-ছোৱালীয়ে শিল্পী, সাহিত্যিক হ'ব এনে নহয়, তথাপি প্ৰত্যেক মানুহৰ জীৱনত সাংস্কৃতিক প্ৰভাৱ অতি প্ৰয়োজনীয়। শৈশৱ আৰু কৈশোৰ কালৰ এই প্ৰভাৱবিলাকে সুস্থ মনোবিকাশত সহায় কৰে। সৌন্দৰ্য্য উপভোগ কৰাৰ লগে লগে সৌন্দৰ্য্যৰ মোল উপলব্ধি কৰি-বলৈ তেওঁলোকক শিকাব লাগে। স্কুল-কলেজত নানা ধৰণৰ অনুষ্ঠান, প্ৰতিযোগিতা আদিৰ দ্বাৰা সৌন্দৰ্য্যৰ প্ৰতি কিম্বা সৌন্দৰ্য্য শিক্ষাৰ প্ৰতি মন আকৰ্ষণ কৰিব পাৰি।

আধুনিক সৌন্দৰ্য্য বিজ্ঞানৰ নীতিয়ে শিক্ষক-সকলক শিল্পীৰ ভূমিকা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। এজন চিত্ৰ-শিল্পীয়ে এখন ছবিৰ দ্বাৰা বা এজন গায়কে তেওঁৰ গীতৰ দ্বাৰা যেনেকৈ সমাজৰ সুন্দৰ ৰূপটো ডাঙি ধৰিব বিচাৰে, ঠিক সেইদৰে শিক্ষকসকলেও সৌন্দৰ্য্য বিজ্ঞানৰ দ্বাৰা ল'ৰা-ছোৱালীক সৌন্দৰ্য্য শিক্ষাৰ মোল বুজাবলৈ চেষ্টা কৰা উচিত। আমি সকলোৱে মনত ৰখা উচিত হ'ব যে ভাৰতীয় সংস্কৃতি সমন্বয়ৰ আদৰ্শেৰে জীয়াই আছে। ক্ৰম বৰ্ধমান শক্তিয়েই হৈছে প্ৰকৃত জীৱন শক্তি। ক্ৰম-বৰ্ধমান শক্তি ভাৰতীয় সংস্কৃতিৰ প্ৰাণ। ভাষা, সাহিত্য, সুকুমাৰ কলা, দৰ্শন ইত্যাদি ক্ষেত্ৰত প্ৰকাশ পোৱা প্ৰতিভাই হৈছে জাতি বিশেষৰ সংস্কৃতিৰ মাপকাঠী। সকলো আৰ্টৰ মূলতে দুটা পন্থাই কাম কৰা দেখা যায়। এটাৰ উদ্দেশ্য কাৰুকাৰ্য্য আৰু জাকজমকতাৰ সৃষ্টি; আনটোৰ উদ্দেশ্য সংযম আৰু আড়ম্বৰ হীনতা। এটাই বাহ্যিক আৰু দৃষ্টিমুখৰ আড়ম্বৰৰ জৰিয়তে প্ৰকাশ বিচাৰে। আনটোৱে আমাক অন্তৰ আত্মা স্পৰ্শ কৰি অভিভূত কৰে। অসম তথা ভাৰতীয় সংস্কৃতিৰ ভেটি বাক্সিবলৈ আমি সৌন্দৰ্য্য শিক্ষাৰ উন্নতিৰ বাবে চেষ্টা কৰা উচিত হ'ব।*

* এই প্ৰৱন্ধটি যুগুত কৰোঁতে তলত দিয়া কিতাপ কেইখনৰ সহায় লোৱা হৈছে।

[1] Mussen, Paul H = Handbook of Research Methods in Child Development. 1970.
[2] Curtis, S. J. = Introduction to the Philosophy of Education, 1968.
[3] Kar, B. C Education, = A Study of its Principles and Psychology, 1972.
[4] Sahitya Sabha, Assam = Asamiya Sanskriti, 1975.

# অ স মী য়া সংস্কৃতিৰ ঐতিহ্য

শ্ৰীনিৰূপা শইকীয়া
২য় বাৰ্ষিক : স্নাতক

মানৱ মনৰ সত্য সুন্দৰ ধাৰণাই সামাজিক ৰীতি-নীতি, গঢ়-গতি, চিন্তা-চৰ্চা ৰূপ-ৰসত সম্যক ৰূপে য'ত পৰিস্ফুট হয়, সেয়ে সংস্কৃতি। জাতীয় জীৱনৰ বৈশিষ্ট্যৰ প্ৰকাশ, জাতীয় আত্মাৰ সমন্বয়ত গঢ়ি উঠা এক বিপুল আত্মাৰ অভিব্যক্তি। সংস্কৃতিৰ লীলাভূমি অসম। আৰ্য্য-অনাৰ্য্য আদি বিভিন্ন জাতি গোষ্ঠীৰ সংমিশ্ৰণ আৰু ভৌগোলিক পৰিবেশৰ প্ৰভাৱত অসমত এটি স্বতন্ত্ৰ বৈশিষ্ট্য-পূৰ্ণ সংস্কৃতিয়ে গঢ় লৈছে।

বিশাল, গভীৰ অসমীয়া-সংস্কৃতি হাজাৰ-বিজাৰ বছৰৰ সাধনাৰে পৰিপুষ্ট। অসমীয়া সংস্কৃতি প্ৰগতিশীল। ইয়াৰ কোনো বাধা নাই, আছে মাথো বিৰামহীন গতিশীল প্ৰগতি। বিভিন্নযুগত বিভিন্ন সংঘাতৰ আঘাত পায়ো অসমৰ সংস্কৃতি স্বৰূপত মহিমামন্দিত হৈ আছে।

বিহু, শংকৰী কলা কৃষ্টি, ওজাপালি, লোকগীত, বড়ো নৃত্য, অসমৰ বিভিন্ন ঠাইত থকা স্থাপত্য আৰু ভাস্কৰ্য্য কলা আৰু অসমীয়া সাজ-পাৰ, অলংকাৰ আদিয়ে বৰ্ত্তমান অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে।

অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহু উৎসৱ। এই উৎসৱে যুগ যুগ ধৰি অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। অসম এখন কৃষি প্ৰধান দেশ আৰু অসমৰ পৰ্ব্বত-পাহাৰ জুৰি, মন ৰোমাঞ্চিত কৰি দিয়া জাতীয় উৎসৱ বিহু কৃষি উৎসৱেই। কৃষিৰ লগত জড়িত গৰুকেইটা, পথাৰ খন, সমাজখন, উৰু উৰু কৰা মনবোৰক কেন্দ্ৰ কৰি বিহু উৎসৱ পালন কৰা হয়। এই বিহু উৎসৱৰ নৃত্য-গীত - বাজনা আদিয়ে অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। বিহুগীতবিলাকত উল্লেখিত পুৰণি সমাজৰ সাজ পাৰ, অলংকাৰ আদিয়ে জাতীয় সংস্কৃতি ৰক্ষা কৰাত সহায় কৰিছে। বৰ্ত্তমান এই উৎসৱ চহৰমুখীও হৈছে যদিও সময়ে ইয়াক ম্লান কৰিব পৰা নাই।

বিহু উৎসৱ অসমত পৰ্ব্বতে-ভৈয়ামে যি-দৰে পালন হৈ আহিছে তাৰ পৰা অনুমান কৰিব পাৰি যে ই বিভিন্ন সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠা উৎসৱ। অসম যেনেকৈ মিশ্ৰিত সংস্কৃতিৰ লীলাভূমি ঠিক তেনেকৈ অসমত তাহানিৰে পৰা প্ৰচলিত বিহু-উৎসৱো মিশ্ৰিত সংস্কৃতিৰ উৎস-ৱহে। অসমীয়া বিহুক কেন্দ্ৰ কৰি যি সংস্কৃতি গঢ়ি উঠিছিল সেই সংস্কৃতি অসমলৈ অহা অষ্ট্ৰিক কিৰাট, আৰ্য্য আদি জনগোষ্ঠীৰ বিভিন্ন অৱদানৰ সংস্কৃতি। অসম বিভিন্ন জন-জাতিৰ বাসভূমি। প্ৰকৃত পক্ষে কবলৈ হলে অসমীয়াৰ বিহু উৎসৱ আদিম জন-জাতিসকলৰ কৃষি উৎসৱেই বিভিন্ন যুগৰ জন-সমষ্টিৰ প্ৰভাৱত সামাজিক গাঁথনিৰ মাজত পৰি জাতীয় উৎসৱ ৰূপে পৰি-গণিত হৈছে। ভৈয়ামৰ মিচিং সম্প্ৰদায় আৰু বড়ো সম্প্ৰদায়েও এই উৎসৱ পালন কৰে। মিচিং সম্প্ৰদায়ৰ নিজস্ব দোৱান্নত বিহুগীত আছে। বড়ো সম্প্ৰদায়ে চ'ত আৰু বহাগৰ দোমাহীৰ পৰা আৰম্ভ কৰি সাত দিনলৈ পালন কৰা 'বৈশাগু' উৎসৱত বিহুত পালন কৰাৰ দৰেই গৰুক গা-ধুওৱা, নতুন কাপোৰ লোৱা আদি লোকাচাৰ প্ৰচলিত। কাৰ্ব্বীসকলৰ (ভৈয়ামৰ) মাজতো বিহু উৎসৱ পালন কৰা দেখা যায়।

অসমীয়া সংস্কৃতিৰ বুৰঞ্জীত ষোড়শ শতিকা এক নৱ অভ্যুদয়ৰ কাল। এই কালত অসমীয়া জাতি আৰু সংস্কৃতিয়ে নিৰ্দ্দিষ্ট এক গঢ় ল'লে। অসমৰ ধৰ্ম-জীৱন, সমাজনীতি, ভাষা, সাহিত্য, কলা আদি সংস্কৃতিৰ মূল উপাদান বিলাকৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ ইমান বেছি যে, অসমীয়া সংস্কৃতিৰ মাজৰ সুঁতিটোক শঙ্কৰী সংস্কৃতি বুলি ক'ব পাৰি। বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য গুচি অসম, কামৰূপ আৰু বেহাৰ ৰাজ্য প্ৰতিষ্ঠিত হোৱাত শঙ্কৰা যুগত দেশত ৰাজনৈতিক ভাৱসাম্যই দেখা দিলে আৰু সেয়ে এক বহল সংস্কৃতি গঢ় লৈ উঠাত সহায় কৰিলে।

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ এই দুজনা গুৰুৰ অৱদান সমূহে অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। বৰগীত, ভটিমা, ভাওনা, সত্ৰীয়া নৃত্য, চালি নৃত্য আদিয়ে অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ চিনাকী দিয়ে।

বৰগীত অসমৰ ধ্ৰুপদ-জাতীয় উচ্চাঙ্গ বা শাস্ত্ৰীয় সঙ্গীত কলা। ইয়াৰ মাজেদিয়েই শঙ্কৰ-দেৱে হিন্দুস্থানী বা কন্নাড়ীয় পদ্ধতিৰ পৰা পৃথক এক শ্ৰেণীৰ সঙ্গীত প্ৰতিষ্ঠা কৰিলে। বৰগীতৰ সুৰে ভক্তক ভক্তি-ৰস প্ৰৱণ কৰি তোলে; বাহ্যিক জগতৰ পৰা আতঁৰাই নি আৰাধ্য গোবিন্দৰ চৰণ চোৱাইগৈ। বৰগীত সাংসাৰিক জগতৰ প্ৰেম কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত আধ্যাত্মিক ভাৱৰ উপাসনা প্ৰসংগৰ গীত। শঙ্কৰদেৱৰ প্ৰায়খিনি আৰু মাধৱদেৱৰ বেছি-ভাগ বৰগীতৰে ভাষা ব্ৰজবুলি।

'ভটিমা' শব্দৰ অৰ্থ স্তুতি বা প্ৰশস্তি। ই ভাটৰ গীত। ভাটসকল দ্বাদশ শতিকা মানৰ ৰাজপুতনা অঞ্চলৰ চাৰণসকলৰ দৰে। শঙ্কৰ-দেৱৰ ভটিমা বিলাকক তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰিঃ নাটকীয় ভটিমা, নাটকৰ বাহিৰেও দেৱ-ভটিমা আৰু ৰাজ-ভটিমা। এই তিনি শ্ৰেণীৰ লগতে মাধৱদেৱে আৰু এক শ্ৰেণীৰ ভটিমা যোগ দিয়ে— গুৰু ভটিমা।

শঙ্কৰদেৱে ভাওনাৰ মাজেদি নৃত্য-বিদ্যা সৰ্ব সাধাৰণৰ সম্পত্তি কৰি দি গ'ল। গীত নৃত্য, হস্ত ( মুদ্ৰা ), কথা, ছোঁ, মুখা আদি বিভিন্ন উপাদানেৰে অসমীয়া ভাওনাত লোক

সংস্কৃতিৰ এটি মধুৰ ৰূপ সোমাই আছে; সি বিভিন্ন ফালৰ পৰা দাক্ষিণাত্যৰ কথাকলি, যক্ষগান, টুল্লল আদি ৰংগানুষ্ঠানৰ সমকক্ষ। শঙ্কৰদেৱে সংস্কৃত আদৰ্শ, মিথিলাত দেখা উমাপতি উপাধ্যায়ৰ 'পাৰিজাত হৰণ' নাটক আৰু কীৰ্ত্তিনীয়াৰ নাচ, ওজাপালিৰ পৰম্পৰা আৰু নিজস্ব প্ৰতিভা- এই আটাইবিলাকৰ সংযোগ সাধন কৰি অংকীয়া নাটৰ ৰূপ দিছে। এই অংকীয়া নাট বৈষ্ণৱ ভাৱৰ বাহন। অংকীয়া নাটতো ব্ৰজবুলি ভাষা ব্যৱহাৰ কৰা হৈছে।

সত্ৰীয়া নৃত্য আৰু চালি নৃত্যইও অসমীয়া সংস্কৃতিৰ ঐতিহ্য যুগ যুগ ধৰি বহন কৰি আহিছে।

ওজাপালি, জিকিৰ ( ইছলাম সম্প্ৰদায়ৰ ), মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা লোকগীত সমূহো অসমীয়া সংস্কৃতিৰ প্ৰতীক। এই বিলাকে অসমীয়া সংস্কৃতিৰ ঐতিহ্য বৰ্ত্তমানলৈকে বহন কৰি আহিছে। ডুবি দেৱালৰ দেৱদাসী নৃত্যও অসমীয়া সংস্কৃতিৰেই অন্তৰ্গত। শঙ্কৰদেৱৰ পূৰ্ব্ববৰ্ত্তী কালচোৱাত অসমত শাক্ত ধৰ্মই প্ৰতি পত্তি লাভ কৰিছিল। তেতিয়া অসমত বহুতো মঠ মন্দিৰ আছিল আৰু সেই মঠ-মন্দিৰ বিলাকত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। দেওধাই নৃত্য, যদিও অপ্ৰচলিত হৈ পৰিছে তথাপি এই নৃত্যও অসমীয়া সংস্কৃতিৰেই ভিতৰুৱা। দেওধাই নৃত্যত দেৱতাৰ মূৰ্ত্তিৰ আগত বলিদান কৰি দেৱতাৰ সন্তুষ্টিৰ অভিপ্ৰায়েৰে ভক্তসকলে নৃত্য কৰে। অসমৰ চাহবনুৱা সম্প্ৰদায়ৰ মাজত প্ৰচলিত ঝুমুৰ নৃত্যও বৰ্ত্তমান অসমীয়া সংস্কৃতিৰ অন্তৰ্গত।

স্থাপত্য আৰু ভাস্কৰ্য্য কলাইও অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। অসমৰ অসংখ্য মঠ-মন্দিৰ, ৰংঘৰ, কাৰেং ঘৰ, জয়দৌল, শিৱদৌল, বিষ্ণুদৌল, আদিয়ে অসমৰ প্ৰাচীন ভাস্কৰ্য্যৰ নিদৰ্শন আজিও বহন কৰি আছে। পুৰাণ আৰু তন্ত্ৰশাস্ত্ৰতো অসমৰ ভাস্কৰ্য্যৰ উল্লেখ আছে। অসমৰ দৰং জিলাই ভাস্কৰ্য্য আৰু স্থাপত্য সম্পদত বেছি চহকী। দৰং জিলাৰ দহ পৰ্ব্বতীয়া, বামুনী পাহাৰ, তেজপুৰ, বিশ্বনাথ, বিহালী আদি বহু ঠাইত ভাস্কৰ্য্যৰ ভগ্নাৱশেষ পৰি আছে। দহ পৰ্ব্বতীয়াৰ শিলৰ চৌকাঠত কটা গঙ্গা আৰু যমুনাৰ মূৰ্ত্তি গুপ্ত ভাস্কৰ্য্যৰ নিদৰ্শন বুলি বিশেষজ্ঞ সকলে অভিমত দিছে। কামৰূপ, গুৱাহাটী, কামাখ্যা আৰু হাজোৰ ভাস্কৰ্য্য উল্লেখযোগ্য। গোৱালপাৰা জিলাৰ যোগীঘোপা, সূৰ্য্যা পাহাৰ আদিত তান্ত্ৰিক, বৌদ্ধ ভাস্কৰ্য্যৰ নিদৰ্শন আছে। শিৱসাগৰ জিলা আহোম স্থাপত্য আৰু ভাস্কৰ্য্যৰ কেন্দ্ৰ। পুৰণি কছাৰী ৰাজ্যৰ ৰাজধানী ডিমাপুৰ ৰাজনৈতিক কাৰণত বৰ্ত্তমান অসমৰ অন্তৰ্গত নহলেও ইয়াৰ স্থাপত্য আৰু ভাস্কৰ্য্য অসমৰেই অন্তৰ্গত। ডিমাপুৰৰ বিজয়স্তম্ভবোৰৰ মহেঞ্জোদাৰোৰ বিজয়স্তম্ভৰ লগত বিশেষ সাদৃশ্য আছে বুলি জন মাৰ্চেল চাহাবে তেওঁৰ মহেঞ্জোদাৰোৰ ইতিহাসত উল্লেখ কৰি গৈছে।

অসমীয়া সাজ-পাৰেও অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। অসমীয়া সাজ-পাৰ বৈশিষ্টপূৰ্ণ। এই সাজ-পাৰৰ নিজস্ব এটা স্থান আছে। অসমত তৈয়াৰী মুগা, পাট, এড়ীৰ সাজ-পাৰ অসমীয়া সাজ-পাৰৰ উৎকৃষ্ট নিদৰ্শন। বৰ্ত্তমান ইয়াৰ চাহিদা ভাৰতৰ অনান্য প্ৰদেশ আৰু ভাৰতৰ বাহিৰৰ কিছুমান ঠাইতো যথেষ্ট বৃদ্ধি পাইছে। ইয়েই অসমীয়া সাজ-পাৰৰ ঐতিহ্যৰ চিনাকী দিয়ে। অসমৰ জন-জাতীয় সম্প্ৰদায়ৰ সাজ-পাৰো অতি চকুত লগা। মিচিংসকলৰ 'মিৰিজিম' বৰ্ত্তমান কালতো সকলোৰে অতি আদৰৰ বস্তু। জন-জাতীয় সাজ-পাৰেও অসমীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। অসমীয়া অলংকাৰ, জোনবিৰি, চিপাত, মাদলি, গলপতা আদিয়েও অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ চিনাকী দিয়ে।

অসমীয়া সংস্কৃতি এটা ঐতিহ্যমণ্ডিত সংস্কৃতি। অৱশ্যে ইয়াকে লৈ আমি আত্ম সন্তুষ্টি লাভ কৰা উচিত নহব। সংস্কৃতি-সাধকসকলে সময়ৰ লগত খাপ খোৱাকৈ আৱশ্যকীয় সংস্কাৰ সাধন কৰি ইয়াক আৰু ঐতিহ্যমণ্ডিত কৰি তুলিবলৈ চেষ্টা কৰা উচিত। +

---

"মানুহে মানুহৰ ওপৰত কৰা অনাচাৰ; অত্যাচাৰ, জন্মগত অধিকাৰৰ দাবী, ৰাষ্ট্ৰীয় প্ৰভুত্ববাদ, ধৰ্মৰ নামত সাম্প্ৰদায়িক বিদ্বেষ বহিৰ পৰা জাতিৰ মুক্তি, অস্পৃশ্যতা পাপৰ পৰা জাতিক উদ্ধাৰ কৰিবলৈ সাম্যবাদ প্ৰচাৰ কৰা আৰু আত্ম-মৰ্য্যদা আদি জগাই তোলাই জাতীয় সাহিত্যৰ সাৰ্থকতা। শিক্ষা, সমাজ আৰু ধৰ্ম-সংস্কাৰৰ নতুন পন্থা উদ্ভাৱন কৰি জাতিক আত্ম প্ৰতিষ্ঠিত কৰিবলৈ প্ৰাণস্পৰ্শী সাহিত্য ৰচনা কৰিব লাগিব। জন-সাধাৰণৰ অন্তৰ স্পৰ্শ কৰিব পৰা সাহিত্যই প্ৰকৃত সাহিত্য।"

— ৰঘুনাথ চৌধাৰী (১৯৩৬)

# 'অনুতাপৰ পূৰ্বে'

শ্ৰীসন্ধ্যা শৰ্ম্মা
দ্বিতীয় বাৰ্ষিক : প্ৰাক্-বিশ্ববিদ্যালয়

পৰমেশ্বৰৰ সৃষ্টিত মানৱ চেতনাযুক্ত প্ৰাণী। তেওঁলোকৰ আছে বুদ্ধিৰ অক্ষয় কোষ। বুদ্ধিৰ সফল প্ৰয়োগেই হৈছে, মানৱক পশুৰ পৰা পৃথক কৰা ৰেখা। নিজৰ বল-বুদ্ধিৰ সহায়ত বৰ্ত্তমানৰ মনুষ্য, অতীত আৰু ভৱিষ্যতত বিচৰণ কৰে। অতীতত কি হৈছিল, ভৱিষ্যতে কি হ'ব, এই সকলোবোৰ শান্তিৰে বিচাৰ কৰে কেৱল মনুষ্যইহে, লগতে নিজৰ বাবে এক নিৰাপদ মাৰ্গ বিচাৰি লয়। কেতিয়াবা কেতিয়াবা এনে সময় আহে, যেতিয়া নিজে কৰা কাৰ্য্যৰ বাবে অনুতাপ আৰু দুখী হ'ব লগীয়া হয়। এই দুখৰ অগ্নিত উন্মান হৈ তেওঁ নিজৰ বৰ্ত্তমান স্বৰ্ণিম সময়ক দুখাত্মক কৰি তোলে। যেতিয়া সময় আছিল, শক্তি আছিল, বুদ্ধি আছিল, তেতিয়া বিচাৰ নাছিল। সেই সময়ত একমাত্ৰ মদৰ উন্মাদেৰে চকু বন্ধ হৈ আছিল, কিন্তু যেতিয়া এই সকলোবোৰ হাতৰ পৰা সৰকি গ'ল, তেতিয়া চকুও মুকলি হ'ল, বিবেকো আহিল; কিন্তু এতিয়া নিৰুপায়, এতিয়া কেৱল অনুতাপৰ অগ্নিহে অৱশিষ্ট আছে, য'ত গোটেই জীৱন দহিব লগীয়া হয়। কিন্তু এই অনুতাপ কৰি লাভ কি? যি হ'ব লগীয়া আছিল হৈ গ'ল, কি লাভ বাকী থকা জীৱনৰ আনন্দকো মাটিত মিহলাবলৈ? এই আশয়ৰ দ্যোতক হৈছে এই পংক্তিটো :

"অব পছিতা এহোত কা
জব চিড়িয়া চুক গই খেত।"

যেতিয়া চৰায়ে খেতি খাই শেষ কৰিলেই, আকৌ অনুতাপ কৰি লাভনো কি? তাৎপৰ্য্য এইটোৱেই যে : কালৰূপী চৰাই জীৱনৰ ক্ষণৰূপী কণক যেতিয়া খায়, সেই সময়ত মনুষ্যই কোনো বিচাৰ কৰি নাচায়, আৰু ৰক্ষাৰো কোনো প্ৰযত্ন নকৰে। কিন্তু যেতিয়া একো নাথাকে, তেতিয়া চৈতন্য হয় আৰু অনুতাপ কৰে। যেতিয়া খেতি সেউজীয়া শস্যৰে ভৰপূৰ আছিল, তেতিয়াই তাক ৰক্ষা নকৰি আকৌ পাছত চকুলো বোৱাই কি লাভ? মনুষ্যৰ কৰ্ত্তব্য যে তেওঁ প্ৰথমতেই ভালদৰে ভাৱি-চিন্তি কাৰ্য্য কৰিব লাগে, যাৰ পৰা শেষত যেন তেওঁ হাত মোহাৰিব লগীয়া নহয়। গিৰিধৰ কবিয়ে কয় যে :

"বিনা বিচাৰে জো কৰে, সো পাছে পছতায়
কাম বিগাৰে আপনো, জগমে হোত হঁসায়।"

সংস্কৃততো এটা উক্তি আছে :

'সহসা বিদধীত ন ক্ৰিয়াম্,
অবিবেকঃ পৰমাপদাম্ পদম্।"

অৰ্থাৎ মনুষ্যই কোনো কাম নভৱা-নিচিন্তাকৈ কৰিব নালাগে, কাৰণ অবিবেক হৈছে হাজাৰ হাজাৰ আপত্তিৰ ঘৰ। প্ৰথমে কাৰ্য্য আৰু অকাৰ্য্যৰ ওপৰত, তাৰ সাৰ্থকতা আৰু নিৰৰ্থকতাৰ ভালদৰে বিচাৰ কৰি চাব লাগে। কাৰণ কাৰ্য্য সমাপ্ত হোৱাৰ পাছত একো হ'ব নোৱাৰে, কেৱল অৱশিষ্ট ৰৈ যায় একমাত্ৰ অনুতাপ।

"কমলো কো মাৰ তুষাৰ গয়া,
মুস্কৰাতে হুএ ৰবি আয়ে তো ক্যা।"

যেতিয়া পদুমৰ পাহ মৰহি গ'ল, তেতিয়া প্ৰাতঃকালৰ সময়ত যিমানে মিচিকিয়া হাঁহি বিৰিঙাই সূৰ্য্যৰ আগমন নহওক, কোনো লাভ নহয়। নিজৰ কাম নষ্ট হৈ যোৱাৰ পাছত মুৰ ফুটাই কান্দিলেও আৰু অনুতাপৰ অগ্নিত স্বয়ং দেই গলেও একো নহয়। এটা স্থলত তুলসীদাসে লিখিলে :

"কা বৰসা জব কৃষি সুখানে,
সময় চুকি পুনি কা পছিতানে।"

এবাৰ যেতিয়া সময় পাৰ হৈ গ'ল আকৌ আমি যিমানেই অনুতাপ নকৰোঁ একো লাভ নাই। সময়ৰ গতিৰ মোল বুজি সেই অনুকূলে আচৰণ কৰা তথা নিজৰ অভীপ্সিত কাৰ্য্যক্ষেত্ৰ বিচাৰপূৰ্ব্বক আগবঢ়াই হৈছে সফলতাৰ মন্ত্ৰ। অনুতাপ কৰা হৈছে এটা ভুলৰ ওপৰত আন এটা ভুল কৰা। আমি প্ৰথম ভুল কৰিলোঁ যে সময়ত নাভাবিলোঁ, আৰু দ্বিতীয় ভুল কৰিলোঁ যে নিজৰ শৰীৰ আৰু মনক অনুতাপৰ অগ্নিকুণ্ডত জ্বলালোঁ, লগতে বাকী থকা জীৱনৰ আনন্দকো জানি-বুজি হেৰুৱাই দিলোঁ। কোনো এজন বিদ্বান লোকে কৈছিল :

"গতত ন শোচনামি কৃতম্ ন মন্যে",

অৰ্থাৎ যি হ'বলগীয়া আছিল হৈ গ'ল, তাকেই লৈ চিন্তা আৰু অনুতাপ কৰা ব্যৰ্থ। যেতিয়া অলপ সময় আছিল, সেই সময়ৰ অলপো প্ৰয়াসে, অলপো সাৱধানতাই অনেক কল্যাণ কৰিব পাৰে, কিন্তু সময় শেষ হৈ যোৱাৰ পাছত আমি যিমানেই অনুতাপ নকৰোঁ লাভ নাই। হিন্দী কবি ৰহীমেও (আব্দুৰ ৰহীম খানখানা) কৈছিল : যেতিয়ালৈকে গাখীৰ গাখীৰ হৈ থাকে, তেতিয়ালৈকে তাক ঘূটি মাখন তৈয়াৰ কৰিব পৰাটো বুদ্ধিমানলোকৰ কাম, কিন্তু যেতিয়া গাখীৰ নষ্ট হৈ যায় তেতিয়া আমি যিমানেই পৰিশ্ৰম নকৰোঁ, গাখীৰৰ পৰা মাখন উলিয়াব নোৱাৰো। গাখীৰ ফাটি যোৱাৰ পাছত মাখন উলিওৱাৰ প্ৰয়াস, শক্তিৰ অপব্যয় মাত্ৰহে। ৰহীমে কৈছিল :

'ৰহীম বিগড়ে দুধ কে,
মথেন মাখন হোয়।।'

ইতিহাস সাক্ষী যে পৃথ্বিৰাজ চৌহানে মুহম্মদ গোৰীক ১৭ বাৰ হৰুৱাইছিল, কিন্তু সেই অক্ৰান্তাৰ বিষাল দাঁতক ভাঙিব নোৱাৰিলে। যাৰ পৰিণাম স্বৰূপে ভাৰত যৱনৰ দ্বাৰা পদাক্ৰান্ত হ'ল আৰু শ-শ বছৰলৈকে দাসতাৰ যাতনা সহ্য কৰিলে আৰু শেষত

পাকিস্তানৰ জন্ম দিলে।

ইতিহাস সাক্ষী যে যিমানেই মহাপুৰুষে সন্মান অৰ্জন কৰিছে, তেওঁলোক সকলোৱেই সময়ৰ গতিক ভালদৰে বুজি পাইছিল, যি সময় যি কামৰ বাবে উপযুক্ত আছিল, সেইটো কাম সেই সময়তে কৰিছিল বাবেহে তেওঁলোকে নিশ্চিত সফলতা লাভ কৰিব পাৰিছিল। আৰু সেই বাবেই তেওঁলোকৰ নাম আৰু কীৰ্ত্তি অক্ষুন্ন হৈ আছে। লোহাক তেতিয়া পিটিব লাগে, যেতিয়া ই গৰম হয়, তেতিয়াহে আমি নিজ মনোনুকূল বস্তু তৈয়াৰ কৰিব পাৰিম। লোহা ঠাণ্ডা হোৱাৰ পাছত আমি যিমানেই পিটো, তাৰ পৰা কোনো বস্তু তৈয়াৰ কৰিব নোৱাৰোঁ। আমাৰ হাতুৰী আৰু ছৈনী লাগিলে ভাঙি যাওক। ইংৰাজীত এষাৰ কথা আছে :

"Strike while the iron is hot"

প্ৰত্যেক বুদ্ধিমান ব্যক্তিয়ে সময় থাকোতেই সাৱধান হোৱা উচিত। তৃষ্ণাত ব্যাকুল হোৱাৰ পাছত যি ব্যক্তিয়ে কুঁৱা খান্দিবলৈ আৰম্ভ কৰে, সেই তৃষিতজনৰ মৃত্যু অনিবাৰ্য্য। যি ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ সময়ত শোৱে, ফূৰ্ত্তি কৰি সময় নষ্ট কৰে; কিন্তু পাছত অনুতাপ কৰে, তেতিয়া তাৰ অনুতাপ কৰা বাৰ্থ। সময়ত কাৰ্য্য নকৰা লোকক আৰু সময়ত কথা নোকোৱা লোকক শঙ্কৰাচাৰ্য্যই বোবা আৰু বধিৰৰ উপাধি দিছে :

"মূকস্তো বোবাবধিৰস্তু কো বা বক্তুং ন যুক্ত সময়ে সমৰ্থ :"

অৰ্থাৎ যি ব্যক্তি যথা সময়ত কাৰ্য্য কৰিব নোৱাৰে, কথা কব নোৱাৰে, তেওঁ কলা আৰু বোবা। অতঃ নিজক মনস্তাপ আৰু খেদৰ পৰা ৰক্ষা পাবলৈ এইটোৰ আৱশ্যক যে আমি সময়ত সাৱধান হওঁ; অন্যথা কেৱল হাত মোহৰাই আমাৰ হাতত বৈ যাব আৰু একোৱেই নাথাকিব।

সেই বাবেইতো সফলতাই পৰিস্থিতিক চিনি পোৱা আৰু সময়ত কাৰ্য্য কৰা লোকক সদায় বৰণ কৰে। ০০০

"প্ৰেমৰ প্ৰেৰণা আৰু জ্ঞানৰ নিৰ্দেশনাই লগ লাগি জীৱনক কৰি তোলে মহান।"

॥ বাৰ্ট্ৰাণ্ড ৰাছেল ॥



# গাঁৱলীয়া সমাজৰ জিলিঙনি

প্ৰিয়ম্বদা শইকীয়া
দ্বিতীয় বাৰ্ষিক ঃ স্নাতক

বহুতো দিশলৈকে দৃষ্টি নিক্ষেপ কৰি আমি একে এষাৰতে কব পাৰোঁ— গাঁৱেই সমাজ জীৱনৰ কেন্দ্ৰ-স্বৰূপ। এতিয়া আমাৰ চকুৰ আগত এখন বহল পৃথিবী। যিখন পৃথিবীৰ এটা দিশত থাকি হয়তো আমি আন এটা দিশৰ কথা কল্পনা কৰিব নোৱাৰোঁ এইখন এখন বহল পৃথিবী য'ত বিচিত্ৰতাৰ সমাবেশ ঘটিছে। যেনিয়েই চাওঁ তেনিয়েই কেৱল ব্যস্ততা। অথচ এই একেখন পৃথিবীয়েই এটা সময়ত শান্তিত শুই আছিল, যিটো সময়ত আজিৰ এই কোটি কোটি জনতাই পৃথিবীৰ বুকুত হেন্দোলনি তোলা নাছিল; কিন্তু আজি নানান উদ্যোগ প্ৰতিষ্ঠানে ধুনীয়া ধুনীয়া নগৰৰ সৃষ্টি কৰি পৃথিবীখনক বৈচিত্ৰময় কৰি তুলিছে। এখন বিশাল আকাশৰ তলত মানুহে গগনচুম্বী অট্টালিকাৰ...

তিৰ বিৰাট বিৰাট আট্টালিকা সাজি স্বচ্ছন্দে বাস কৰিছে। তেনে এটি পৰিবেশত থাকি জানো কোনোবাই এখন গাঁৱৰ এটি শান্ত মধুৰ চিত্ৰ কল্পনা কৰিব পাৰে? হয়তো কোনেও কল্পনাই কৰিব নোৱাৰে যে প্ৰকৃতিৰ সৌন্দৰ্য্য নীৰৱে উপভোগ কৰিব পৰা এনে এখন সমাজ আছে, যিখনেই হৈছে গাঁও।

গাঁও কেতিয়াবা বাৰু বেয়া লাগেনেকি? লাগে, প্ৰকৃতিৰ সৌন্দৰ্য্যক অন্তৰেৰে উপলব্ধি কৰিব নোৱাৰিলে, সেই সৌন্দৰ্য্যক মুক্ত দৃষ্টিৰে চাব নাজানিলেই গাঁও বেয়া লাগে। আজি আমাৰ জীৱনবিলাক ক্ৰমে চহৰমুখী হ'ব খুজিছে। ভাল কথা, যদিহে গাওঁখনক উন্নতিৰ পথেৰে আগুৱাই নি আমি এখন নতুন নগৰৰ সৃষ্টি কৰিবলৈ বিচাৰিছোঁ—

যিখন নগৰ জ্ঞানৰ জ্যোতিৰে প্ৰতিভাত হৈ উঠিব পাৰে; কিন্তু সেয়া জানো বাস্তৱত পৰিলক্ষিত হৈছে ? আমি আজি সকলোৱেই স্বাৰ্থান্বেষী, সকলোৱেই নিজক লৈয়ে ব্যস্ত। এখন সমাজক উন্নতিৰ পথেৰে আগুৱাই নিয়াৰ কথা আমি চিন্তা নকৰোঁ। অৱশ্যে ব্যক্তিক লৈয়ে সমাজ। গতিকে প্ৰত্যেকৰে নিজৰ নিজৰ উন্নতি হোৱা মানেই সমাখজনৰে উন্নতি হোৱা বুলি ভাবি আমি ক্ষান্ত থাকিব পাৰোঁ; কিন্তু এই খিনিতে এটা সন্দেহৰ অৱকাশ থাকি যায় — সমাজৰ সামূহিক উন্নয়নৰ চিন্তা কৰিব কোনে ?

আজি এই প্ৰৱন্ধটিত যদিও অসমৰ গাঁৱলীয়া সমাজ সম্পৰ্কে কব খোজা হৈছে তথাপি এটা কথা কৈ থব খুজিছো যে এই গাঁও কেৱল অসমতেইহে যে আছে এনে নহয়। মোৰ এটা ভুল ধাৰণা আছিল — অসমৰ বাহিৰে অন্য ঠাইত যেন গাঁও খুব কমেইহে আছে; কিন্তু যেতিয়া অসমৰ পৰা বাহিৰত ফুৰিবলৈ যাওঁতে লক্ষ্য কৰিছিলো ৰেলখন দেখোন নগৰতকৈ বেছিকৈ গাঁৱৰ মাজেৰেহে অগ্ৰসৰ হৈছিল। তেতিয়াহে মই অনুভৱ কৰিব পাৰিছিলোঁ – গাঁও যেন কেৱল অসমতেই নহয় সমগ্ৰ ভাৰততে বিয়পি আছে। আনকি পৃথিবীৰ বহু উন্নত দেশবোৰৰো গাঁৱলীয়া জীৱনৰ কথা আমি ভ্ৰমণ কাহিনীবোৰৰ মাজেদি জানিব পাৰোঁ। অৱশ্যে সেই সেই দেশৰ গাঁৱলীয়া জীৱন যে আমাতকৈ বহুত উন্নত এই কথা কোৱা বাহুল্য মাথোন। কিন্তু অসমৰ গাঁৱৰ ছবিখন ভাৰতত অন্যান্য গাঁৱৰ সৈতে প্ৰায় একেই।

কবিসকল সুন্দৰৰ পূজাৰী। তেওঁলোকে সৌন্দৰ্য্যৰ সাধনা কৰে। সেই ফালৰ পৰা ধাৰণা হয় – কবিসকলেও যেন তেওঁলোকৰ লিখনিত এখনি মনোৰম চিত্ৰ কেৱল গাঁৱক লৈয়ে অঙ্কন কৰে। একো একোটা প্ৰকাণ্ড অট্টালিকাত বহিও তেওঁলোকে কবিতাৰ সৃষ্টি কৰে গাঁৱক লৈ। গাঁৱলীয়া জীৱনৰ হাঁহি-কান্দোন, গাঁৱৰ সুখ-দুখৰ জীৱন্ত চিত্ৰ সেয়েহে উচ্চ সাহিত্যৰো প্ৰধান বিষয়বস্তু হৈ পৰাটো আমি দেখা পাইছো। বহুতো আধুনিক চিত্ৰ-নাট্য, গীতকাব্য, সঙ্গীত আৰু বোলছবি আদিত গাঁৱলীয়া সমাজৰ চিত্ৰই প্ৰধান ভূমিকা লৈছে।

আমি সকলোৱেই জানো যে অসমৰ যি কলা-সংস্কৃতি সেই সকলো বিলাকেই অসমীয়া গাঁৱলীয়া জীৱনৰ পটভূমিত সৃষ্টি হোৱা; কিন্তু দুখৰ বিষয় যে আজি নগৰৰ কথা বাদেই সভ্যতা সংস্কৃতিৰ জন্মদাতৃ গাঁৱেই সেই সংস্কৃতিক কালৰ বুকুত জাহ যাবলৈ এৰি দিছে। জাতীয় ঐতিহ্য বজাই ৰখাটো প্ৰত্যেক জাতিৰেই কৰ্ত্তব্য। সমাজৰ প্ৰত্যেক ব্যক্তিয়েই এই ক্ষেত্ৰত সচেতন হোৱা উচিত। অসমীয়া কলা-সংস্কৃতিৰ বাহক শঙ্কৰদেৱ মাধৱদেৱে অসমীয়া সমাজৰ কাৰণে কেইপদমান অমূল্য বস্তু দি থৈ গৈছে। সেয়া হৈছে — নামঘৰ, মনিকূট আৰু ভাওনা। আৰু এই কেইপদ সম্পদেই অসমীয়া সমাজৰ ঐক্য, সংস্কৃতি আৰু সংস্কৃতিৰ ৰক্ষাৰ প্ৰধান সম্বল। ভাওনাৰ কাৰণে মহাপুৰুষ জনাই নিজে অঙ্কীয়া নাট ৰচি থৈ গ'ল — যাৰ তুলনা পাবলৈ নাই আৰু ইয়াৰ মাজেদিয়েই অসমীয়া সমাজ-জীৱন সুন্দৰ ৰূপে প্ৰতিফলিত হৈছে। ভাওনা, ৰৰসবাহৰ লগত অসমৰ গাঁৱলীয়া জীৱনৰ সম্বন্ধ অতি নিবিড়। ভাওনা, সবাহ বুলিলে গাঁৱৰ ডেকা-বুঢ়া, জীয়াৰী-বোৱাৰীৰ উৎসাহৰ সীমা নাথাকে। জাতীয় ঐক্য আৰু সংহতিৰ ই যেন এক মিলন-ভূমি। অথচ মহাপুৰুষজনাৰ মূল্যবান সৃষ্টিক আমি আজি আদৰ কৰিব জনা নাই। ভাওনাৰ নামত বহুৱালি কৰি এনে অপূৰ্ব সৃষ্টিক আমি অৱমাননা কৰিছোঁ। সেই একেদৰেই আমাৰ জাতীয় সংস্কৃতি বিহুৰ ঐতিহ্য আজি লোপ পাব খুজিছে। ইয়াৰ বাবে দায়ী কোন ? দায়ী আমি — আমাৰ সমাজ। প্ৰকৃতিৰ এটা সুন্দৰ পৰিবেশ আমি বিচাৰি পাওঁ গাঁৱতহে। অসমীয়া জাতিৰ কাৰণে যেতিয়া উৎসৱ বিহু আহে সেই সময়খিনিৰ যি আনন্দ—সেই আনন্দ আমি উপভোগ কৰিব পাৰোঁ কেৱল বহল আকাশ আৰু সেউজীয়া ঘাঁহনি পথাৰৰ এক নিৰিবিলি পৰিবেশতহে। নগৰত ৰঙ্গমঞ্চৰ ওপৰত কৰা বিহুগীতে বা বিহু-নৃত্যই জাতীয় সংস্কৃতিক জীয়াই ৰাখিব নোৱাৰে। যিহেতু তাত স্বাভাবিকতা নাই। পথাৰৰ মাজৰ পৰা ভাঁহি অহা বাঁহীৰ সুৰ, ঢোল-পেপাৰ মাত, ডেকা-গাভৰুৰ আনন্দৰ গীত-মাতে আমাক যিমান আৰ্কষণ কৰিব পাৰে, নগৰৰ মাজ-মজিয়াত নানা হুলস্থূলীয়া পৰিবেশত বজোৱা গীত-মাতে সিমান আৰ্কষণ কৰিব নোৱাৰে। নগৰৰ এই আয়োজন যেন কৰ্ত্তব্যৰ খাটিৰতহে কৰা হয় – এনে লাগে। যিহেতু বিহুৱৰীয়া বিভিন্ন আয়োজনৰ শেষত নগৰৰ পৰা সেই আনন্দৰ পৰিবেশ অতি সোনকালেই আঁতৰি যায়; কিন্তু গাঁৱত ?? বিহুৱলীয়া প্ৰকৃতিৰ বুকুৰ পৰা বিহু দুদিন পাছতেই আঁতৰি নাযায়। কিছুদিন পাছলৈকে প্ৰকৃতি উৎসৱমুখৰ হৈ থাকে। অৱশ্যে সঁচা কথা কবলৈ গ'লে গাঁৱতো আগৰ সেই পৰিবেশ আজি আৰু নোহোৱা হৈ আহিছে। আনকি, সংস্কৃতি ৰক্ষাৰ নামত নগৰত কৰা উৎসৱৰ আয়োজনৰ সমান উৎসাহ-উদ্দীপনাৰে আজি গাঁৱত উৎসৱ পালনৰ আয়োজনো দেখা নাযায়।

তদুপৰি গাঁৱলীয়া জীৱন আজি অতিশয় সংঘাতপূৰ্ণ। ইয়াৰ মূলতে হ'ল অৰ্থনৈতিক অনগ্ৰসতা। কৃষি-ভিত্তিক গাঁৱলীয়া সমাজ অৰ্থনৈতিক ভাবে বৰ পাছপৰা। কৃষি উপযোগী প্ৰয়োজনীয় বৈজ্ঞানিক বা কাৰিকৰী জ্ঞান আৰু আহিলা-পাতিৰ অভাৱ, ক্ৰয় শক্তি-হীন নিৰক্ষৰ আৰু দুৰ্বল চহা গাঁৱলীয়াৰ আধুনিক পদ্ধতিৰ প্ৰতি বিৰাগ আদি – এশ এবুৰি সমস্যাৰ লগতে পৰিস্কাৰ পানী যোগান, যাতায়তৰ সুব্যৱস্থা স্থাপন, স্বাস্থ্য-ৰক্ষাৰ প্ৰতি সজাগ দৃষ্টিভঙ্গী আৰু স্বাস্থ্য কেন্দ্ৰ স্থাপন আদি উল্লেখযোগ্য সমস্যা। এইখিনিতে এই কথাও অপ্ৰাসঙ্গিক নহ'ব যে আমাৰ দেশত দাৰিদ্ৰৰ সীমাৰেখাৰ তলত বাস কৰা অধিকাংশ লোকেই গাঁৱলীয়া ৰাইজ, গতিকে তেওঁলোকৰ সমস্যা বহুতেই। তথাপি বহুত সময়ত দেখা যায় তেওঁলোকে বহুতো নগৰবাসীতকৈ সুখে-সন্তোষে বাস কৰিছে। কঠোৰ শ্ৰম কৰি হ'লেও নিজে নিজৰ ভাতমুঠি যোগাৰ কৰি লব খোজে আৰু যি শ্ৰম কৰিব পাৰে তেওঁ হয়তো বহুখিনি সমস্যাৰ পৰা অব্যাহতি পাব পাৰিছে। এইটো স্বীকাৰ্য্য যে প্ৰায় ভাগ গাঁৱলীয়া মানুহ অতি

সহজ-সৰল । তেওঁলোকৰ কথা আৰু কামত কোনো কৃত্ৰিমতা নাই । কিন্তু আজি আমাৰ সমগ্ৰ দেশ দুৰ্নীতি-ব্যাধিয়ে চাটি ধৰিছে— ইয়াৰ পৰা যেন পৰিত্ৰাণ নাই । দেশৰ সৰু-বৰ তথাকথিত দেশনেতাসকলৰ পৰা সৰ্ব-সাধাৰণ প্ৰায় সকলো লোকেই এই ব্যাধিৰ দ্বাৰা আক্ৰান্ত হৈ হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে । এই একে আবেষ্টনিৰ মাজত সোমাই আমাৰ অসমৰ গাঁৱলীয়া সমাজো কলুষিত হৈ পৰিছে । শিক্ষাৰ পোহৰ পোৱাৰ লগে লগে যেন প্ৰত্যেক ব্যক্তিয়েই অজ্ঞান হৈ গৈছে । জ্ঞানৰ নামত যেন তেওঁলোকে অন্ধকাৰত ডুব যাব খুজিছে । শিক্ষা ললো বুলিয়েই যে নৈতিকতাক বিসৰ্জন দিব লাগিব তাৰ কিবা অৰ্থ আছে নেকি ? কিন্তু আজিতো আমি তাকেই কৰিছোঁ । শিক্ষা অৰ্জনৰ লগে লগে আমি নৈতিকতাক বিসৰ্জন দি আমাৰ জাতীয় ঐতিহ্যকো ম্লান কৰি পেলাব খুজিছোঁ । এটা জাতিৰ কাৰণে ই শুভ লক্ষণ নহয় । আমি আনক অনুকৰণ কৰিবলৈ গৈ নিজৰ সত্বাটোক হেৰুৱাই পেলোৱাটো লজ্জাজনক । আনৰ পৰা যদি ভালখিনি অনুকৰণ কৰিব পৰা যায়, সমাজেও হয়তো উন্নতিৰ পথত এখোজ আগুৱাই যাব পাৰিব । গাঁৱেই যিহেতু এখন দেশৰ মেৰুদণ্ড, তেনেক্ষেত্ৰত এখন দেশৰ উন্নতি কৰিবলৈ যোৱাৰ আগতে গাঁৱলীয়া সমাজৰ সমস্যাসমূহ দূৰীভূত কৰি গাঁওখনক এখোজ আগবঢ়াই দিব লাগিব । যিহেতু গাঁৱৰ উন্নতিৰ ওপৰতহে দেশখনৰ উন্নতি নিৰ্ভৰ কৰে । এইক্ষেত্ৰত মাহাত্মা গান্ধীৰ এষাৰ বাক্য প্ৰণিধান যোগ্য । গান্ধীজীয়ে কৈছিল : "Go back to village"—গাঁৱলৈ উভতি যোৱা, অৰ্থাৎ পোনতে গাঁৱলীয়া জন-সাধাৰণৰ উন্নতি সাধন কৰা ।

আজিৰ যুগটোয়েই হৈছে বিজ্ঞানৰ যুগ । আমাৰ দেশেও পৃথিবীৰ অন্যান্য দেশৰ লগত খোজত খোজ মিলাই প্ৰগতিৰ পথেৰে আগুৱাই যোৱাৰ চেষ্টা চলাইছে । অথচ এনে এটি বিজ্ঞানৰ যুগতো আমাৰ গাঁৱলীয়া জন-সাধাৰণৰ বহুতো লোকেই অন্ধ-বিশ্বাসত ডুব গৈ আছে । ই আমাৰ দেশৰ বাবেই অমঙ্গলৰ পৰিচায়ক । সেই বুলি আমি অসমৰ গাঁৱলীয়া জন-সাধাৰণৰ সকলোবিলাক নীতিকে উলঙ্ঘা কৰিব নোৱাৰো । এই নীতি-নিয়মসমূহৰ অন্তৰ্নিহিত তাৎপৰ্য্য হয়তো গুৰুত্ব দিব লগীয়াই ; কিন্তু আজি হয়তো গাঁৱৰেই খুব কম সংখ্যকৰ ঘৰতহে এই নীতি-নিয়মবিলাক আছে । যুগৰ পৰিবৰ্ত্তনেই এই পৰিবৰ্ত্তনবিলাক কঢ়িয়াই আনিছে । তথাপি এতিয়াও কোনো কোনো ঠাইত যিবিলাক অন্ধ-বিশ্বাস প্ৰচলিত আছে, সেইবোৰ আঁতৰ কৰাৰ ভাৰ পৰিছে ভবিষ্যত দেশৰ কৰ্ণধাৰ আজিৰ ছাত্ৰ সমাজৰ ওপৰত । যুগৰ পৰিবৰ্ত্তনৰ লগত নিজকে মিলাই লবলৈ সকলোবোৰ গাঁৱলীয়া সমাজে শিকা ঠাই ।

সমসাময়িক ঘটনা প্ৰবাহৰ সম্পূৰ্ণ জ্ঞানো গাঁওবাসীৰ নাই । ৰাজনীতি কি তাক তেওঁলোকে নাজানে । এটা ভোটৰ মূল্য কিমান তাক তেওঁলোকে নুবুজে । তেনেক্ষেত্ৰত দেশৰ গণতন্ত্ৰই বা বৰ্ত্তি থাকে কেনেকৈ ? এনে জন-সাধাৰণৰ চেতনা জগাই তুলিব পাৰিলেহে



দেশৰ উন্নতি সম্ভৱ হ'ব ।

আমাৰ গাঁওসমূহত আজি আমি অতীতৰ গাঁৱৰ সেই মধুৰ পৰিবেশ বিচাৰি নোপোৱাটো সঁচায়ে দুৰ্ভাগ্যজনক । হয়তো আজি অসমীয়া জনসাধাৰণৰ 'দিন ভিক্ষা প্ৰাণ ৰক্ষা'ৰ অৱস্থাই মনবিলাক কলুষিত কৰি পেলাইছে । তথাপি ঘাত-প্ৰতিঘাতক জয় কৰিব পৰাটোতহে প্ৰকৃত জীৱনৰ সাৰ্থকতা । আজি পুৰণি সংস্কৃতিয়ে গাঁৱৰ পৰা উঠি গৈ নগৰৰ মঞ্চত ঠাই লৈছে । লাহে লাহে এতিয়া আমি দেখা পাইছোঁ নগৰীয়া শিক্ষিত লোকসকলে জাতীয় ঐতিহ্য কালৰ বুকুত মৰহি যাবলৈ নিদি পুনৰ প্ৰতিষ্ঠা কৰিবলৈ উদ্যত হৈছে । কিন্তু এই প্ৰচেষ্টা কোনো কোনো ঠাইতহে পৰিলক্ষিত হৈছে । যদিহে নতুন উৎসাহ আৰু উদ্দীপনাৰে শিক্ষিত সমাজে গাঁৱৰ সমস্যাসমূহ দূৰীকৰণ কৰি গাঁওবিলাকলৈ আগৰ সেই মধুৰ পৰিবেশ শিক্ষাৰ মাধ্যমেৰে আনি দিব পাৰে, তেতিয়া হয়তো সকলো দিশতে গাঁৱৰো উন্নতি সম্ভৱ হ'ব । শিক্ষিত চামৰ প্ৰতি এয়া যুগৰ আহ্বান – এয়া সময়ৰ দাবী । ++

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত,
মোৰেই চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হ'ক প্ৰতিভাত ॥"

— চন্দ্ৰকুমাৰ আগৰৱালা

# নাট্যকাৰ ★ জ্যোতিপ্ৰসাদ

দীপালী ৰাজখোৱা
দ্বিতীয় বাৰ্ষিক ঃ প্ৰাক্-বিশ্ববিদ্যালয়

"History records not two dates of birth and death but only one date his birth"— ৰুছ মনীষী টলষ্টয়ে মেক্সিম গৰ্কীৰ উদ্দেশ্য ব্যক্ত কৰিছিল এনেদৰে। টলষ্টয়, গৰ্কীৰ দৰে মহান পুৰুষসকলৰ লিখনীৰ মাজেৰে সমগ্ৰ ৰুছ দেশৰ জাতীয় চৈতন্য ঘূৰাই অনা সম্ভৱ হৈছিল। মহৎ লিখক-সকলৰ লিখনীৰ যোগেদি এখন দেশৰ সামগ্ৰিক বিবৰ্ত্তন অনাব পাৰি আৰু সময়ত বুৰঞ্জীয়ে তেনে মহৎ লিখকৰ জন্ম আৰু মৃত্যুৰ দুটা দিন পঞ্জীয়ন নকৰি এটা দিনহে কৰে আৰু সেইটো হৈছে ৰুছ মনীষী টলষ্টয়ৰ ভাষাত "Only one date — his birth". ইতিহাসৰ পাতত চিৰযুগমীয়া হৈ ৰব পৰা এনে এজন ব্যক্তি হৈছে অসমী আইৰ বুকুত জন্ম গ্ৰহণ কৰা অসমীয়া সাহিত্য-সংস্কৃতিৰ যাদুকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা।

অসমীয়া সাহিত্য সংস্কৃতিৰ বেদীত জ্যোতি-প্ৰসাদ আছিল এজন নিৰ্ভীক আৰু অসামান্য পূজাৰী। সেয়ে অসমীয়া সাহিত্য-সংস্কৃতিৰ এনে এটা দিশ নাই য'ত ৰূপকোঁৱৰৰ প্ৰতি-ভাৰ প্ৰভাৱ সুন্দৰভাৱে প্ৰতিফলিত হোৱা নাই। অসমীয়া ভাষাত, অসমীয়া সাহিত্যত জ্যোতিপ্ৰসাদে জ্যোতিপ্ৰপাতৰ সৃষ্টি কৰি গৈছে তেওঁৰ নাটেৰে, তেওঁৰ গীতেৰে, বোলছবি আৰু কবিতাগুলিৰ যোগেৰে। আৰু সেইজনা জ্যোতিপ্ৰসাদৰে জ্যোতিপ্ৰপাতত অৱগাহন কৰি অসমীয়া কলাস্থুলভ মনে মুক্ত সংস্কৃত মনৰ উদাৰ আনন্দ চিৰকালৰ কাৰণে হৃদয়ঙ্গম কৰিবলৈ সক্ষম হ'ল। অকল সক্ষমেই নহয়, নৃত্য-গীত, নাট, কাব্যত নিজকে বিলীন কৰি দি অসমীয়াৰ প্ৰাণে বিশ্ব-প্ৰকৃতিখনকো আকোঁৱালি লবলৈ সাধনাত নিবিষ্ট হ'ল। সেয়েহে অসমৰ নৃত্য-গীত, নাট আৰু কাব্যত অসমীয়া সাংস্কৃতিক জীৱনত যিজনাই অভি-নৱত্ব আনি দি সৰ্বভাৰতীয় আৰ্য্য-সংস্কৃতিৰ লগত সমগ্ৰ অসমীয়া জাতিক সাঙুৰি দি সুকুমাৰ কলা সাধনাৰ বাট প্ৰশস্ত কৰি দিলে সেইজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পাছতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাকে অসমীয়া সাহিত্য-সংস্কৃতিৰ জন্মদাতা বুলিব পাৰি।

এইজনা সৌন্দৰ্য্য-সেৱী মহান শিল্পী জ্যোতি-প্ৰসাদৰ জীৱনীৰ বিষয়ে বিস্তাৰিত ভাৱে লিখা এই প্ৰবন্ধৰ উদ্দেশ্য নহয় আৰু সি সম্ভৱপৰো নহয়। জ্যোতিপ্ৰসাদৰ বহুমুখী প্ৰতিভাসম্পন্ন জীৱনক এটি আলোচনাৰে সামৰণি মাৰিবলৈ বিচৰাটো ধৃষ্টতাহে হ'ব মাথোন। সেয়েহে এই প্ৰবন্ধটিত কেৱল মাত্ৰ অসমীয়া নাট্য-সাহিত্যলৈ তেওঁৰ অৱদানৰ আৰু সাধনাৰ স্বৰূপৰ কিঞ্চিৎ আভাস দিবলৈ চেষ্টা কৰা হৈছে।

জ্যোতি-প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শনৰ তেওঁৰ সৃষ্ট নাটৰাজি অসমীয়া সাহিত্য-সংস্কৃতিলৈ এক অবিস্মৰণীয় অৱদান। জাতীয় জীৱনৰ উদ্দীপনা, জাতীয় চৰিত্ৰৰ অনুভাৱনা, ৰঙ্গমঞ্চত অভিনৱ কৌশলেৰে ৰচনা-ৰীতিৰ অসাধাৰণ কাব্যময় অনুপ্ৰেৰণাক প্ৰগতিশীল বাটত আগবঢ়াই নিয়াৰ গুৰিতে ৰূপকোঁৱৰৰ জ্যোতি-প্ৰসাদৰ অৱদান সবাতোকৈ শ্ৰেষ্ঠ। যি সময়ত অসমীয়া নাট্য-সাহিত্যৰ আকাশ ঘনঘোৰ ক'লা ডাৱৰে ঢাকি আছিল, সেই সময়ত জ্যোতি-প্ৰসাদে অসমীয়া নাট সাহিত্যত অতুলনীয় অৱদান আগবঢ়াই শিল্পী মনৰ হেঙুল বোলেৰে অসমীয়া নাট্য সাহিত্যৰ ধাৰাবাহিক স্ফূৰ্তি সলাই এক নতুন স্ফূৰ্তিত গতি কৰালে। কৌশল, নতুন চৰিত্ৰ-সৃষ্টিৰ উদ্ভাৱনাৰে জ্যোতি-প্ৰসাদে অসমৰ সমস্ত ৰঙ্গমঞ্চত যি বিপ্লৱৰ সূচনা কৰিলে সি অদ্বিতীয়।

ছাত্ৰাৱস্থাৰে ৰচনা "শোণিত কুঁৱৰী" তেওঁৰ সৰ্বপ্ৰথম নাট্য সৃষ্টি আৰু তাৰ দ্বাৰাই নাট্যকাৰ হিচাবে তেওঁ সুপ্ৰতিষ্ঠিত হয়। পুৰণি প্ৰণয় কাহিনী এটিক আধুনিকতাৰ বোল সানি কৰা নাটাৰূপ এই নাটখনিত বিহুগীত, বনগীত, বিয়ানাম আদি আৰু চিত্ৰলেখাৰ 'পদুম-কলি' নৃত্যই নাটখনিক সুন্দৰতাৰ ৰূপ প্ৰদান কৰিছে। এই নাটখনিক দুই প্ৰণয়াসক্ত মনৰ ব্যাকুলতাক শব্দ আৰু ভাষাৰ বৈশিষ্ট্যময় প্ৰয়োগেৰে নাট্যৰূপ দিয়া হৈছে। ড° বাণী-কান্ত কাকতিৰ ভাষাত ঃ বৰ্ত্তমান কালৰ ভাৱ আৰু ভাষাৰে পৌৰাণিক আখ্যানৰ সৌন্দৰ্য্য আৰু তত্ত্ব উলিয়াই অনাত লিখক কৃতকাৰ্য্য

হৈছে। পুথিৰ অন্তৰ্গত গীতবোৰত হৃদয়ৰ স্বাভাৱিক স্পন্দনৰ ৰেখা আছে আৰু সেই-বোৰত স্নিগ্ধ অভিনৱতাৰ ছিটা এটা পৰিছে। ভাৰৱীয়াবোৰৰ ভালেমান কথা স্বাভাৱিক নহলেও বা অৱস্থা বিশেষৰ লগত যোগ নেখালেও গ্ৰন্থকাৰে যে সৌন্দৰ্য্যৰ পোহৰ দেখিছে সেইটো সহজে বুজিব পাৰি।” ইয়েই নাট্যকাৰৰ মৌলিকতা।

“শোণিত-কুৰঁৱীত” কুমলীয়া নাট্যকাৰ সৌন্দৰ্য্যৰ ঢৌত উটি গৈছিল, কিন্তু তেওঁৰ দ্বিতীয়খন নাটক “কাৰেঙৰ লিগিৰী”ত তেওঁ নাটকীয় প্ৰতিভাৰ বিভিন্ন জ্যোতিৰ সমন্বয়ত কাৰেং ৰচিলে। এই নাটখন জ্যোতিপ্ৰসাদৰ সৰ্বশ্ৰেষ্ঠ নাট্যসৃষ্টি আৰু এই নাটখনিৰ শ্ৰেষ্ঠত্বৰ মূলতেই হ’ল চৰিত্ৰ সৃষ্টি, মঞ্চ নিৰ্দ্দেশ আদি সকলোতে ব্যৱহৃত নতুন ৰীতি।

জ্যোতিপ্ৰসাদে ৰাজনৈতিক বিপ্লৱী চিন্তা-ধাৰাৰ মাজেদি এখন নতুন সমাজ গঢ়াৰ কল্পনা কৰিছিল। বিপ্লৱী জ্যোতিপ্ৰসাদে তেওঁৰ সংগ্ৰামী জীৱনৰ যোগেদি এক মহান আদৰ্শৰ চিত্ৰপট ডাঙি ধৰি গ’ল। আদৰ্শবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সমাজ বন্ধনৰ সকলোৰে হেঙাৰ আছে আৰু এই হেঙাৰ অতিক্ৰম কৰিবলৈ হ’লে আদৰ্শবাদৰ ভেটিতেই জীৱন আহুতি দিব লাগিব। এনে বিপ্লৱী চিন্তাধাৰাকেই জ্যোতি-প্ৰসাদে ৰূপায়িত কৰিলে তেওঁৰ ‘কাৰেঙৰ লিগিৰী’ নামৰ নাটখনিত। নাটকৰ বিষয়বস্তু সম্পৰ্কে জ্যাতিপ্ৰসাদে নিজেই এইবুলি কৈ গৈছে: “ইয়াৰ underlying idea হৈছে সেই সনাতন সুন্দৰতাৰ বৈপ্লৱিক মনটো যি বৈপ্লৱিক প্ৰগতিৰ বাটত যাব খোজে. বৈপ্লৱিক মনস্তত্বই প্ৰণয় আৰু শ্ৰেণী ক্ষেত্ৰত কেনেকৈ সত্যৰ বাবে সৰ্ব্বস্ব ত্যাগ কৰি মানৱ গতিৰ বাটত আগবাঢ়ে তাকো দেখুৱাবলৈ চেষ্টা কৰা হৈছে।” সমাজ ও ব্যক্তিৰ সংঘৰ্ষ, প্ৰাচীন অন্ধ সংস্কাৰ, আদৰ্শৰ সংগ্ৰাম আদিৰে চিত্ৰিত এই ঘটনা-প্ৰধান কাল্পনিক নাটখনিক অসমীয়া সমস্যা-প্ৰধান নাটক বোলাহে যুগুত। এই নাটখনিত ৰূপকোঁৱৰে চৰিত্ৰ-সৃষ্টিত, সংঘাতপূৰ্ণ ঘটনাৰ সমন্বয় কৰাত, কাহিনী শক্তি অভিভূত কৰাত, পৰিবেশ-পৰিস্থিতি পৰিস্ফুট কৰাত যি গভীৰত্ব ও শিল্প প্ৰতিভাৰ চিনাকী দিছে সি সচাঁকৈয়ে অপূৰ্ব। অসমীয়া নাটকত ট্ৰেজেদীৰ গভীৰতাত, প্ৰেম-প্ৰণয়ৰ সংঘাতত জীৱন-যৌৱনৰ দাৰ্শনিক ভাব উপ-লব্ধিত মহত্ব দেখুৱাত আজিলৈকে কেৱল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদেই সমৰ্থ হৈছে। পশ্চিমীয়া নাট্যকাৰ গলছৱৰ্দী, ইবছেনে নাটকীয় পৰিবেশ আৰু পৰিস্থিতি ফুটাই তুলি চৰিত্ৰক আগুৱাই নিয়াৰ দৰে জ্যোতিপ্ৰসাদেও এই নাটকত সুন্দৰকৈ তাকেই ফুটাই তোলাত কৃতকাৰ্য্য হৈছে।

“লভিতা” জ্যোতিপ্ৰসাদৰ অসমীয়া নাট্য সাহিত্যলৈ তৃতীয় অৱদান। এই বাস্তৱধৰ্ম্মী নাটখনিয়েও জ্যোতিপ্ৰসাদৰ গভীৰ দেশপ্ৰেমৰ স্বাক্ষৰ বহন কৰিছে। চৰিত্ৰ বহুল আৰু ঘটনা বহুল হোৱাৰ কাৰণে এই নাটকখনি মঞ্চৰ বাবে অভিনয়োপযোগী নহয় যদিও বিয়াল্লিছৰ আন্দোলন আৰু দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচিত এই নাটখনিক এখন চলন্তিকা বিৱৰণী বুলিও কব পাৰি। নাটকৰ ঘটনা, চৰিত্ৰ, সংলাপন পৰিবেশ সৃষ্টি সকলোতে বাস্তৱমুখিতাৰ লক্ষণ সুস্পষ্ট। গতানুগতিক নাট্য কাহিনীৰ দৰে ইয়াত আৰম্ভনি, চৰিত্ৰাঙ্কন, নায়ক-নয়িকা পোৱা যায়। এই নাটখনত ব্যৱহাৰ কৰা সংলাপ আৰু অগনি বৰষা গীত-সমূহৰ যোগেদি শোষণ জৰ্জৰিত অসমীয়া ডেকা-গাভৰুদলক বিদেশী শাসনৰ বিৰুদ্ধে জাগৃত কৰি তুলিছিল আৰু ইয়ে সমসাময়িক স্বাধীনতা আন্দোলনত ভালেখিনি অৰিহণা যোগাইছিল। “ৰূপালীম” জ্যোতিপ্ৰসাদৰ দ্বাৰা সৃষ্ট আন এখন নাট। কাল্পনিক ভিত্তিত ৰচিত এই নাটখনিত লিখকে জনজাতীয় চৰিত্ৰৰ মাজেদি মানৱ চৰিত্ৰৰ মানসিক অন্ত-র্দ্দন্দ্ব দেখুৱাবলৈ চেষ্টা কৰিছে। এফালে দেশ-প্ৰেম আৰু আনফালে সতীত্ব বা নাৰীধৰ্ম আদিক লিখকে নাটকীয় ভাব-ভঙ্গীৰ মাজেদি প্ৰকাশ কৰিছে। এই নাটখনিৰ মূল নাৰী চৰিত্ৰ ৰূপালীমৰ ৰূপত দেখিবলৈ পাওঁ “উদ্ভিন্ন যৌৱনা এজনী সহজ-সৰল ৰূৰুমী গাভৰু, নিভাঁজ আৰু পবিত্ৰ প্ৰেমৰ প্ৰতীক আৰু ৰুৰুমী জাতি তথা প্ৰিয়তম মায়াব’ৰ মঙ্গলৰ হেতু ব্যাভিচাৰিণীৰ গ্লানি সহিবলৈ প্ৰস্তুত থকা এক বৈচিত্ৰ্যময় চৰিত্ৰ।” এই নাটকখনৰ ঘটনাবহুল চৰিত্ৰ-সমূহৰ মন আৰু প্ৰাণৰ সংঘাত দেখুৱাবৰ কাৰণে যেনে ধৰণৰ পৰিস্থিতি সৃষ্টি কৰিছে সেয়া কেৱল মাথোন জ্যোতিপ্ৰসাদৰ নিচিনা প্ৰতিভা-শালী নাট্যকাৰৰ দ্বাৰাহে সম্ভৱ।

জ্যোতিপ্ৰসাদৰ শেহতীয়া দুখন শিশু নাটিকা হৈছে ‘নিমাতী কইনা’ আৰু ‘সোণ-পখিলী’। ‘সোণপখিলী’ক লিখকে আধৰুৱাকৈ এৰি থৈ গৈছিল। এই দুখন নাটিকাৰ চৰিত্ৰ নাটকীয় গুণেৰে ফঁহিয়াই চোৱাতকৈ নাট্যকাৰ জ্যোতিপ্ৰসাদৰ শিশুসুলভ সৌন্দৰ্য্যপিপাসু মনৰ অপূৰ্ব কল্পনাপ্ৰৱণ এক আদৰ্শজনিত সুন্দৰ পৃথিৱীখনৰ পৰিকল্পনাৰ কথাহে মনকৰিবলগীয়া। “সুন্দৰকোঁৱৰ”, “কনকলতা”, ‘খনিকৰ’ ‘মানৱ দিনৰ অগ্নিসুৰ’ এই কেইখন জ্যোতিপ্ৰসাদৰ অস-মাপ্ত নাটক। এই নাটকেইখনক যদি তেওঁ সম্পূৰ্ণ কৰি গ’লহেঁতেন নাট্য সাহিত্যৰ ক্ষেত্ৰত অসমীয়া সাহিত্যই যে প্ৰগতিৰ চৰম শিখৰত উপনীত হ’ব পাৰিলেহেতেঁন তাক নিসন্দেহে অনুমান কৰিব পাৰি। কিন্তু দুৰ্ভাগ্যৰ কথা যে ভগ্ন স্বাস্থ্যৰ বাবে তেওঁ এই নাট কেইখনক সম্পূৰ্ণ-ভাৱ ৰূপ দিব নোৱাৰিলে।

---

‘পাশ্চাত্য প্ৰভাৱত আধুনিক অসমীয়া সাহিত্যই গঢ় লোৱা বুলি কলেই যথেষ্ট হয়। সেই প্ৰভাৱৰ আঁৰে আঁৰে থকা ভাৰতীয় মনৰ সক্ৰিয় সত্তাটোৰ বিচাৰ হ’ব লাগে।’

—ত্ৰৈলোক্যনাথ গোস্বামী

# আমাৰ কলেজৰ ইতিবৃত্ত

## (১৬শ প্ৰতিষ্ঠা দিৱসৰ সম্পাদকীয় প্ৰতিবেদনৰ পৰা)

দৈনন্দিন দ্ৰুতভাৱে বাঢ়ি অহা জনসংখ্যা আৰু শিক্ষাৰ প্ৰসাৰতালৈ দৃষ্টিপাত কৰি নগাঁৱৰ যুৱতী আৰু মহিলাসকলে কলেজীয়া উচ্চ শিক্ষা যাতে এটা সুকীয়া অনুষ্ঠানৰ যোগেদি গ্ৰহণ কৰিব পাৰে, এই কথা উপলব্ধি কৰি যোৱা ১৯৫৯ চনতে 'নগাঁও উইমেন্‌চ কলেজ' নাম দি নগাঁও ছোৱালী স্কুল প্ৰাঙ্গণতে পহিলাই এই অনুষ্ঠানৰ পাতনি মেলা হৈছিল। আৰু কলেজৰ অধ্যক্ষৰ আসনত বৰ্ত্তমান এই কলেজৰ অধ্যক্ষ গৰাকীকে বহুৱাইছিল। কিন্তু দুৰ্ভাগ্য যে অনুষ্ঠানটোৰ প্ৰতিষ্ঠাতা সম্পাদক আৰু প্ৰধান পৃষ্ঠপোষক স্বৰ্গীয় ললিত কুমাৰ বৰুৱাৰ ১৯৬০ চনৰ জুন মাহত অকাল মৃত্যু হোৱাত তাৰ পিছৰ বছৰতে অনুষ্ঠানটোৰো বিলুপ্তি ঘটে।

কিন্তু এখন পৃথক ছোৱালী কলেজ পতাৰ ভাবটো সাময়িকভাৱে তল পৰিলেও ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনৰ পাছত সেইভাৱ নগাঁৱৰ ৰাইজ আৰু নাগৰিকৰ মনত পুনৰ সজীৱ হৈ উঠিল। আৰু তাকেই বাস্তৱত ৰূপ দিবলৈ সেই বছৰৰে জুন মাহত জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত হোৱা নাগৰিকসকলৰ এক অনানুষ্ঠানিক আলোচনাত অনুষ্ঠানটোৰ এখন কাৰ্য্য নিৰ্বাহক সমিতি গঠন হয়। অনুষ্ঠানটোৰ কাৰণে উক্ত সমিতিৰ হৈ এটা সঁজাতী দলে সেই সময়ৰ অসমৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাক লগ ধৰি দিহা-পৰামৰ্শ বিচৰাত তেখেতে সকলো প্ৰকাৰে সহায়-সহযোগ আগ বঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। কাৰ্য্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত ক্ৰমে কলেজত শীঘ্ৰে প্ৰাক্-বিশ্ববিদ্যালয় আৰু ১ম বাৰ্ষিক স্নাতক শ্ৰেণী আৰম্ভ কৰা হয়। প্ৰাক্-বিশ্ববিদ্যালয়ত ৪২ গৰাকী আৰু ১ম বাৰ্ষিক স্নাতক শ্ৰেণীত ২২ গৰাকী ছাত্ৰীৰ নাম ভৰ্ত্তি কৰি ১২।৯।৬২ তাৰিখৰ পৰা শিক্ষাদান কাৰ্য্য আৰম্ভ হয়। আকৌ বৰ্ত্তমানৰ অধ্যক্ষই প্ৰথম অধ্যক্ষ হিচাবে নিযুক্তি লাভ কৰে। লগে লগে ছাত্ৰীৰ নাম ভৰ্ত্তিৰ কাম পূৰ্ণোদ্যমে চলে। বিভিন্ন বিষয়ত শিক্ষাদান কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰা হ'ল। নগাঁও কলেজৰ কেইবাগৰাকী উৎসাহী অধ্যাপকে ত্যাগ স্বীকাৰ কৰি অবৈতনিকভাৱে স্বেচ্ছাই শিক্ষাদান কৰিবলৈ আগবাঢ়ি আহিল।

কলেজখনৰ নাম প্ৰথম এল, চি টোডি উইমেন্‌চ কলেজ হিচাবে নামকৰণ হয় যদিও শেহলৈ ইয়াৰ নাম এল, চি, টোডি গাৰ্লচ কলেজ হয়। কলেজখনৰ এই নামেৰে নামকৰণ হোৱাৰ পটভূমি আছিল যে কাৰ্য্যনিৰ্বাহক সমিতিয়ে অৰ্থ অভিযান চলাই স্থানীয় ধনী ব্যৱসায়ী স্বৰ্গীয় লালচান্দ টোডিক অনুষ্ঠানটোৰ পৃষ্ঠপোষকতা কৰিবলৈ অনুৰোধ জনায়। স্বৰ্গীয় টোডিয়ে মত প্ৰকাশ কৰে যে তেওঁৰ নামেৰে কলেজখন নামকৰণ হ'লে কাৰ্য্যনিৰ্বাহক সমিতিয়ে বিচৰামতে কলেজ ভৱনটো নিৰ্মাণ কৰি দিয়াৰ উপৰিও, কলেজৰ যাবতীয় ব্যয়ৰ বাবে মাহে ২,৫০০০·০০ টকাকৈ চাৰি মাহৰ ব্যয় বহন কৰিবলৈ আৰু কলেজৰ সংৰক্ষিত পুঁজি হিচাবে ২২,৫০০·০০ টকা দান দিবলৈ প্ৰতিশ্ৰুতি দিয়ে। কথামতেই কাম হ'ল। অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাদেৱে আনুষ্ঠানিকভাৱে কলেজখন উদ্বোধন কৰে-- নগাঁও কলেজ প্ৰাঙ্গনত ১৯৬২ চনৰ ২০ চেপ্তেম্বৰত। আৰু লগতে কলঙৰ পাৰৰ কলেজৰ বৰ্ত্তমানৰ এই ঠাইডোখৰ পৰিদৰ্শন কৰি বানপানীৰ সম্ভাব্য আক্ৰমণৰ পৰা ৰক্ষা পৰিবলৈ মথাউৰি আৰু খাল বিভাগক বৰ্ত্তমানৰ মথাউৰিটো নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দি যায়।

২৫।১১।৬২ তাৰিখে বৰ্ত্তমানৰ এই ঠাইতে স্থায়ী কলেজ ভৱনৰ আধাৰ-শিলা স্থাপনৰ বাবে সিদ্ধান্তত উপনীত হৈ তাৰ বাবে সকলো আয়োজন কৰা হ'ল আৰু তেতিয়াৰ অসমৰ ৰাজ্যপাল এচ, এম, শ্ৰীনাগেশক আমন্ত্ৰণ জনোৱাও হ'ল। কিন্তু দুৰ্ভাগ্য যে চীনা আক্ৰমণে নিৰ্দিষ্ট দিনৰ এসপ্তাহৰ আগতেই বিষয়টো তল পেলালে। অৰ্থ সাহাৰ্য্যৰ প্ৰতিশ্ৰুতি দিয়াৰ ৪ বছৰৰ পাছতো স্বৰ্গীয় টোডিয়ে কলেজ ভৱন নিৰ্মাণ আৰু ছাত্ৰীনিবাস আৰু গ্ৰন্থাগাৰৰ বাবে ক্ৰমে ৫০,০০০.০০ আৰু ২৫,০০০,০০ টকা দিয়াৰ অক্ষমতা প্ৰকাশ কৰিলে। তেওঁৰ এনে কাৰ্য্যত কলেজ সমিতি সংকটাপন্ন হ'লেও অৱশেষত ২৩।১২।৬৬ তাৰিখে বৰ্ত্তমান এই ঠাইত কলেজ ভৱন নিৰ্মাণ কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে আৰু কলেজৰ নাম আগৰ এল, চি. টোডি গাৰ্লচ কলেজৰ পৰিবৰ্ত্তে নগাঁও গাৰ্লচ কলেজ কৰে। আৰু তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাই কলেজ ভৱন আৰু গ্ৰন্থাগাৰ নিৰ্মাণৰ বাবে ক্ৰমে ৫০,০০০·০০ আৰু ১০,০০০·০০ টকাৰ মঞ্জুৰী আগবঢ়ায়।

কলেজৰ নিজা ভৱন হৈ নুঠা পৰ্য্যন্ত শ্ৰেণীসমূহ বহুৱাবৰ কাৰণে আমোলাপট্টিত অৱস্থিত ৰেড্‌ক্ৰছ ভৱনটো ভাৰালৈ শ্ৰেণীসমূহ বহুওৱা হ'ল আৰু এই ভৱনতে কলেজ চলি থাকি ১৯৬৮ চনতহে কলেজৰ নিজৰ স্থানত নিৰ্মিত ভৱন ইয়ালৈ শ্ৰেণীসমূহ স্থানান্তৰিত কৰা হয়। ছাত্ৰীৰ প্ৰথম দলটোৰ ২৪ গৰাকী ছাত্ৰীয়ে স্নাতক পৰীক্ষা দি ১৫ গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। আৰু উত্তীৰ্ণৰ হাৰ বিশ্ববিদ্যালয় কিম্বা স্থানীয় আন কেইখন কলেজৰ উত্তীৰ্ণৰ হাৰতকৈ উচ্চ হোৱাত অধ্যাপক-অধ্যাপিকাসকল আৰু ৰাইজে যথেষ্ট উৎসাহ-উদ্দগনি লাভ কৰিলে।

বৰ্ত্তমান ঠাইত কলেজ ভৱন নিৰ্মাণহৈ উঠাত শ্ৰেণীসমূহ ১৭।৭।৬৮ তাৰিখে ইয়ালৈ স্থানান্তৰ কৰি ৰেড্‌ক্ৰছ ভৱনটো কলেজৰ ছাত্ৰী-নিবাস হিচাবে ব্যৱহাৰ কৰিবলৈ কলেজ সমিতিয়ে সিদ্ধান্ত কৰে।

১৯৬৮ চনত কলেজৰ নিজা হিচাবে মাথোন প্ৰশাসনীয় ভৱনটোহে নিৰ্মিত হৈ উঠিছিল। আৰু ইয়েই প্ৰশাসনীয় কাম আৰু শ্ৰেণীসমূহ বহুৱাবলৈ যথেষ্ট নাছিল। সেইবাবে অস্থায়ী ভাবে ছালি নিৰ্মাণ কৰি শ্ৰেণীসমূহ বহুৱাটো অপৰিহাৰ্য্য হৈ পৰিছিল। কিন্তু কলেজৰ পুঁজি উদং, এনে অৱস্থাত কলেজৰ অধ্যক্ষই অধ্যাপক-অধ্যাপিকাসকলৰ সম্পূৰ্ণ সহযোগিতাৰে ১৯৬৮ চনৰ ফেব্ৰুৱাৰী মাহৰ পষেক জোৰা অৰ্থ সংগ্ৰহ অভিযান চলাই প্ৰায় ২৫,০০০.০০ টকা সংগ্ৰহ কৰে। আৰু তাৰে অস্থায়ী ছালিঘৰ নিৰ্মাণ কাৰ্য্যত খৰচ কৰা হয়। এনে ভাৱে নিৰ্মিত অস্থায়ী ছালিঘৰেই বছৰেকীয়া মেৰামতিৰ হাত বুলনিত আজি পৰ্য্যন্তও আছে আৰু শ্ৰেণীসমূহো তাতেই চলি আছে।

কলেজখনক ঘাটি মঞ্জুৰী অৱস্থাৰ অধীনলৈ আনিবলৈ একাধিকবাৰ একোটা সঁজাতীদলৰ চেষ্টা ফলপ্ৰসূ হোৱা নাছিল। কলেজৰ অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাসকলে এক মাহেন্দ্ৰক্ষণত তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী স্বৰ্গীয় চলিহাদেৱক ৩১।১।৬৭ তাৰিখে নগাঁও চাৰ্কিট হাউচত লগ ধৰি কলেজখনক ঘাটিমঞ্জুৰীৰ অধীনলৈ আনিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে টেলিফোন যোগে শিক্ষাধিকাৰৰ লগত যোগাযোগ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলক ইতিবাচক সমিধান দি উৎসাহিত কৰিলে। আৰু অৱশেষত এটি তদৰ্থ মঞ্জুৰী লাভ কৰা কলেজ খনে ১।৭।৬৬ তাৰিখৰ পৰা ঘাটি মঞ্জুৰী লাভ কৰে।

১৯৬৬ চনলৈকে কলেজখনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা কেৱল বাৰ্ষিক সম্বন্ধীকৰণহে (এফিলিয়েচন) পাই আছিল। কিন্তু সৌভাগ্য যে কলেজখনে সেই বছৰতে ত্ৰিবাৰ্ষিক সম্বন্ধীকৰণৰ মঞ্জুৰী পাই বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ ২ (এফ) ধাৰাৰ অধীনলৈ আহে আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অনুদান বিচৰাৰ যোগ্যতা লাভ কৰে। কিন্তু মন কৰিব লগা কথা যে কলেজখনৰ স্থায়ী ভৱনৰ অভাৱৰ বাবেই আন সকলোবোৰ প্ৰয়োজনীয় চৰ্ত্ত পূৰণ কৰিও বিশ্ববিদ্যালয়ৰ পৰা কলেজখনে এতিয়া বাৰ্ষিক সম্বন্ধীকৰণ মঞ্জুৰীহে লাভ কৰে।

কলেজ প্ৰতিষ্ঠাতে গঠিত কলেজৰ কাৰ্য্যনিৰ্বাহক সমিতিখন ভঙ্গ কৰি দি ১৯৬৬ চনৰ জুলাই মাহত জিলাৰ উপায়ুক্তক সভাপতি আৰু কলেজৰ অধ্যক্ষক সম্পাদকৰূপে লৈ এখন নতুন পৰিচালনা সমিতি গঠন কৰা হয়। তেতিয়াৰ পৰা বিভাগীয় নিয়মানুযায়ী তিনিবছৰীয়া কাৰ্য্যকালেৰে আমাৰ কলেজত এতিয়ালৈকে বহুকেইখন পৰিচালনা সমিতি গঠন আৰু ভঙ্গহৈ গ'ল। কলেজৰ বৰ্ত্তমান পৰিচালনা সমিতিখন শ্ৰীমতী উষা বৰঠাকুৰক সভাপতি আৰু কলেজৰ অধ্যক্ষক সম্পাদক ৰূপে লৈ ১৯৭৭ চনৰ পৰা গঠিত হৈছে।

কলেজৰ নিজাকৈ এটি ছাত্ৰী-নিবাসৰ



অভাৱ আৰম্ভনিৰে পৰা অনুভৱ কৰি অহা হৈছে। বিভিন্ন অভাৱ আৰু অসুবিধাৰ মাজেৰে ৬০ গৰাকী ছাত্ৰীক ভাৰাতীয়া ছাত্ৰী-নিবাসত ৰাখি অহাৰ কথা ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে। কলেজৰ ছাত্ৰী-নিবাস নিৰ্মাণৰ বাবে আঁচনিসহ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্য চৰকাৰক আবেদন জনোৱা হ'ল। তদুপৰি বৰ্ত্তমানৰ অধ্যক্ষই শিক্ষামূলক ভ্ৰমণত যাওঁতে কলেজৰ ছাত্ৰী দ'ল এটাৰে মঞ্জুৰী আয়োগৰ সভাপতি ডঃ ডি, এচ, কোঠাৰীক ১৯৬৭ চনৰ অক্টোবৰ মাহত সাক্ষাত কৰি কলেজৰ ছাত্ৰী-নিবাসলৈ মঞ্জুৰী আগবঢ়াব লাগে বুলি অনুৰোধ জনোৱাত তেখেতে মঞ্জুৰী দিয়াৰ আশ্বাস দিয়ে। ইয়ালে তেতিয়াৰ অসমৰ শিক্ষাধিকাৰ শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱায়ো অধ্যক্ষক পৰিপূৰক মঞ্জুৰী দিয়াৰ আশ্বাস দিয়ে। বিশ্ববিদ্যালয়ৰ মঞ্জুৰী আয়োগে কলেজৰ পৰা ছাত্ৰী-নিবাসৰ আঁচনি পাই পৰীক্ষা-নিৰীক্ষা কৰি ১৯৬৯ চনৰ অক্টোবৰ মাহত ১,৫০,০০০.০০ টকাৰ মঞ্জুৰী পঠায়। ৩১।৩।৭০ তাৰিখেহে ৰাজ্য চৰকাৰে পৰিপূৰক মঞ্জুৰী হিচাবে মুঠেই ২০,০০০.০০ টকা পঠায়।

কলেজ ভৱনৰ উন্নয়নৰ দিশলৈ লক্ষ্য কৰি উল্লেখ কৰাৰ প্ৰয়োজন যে ইয়াৰ পূৰ্বৰ পৰিচালনা সমিতিৰ কাৰ্য্যকালত কলেজৰ এটা আহল-বহল ভৱন নিৰ্মাণ হৈছে আৰু ই কলেজৰ ডাঙৰ শ্ৰেণীসমূহ বহুৱাৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধা বহুখিনি দূৰ কৰিছে। কিন্তু পিছপিনৰ বাৰান্দাখন নোহোৱাত বহুত অসুবিধা হৈছে।

বিশেষ তাৎপৰ্য্যপূৰ্ণ কথা যে মাধ্যমিক শিক্ষান্ত পৰীক্ষা পাছ কৰি আমাৰ কলেজলৈ উচ্চ শিক্ষাৰ কাৰণে অহা শতকৰা ৯৬ ভাগ ছাত্ৰীয়েই তৃতীয় বিভাগত উত্তীৰ্ণ হৈ অহা। অথচ প্ৰাক্-বিশ্ববিদ্যালয় কিম্বা স্নাতকৰ শেষ পৰীক্ষাত সদায় তেওঁলোকে উচ্চ হাৰত পাছ কৰি সংশ্লিষ্ট সকলোকে সন্তোষ দি আহিছে। এয়া নিশ্চয় ছাত্ৰী সকলৰ আশাশুধীয়া যত্ন আৰু অধ্যাপক-অধ্যাপিকাসকলৰ আন্তৰিকতাপূৰ্ণ শিক্ষাদান কাৰ্য্যৰে ফল। এই কলেজৰ স্নাতক মহলাত ইংৰাজী, অসমীয়া, অৰ্থনীতি, ৰাজনীতিবিজ্ঞান, শিক্ষা, দৰ্শন আৰু বুৰঞ্জী বিষয়ত সাম্মানিক শ্ৰেণী আছে। উক্ত সাম্মানিক বিষয়ৰ ৰাজনীতি বিজ্ঞানত ১৯৬৯, ১৯৭৩ আৰু ১৯৭৪ চনত আৰু অসমীয়া বিষয়ত ১৯৭০ আৰু ১৯৭২ চনত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰিছে। এই বছৰো প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষাত শতকৰা ৪৭ ভাগ আৰু বি-এ পৰীক্ষাত শতকৰা ৫২ ভাগ পাছ কৰি সকলোকে আনন্দ দিব পাৰিছে। স্নাতক মহলাৰ অন্যতম শিক্ষণীয় বিষয় বাংলা আৰু সংস্কৃততো সাম্মানিক শ্ৰেণী খোলাৰ যত্ন চলাই থকা হৈছে।

যুৱতী আৰু মহিলাসকলৰ পাৰিবাৰিক জীৱনত বিশেষ ভাৱে সহায় কৰিব পৰা বিষয় হৈছে "গৃহ-বিজ্ঞান"। এই বিষয়টো আমাৰ কলেজত খুলিবৰ বাবে কলেজ কৰ্তৃপক্ষ যত্নপৰ হৈ অসমৰ শিক্ষামন্ত্ৰীৰ ওচৰত এটা সঁজাতী দলে ৬।৭।৭০ তাৰিখেই সাক্ষাত কৰে আৰু তেওঁ কলেজ কৰ্তৃপক্ষক পিছৰ বছৰত বিষয়টো

খুলিবলৈ নিৰ্দেশ দি পঠায়। এই বিষয়টো খুলিবৰ অভিপ্ৰায়েৰে বিষয়টোৰ অঙ্গীভূত সা-সৰঞ্জাম হিচাবে কেইটামান চিলাই কল আৰু গৰম কাপোৰ বোৱা যন্ত্ৰও কিনা হৈছিল। কিন্তু পৰিতাপৰ কথা যে উপযুক্ত আৰ্থিক সাহাযাৰ অভাবৰ নিমিত্তেই বিষয়টো এতিয়া লৈকে খুলিব পৰা ন'হল।

সুখৰ কথা যে ভূতপূৰ্ব কংগ্ৰেছ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাৰ সৌজন্যত স্বহীদ ভোগেশ্বৰী ফুকননীৰ নামেৰে দ্বিতীয় এটা ছাত্ৰী-নিবাস নিৰ্মাণ কৰিবলৈ 'বোম্বাই স্বাধীনতা দিৱস ৰূপালী জয়ন্তী কমিটি'ৰ তৰফৰ পৰা আমাৰ কলেজলৈ ১,৫০ লাখ টকাৰ আৰ্থিক সাহাৰ্য্য আগবঢ়াইছিল। গৃহ-নিৰ্মাণ সমিতিয়ে এই টকাৰে ছাত্ৰী-নিবাসটোৰ অৰ্দ্ধাংশ খৰটকীয়া ভাৱে সম্পূৰ্ণ কৰিলে। বাকী অৰ্দ্ধাংশৰ নিৰ্মাণ কাৰ্য্য শেষ কৰিবলৈ শ্ৰীবৰুৱাই আৰু ৯৬,০০০·০০ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু দেশৰ ৰাজনীতিৰ গতি পৰিবৰ্ত্তনেই উক্ত টকা লাভ কৰাত পৰিপন্থী হ'ল। যা হওক, ৰাজ্য চৰকাৰ আৰু ৰাইজৰ পূৰ্ণ সহায়-সহযোগিতাৰে আধৰুৱা হৈ থকা ছাত্ৰী-নিবাস সম্পূৰ্ণ কৰিবলৈ নিশ্চয় কৰ্তৃপক্ষ সক্ষম হ'ব।

আমাৰ কলেজৰ অভাৱ-অভিযোগৰ সীমা-সংখ্যা নাই। শিক্ষণীয় কাৰ্য্যত কলেজ কৰ্তৃপক্ষই ছাত্ৰীসকলক যি পৰিমাণে সুবিধা আগবঢ়াব লাগিছিল সেই পৰিমাণে পৰা নাই। কলেজ প্ৰতিষ্ঠাৰ সুদীৰ্ঘ দিনৰ পাছতো আমাৰ ছাত্ৰীয়ে ছালি ঘৰতেই পঢ়া-শুনা কৰি আছে। গ্ৰন্থাগাৰৰ আহল-বহল ঘৰ এটিৰ অভাৱত ছাত্ৰীসকলে পঢ়িবলৈ সুবিধা নাপায়। তদুপৰি ছাত্ৰীসকলৰ জিৰণি কোঠাও যাতেই সৰু, ছাত্ৰীসকলৰ সংখ্যানুপাতে নহয়। ছাত্ৰী একতা সভাৰ সুকীয়া কোঠাৰো যোগান ধৰিব পৰা নাই। সাম্প্ৰতিক শ্ৰেণীসমূহৰ কাৰণে বৰ্ত্তমানৰ এই হলটোৰ বাৰান্দা বঢ়াবলৈ আৰু কেইটামান পায়খানা আৰু প্ৰস্ৰাৱাগাৰ কৰিবলৈ প্ৰায় ৬৪ হাজাৰ টকাৰ আঁচনি এখন শিক্ষাধিকাৰ মহোদয়লৈ পঠোৱা হৈছিল; তাৰো আজিকোপতি কোনো উত্তৰ নাহিল। শিক্ষাৰ বাবে লাগতীয়াল লেবৰেটৰী যে লাগে তাৰ বাবে কিমান জনাই থকা হৈছে, কিন্তু কোনো ফল হোৱা নাই।

আক্ষেপেৰে ক'ব লগা হৈছে যে কলেজৰ সীমিত ঘৰ-দুৱাৰৰ বাবে আমি আমাৰ কলেজৰ অকৃতকাৰ্য্য ছাত্ৰীসকলক পুনৰ ভৰ্ত্তিকৰণ কৰিবলৈ সমৰ্থ নহওঁ। ফলত কলেজৰ ছাত্ৰী সংখ্যা হ্ৰাস হোৱাৰ লগতে আৰ্থিক ক্ষতিৰো সন্মুখীন হ'ব লগা হৈছোঁ।

সদৌ শেষত ৰাইজ আৰু চৰকাৰৰ প্ৰতি আমাৰ আহ্বান যেন তেখেতসকলৰ এই অনুষ্ঠানৰ প্ৰতি শুভেচ্ছা আৰু সহযোগিতা থাকিলে কলেজৰ ঘৰ-বাৰী কিম্বা বিভিন্ন অভাৱ-অভিযোগ দূৰ কৰি কলেজখনক পূৰ্ণাঙ্গ অনু-

(২৯ পৃষ্ঠাত চাওঁক)



# বাংলাদেশলৈ গৈছিলোঁ

মহম্মদ আলী
গ্ৰন্থাগাৰিক

আৰ্থিক অসুবিধা স্বত্বেও অভিজ্ঞতা লাভ কৰাৰ প্ৰয়াসতে বাংলাদেশলৈ ভ্ৰমণ কৰাৰ সিদ্ধান্ত ললোঁ। দেশখন চোৱাৰ হাবিয়াস আগৰ পৰাই আছিল। কাৰণ মোৰ বৰদেউতা ভাৰত পাকিস্থান বিভাজনৰ সময়ত পাকিস্থানলৈ গুচি যায়। মোৰ এজন কলেজীয়া বন্ধুৰ উৎটনিত ভাৰতীয় পাচপোৰ্ট কৰিলোঁ। কেতিয়াও ভ্ৰমণ নকৰাৰ কাৰণে মনত অলপ ভয় লাগিছিল যদিও মানুহক সুধি পুচি কেনেকৈ যাব লাগে, ক'ত গাড়ী-মটৰ আদি সলাব লাগে ইত্যাদি বিষয়ে টোকা এটা লগত ৰাখিলোঁ। দেউতাৰ পৰা মোৰ বৰদেউতাহঁতৰো সম্পূৰ্ণ ঠিকনা লগত ললো।

নগাঁৱৰ পৰা চৰকাৰী বাচৰ টিকট কাটিলোঁ লামডিঙলৈ। মটৰ গাড়ীখনত প্ৰায় ৫০ জনমান যাত্ৰীসহ বাচখন চকুৰ পচাৰতে চহৰৰ জন-সমাবেশ অতিক্ৰম কৰিলে। লাহে লাহে লঙ্কা পোৱাৰ লগে লগেই অলপ চিনাকি যাত্ৰীবোৰ নামি নিজ বাসস্থানলৈ যাব ধৰিছে। বাচত থকা অন্যান্য যাত্ৰী কাকো চিনি নাপাও। অতি

(২৮ পৃষ্ঠাৰ পৰা)

ষ্ঠানত ৰূপ দিবলৈ কৰ্তৃপক্ষ সক্ষম হ'ব আৰু মধ্য অসমৰ ভিতৰত মহিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাবে ই অসমৰ শিক্ষা-নুৰাগী মহিলা সকলক উচ্চ শিক্ষিতা কৰাৰ দিশত এক অভিনৱ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি।

শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী
অধ্যক্ষ আৰু সম্পাদক, পৰিচালনা সমিতি,
নগাঁও ছোৱালী কলেজ, নগাঁও।

সোনকালে চিনাকি দিবৰ সাহসো নহয়। মটৰ গাড়ীখন লাহে লাহে পৰ্ব্বতীয়া ঠাইৰ মাজেদি ঠেক নিমজ ৰাস্তায়েদি চলি যাব ধৰিছে। পৰ্ব্বত কব নোৱাৰি, মূল্যবান কাঠৰ হাবি-বননি। ৰাস্তাৰ দুয়োকাষে গছ-গছনিয়ে এনেভাবে ওলমি আছে দিনৰ ভাগতেই ৰ'দ থকা সত্বেও বেলিৰ পোহৰ নপৰা হৈ আছে। বেলিও বিশেষ নাই, ৰাস্তাৰ দুয়োফালে মাজে মাজে ডিঙি উলিয়াই প্ৰাকৃতিক দৃশ্য চাই গৈ আছোঁ। বাহিৰৰ দৃশ্য চাই মনত ইমান আনন্দ লাগিল - নিজকে পাহৰিলোঁ। ইমান ধুনীয়া বনৰীয়া চৰাইৰ মাত শুনি শুনি আত্মহাৰা হ'লোঁ। উপলব্ধি কৰিলোঁ কবি আৰু দাৰ্শনিকসকলৰ ভাবৰ পৰিবৰ্ত্তন। লাহে লাহে আন্ধাৰ হৈ আহিল। চাৰে সাতমান বজাত অকোৰা-পকোৰা ৰাস্তায়েদি মানুহ বিশেষ নথকা এডোখৰ ঠাইত ৰখালে। ধৰিব পাৰিছো এইখনেই লামডিং-বাচ ৰখা ঠাই। অন্যান্য যাত্ৰীৰ লগতে চুটকেচ হাতত লৈ মানুহৰ গতি অনুমান কৰি আগুৱাই আহোতেই উৰি থকা ধোৱাঁ দেখা পাই ৰেল ষ্টেচন পালোঁ বুলি মনত ভাল লাগিল। টিকট দিয়া ঠাই সুধি উলিয়ালোঁ। দহ টকীয়া নোট এখন উলিয়াই ধৰ্ম নগৰৰ টিকট ললোঁ। ৰেলষ্টেচনত খোৱা - বোৱা শেষ কৰিলোঁ। ৯ বজাত ৰেল এৰিলে আৰু কেইজনমান অপৰিচিত বন্ধুৰ লগত চিনাকি হ'লোঁ, আটাইকেইজনেই ধৰ্মনগৰৰ যাত্ৰী। আমি ভিতৰৰ ফালৰ পৰা দৰজা - খিৰিকি বন্ধ কৰি চুটকেচৰ পৰা চাদৰ উলিয়াই শুব পৰাকৈ বিচনা পাৰি শুই পৰিলোঁ।

ৰাতি ১২ টামান বজাত গুম - গুমনি শব্দ পাই টোপনি ভাগিল। বাহিৰলৈ মূৰ উলিয়াই চাই দেখিলোঁ পাহাৰৰ সুৰুঙাইদি ৰেল অতিক্ৰম কৰিব ধৰিছে। এনেধৰণৰ ৩৮ টামান গুহা পাৰহৈ যাবলগীয়া হোৱাত ভয়ত টোপানি নাইকিয়া হ'ল। ৰাতি পুৱাল। বদৰপুৰত ভালেমান সময় ৰেল ৰখালে। ফেৰি কৰি বেচা চাহ-মিঠাইৰে হাত-ভৰি ধুই পেট পূজা কৰিলো। কৰিমগঞ্জ পাৰহৈ আৰু কেইটামান ষ্টেচন পাৰ হওতেই মুকলি পথাৰৰ মাজেদি ৰেলখন অতিক্ৰম কৰোতে দেখিলোঁ, বিশাল সমুদ্ৰ। যাত্ৰীসকলক সুধি জানিলোঁ, নহয় এইবোৰ বাৰিষাৰ পানীয়ে গোটেই কাছাৰ জিলা প্লাবিত কৰি পেলাইছে। মনত পৰিল দুৰ্ভিক্ষৰ কথা! দুপৰীয়া ১ বজাত ধৰ্মনগৰত ৰেল থামিল। লৰালৰিকৈ মটৰ ৰখা ঠাইলৈ গৈ লাইন পাতি থিয় হ'লো। টিকট লৈ গাড়ীত উঠিলোঁ আগ-পিচ নাই। চাহ একাপ খাবৰ সময় নহ'ল, মটৰ এৰিলে। আকৌ পৰ্বতীয়া ঠাই, মটৰ গাড়ী 'আপৰ' পিনে গৈয়ে আছে— চালকে লাহে লাহে গতি বৃদ্ধি কৰিব ধৰিছে। ইমান অকোৰা-পকোৰা ৰাস্তা চকুৰ পচাৰতে খিন স্বাস্থ্যৰ চালকজনে ষ্টেয়াৰীং ঘূৰাই-পকাই ১৮৯ কিলোমিটাৰৰ যাত্ৰা অতিক্ৰম কৰিব ধৰিলে। ৯ বজাত আগৰতলা চহৰ পালোঁহি। ৰাতি আন্ধাৰত একো দেখিব নোৱাৰিলোঁ। ৰাতিটো হোটেলত কটালোঁ। খোৱা ব্যৱস্থা উত্তম নহ'লেও মধ্যমীয়া। ৰাতিপুৱা অলপ সময় ফুৰিলোঁ আৰু চালোঁ। আগৰতলা





টাউনৰ ঘৰবাৰী প্ৰায় ঠাইত অনুমান হ'ল যেন চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী একে নমুনাৰে তৈয়াৰী। বেচ ভাল লাগিল পৰিকল্পনা। যান-বাহন নিয়ন্ত্ৰণ কৰা পুলিচে হাতেৰে একোখন চাইনবোৰ্ড দেখুৱাই যান-বাহনৰ চালকসকলক নিৰ্দ্দেশ দিয়ে। ১০ বজাত কমিচনাৰৰ কাৰ্য্যালয়ৰ পৰা এমাহৰ সময় লৈ তালাচী কেন্দ্ৰলৈ যাত্ৰা কৰিলোঁ। তালাচী কেন্দ্ৰত থকা মানুহজনে পুলিচৰ লগত কথা পাতি আছে। মই সোমাই যোৱা দেখি এটা দীঘল বিড়ি জ্বলাই হুপিব ধৰিছে। মনতে ভাবিলোঁ মোৰ অলপ গাম্ভীৰ্য্যতাৰ ভাব দেখুৱাটো ঠিক হ'ব। লগতে থকা চকীখনত বহি পাচপোৰ্ট উলিয়াই ভাৰপ্ৰাপ্ত অফিচাৰজনক দি ৰিক্সাৱালাক চুটকেচটো নমাই আনিবৰ হুকুম কৰিলোঁ। পাচপোৰ্ট চালে আৰু বিতং লিখিলে। কাষ্টম ডিউটিলৈ যাব ক'লে। তালৈ গৈ চুটকেচ থলোঁ। চুটকেচ খুলিবৰ হুকুম কৰিলে; মই তলাটো খোলা মাত্ৰেই এজন ভদ্ৰ মানুহে ওচৰ চাপি আহি নালাগে বুলি কোৱাত পুনৰ বন্ধ কৰিলোঁ। মোক নিৰ্দ্দেশ দিলে আগত বাংলাদেশ চেকপোষ্ট আছে তাত আকৌ এইবোৰ দেখুৱাব। আহলবহল ৰাস্তায়েদি কেইখোজমান যাওতেই পুলিচ এটাই ওলোমাই থোৱা ভোলোকা বাহটো ওপৰলৈ ডাঙি দিলে আৰু ক'লে এতিয়া আপুনি ভাৰতীয় সীমা পাৰ হ'ল আৰু বাংলাদেশত সোমাল। বাংলাদেশৰ কাৰ্য্যালয়ত সোমাই আটাইবোৰ ডকুমেণ্ট দেখুৱালোঁ, নিৰ্দ্ধাৰিত কুৰি টকা ভাৰতীয় মুদ্ৰা সংৰক্ষণ কৰি লগত থকা মাল পত্ৰৰ এটি তালিকা লিখাই অনুমতি গ্ৰহণেৰে আখাউৰা ৰেলষ্টেচনলৈ যাত্ৰা কৰিলোঁ। তিনিমাইল মান চাৰিটকা ভাড়া বন্দবস্ত কৰি ৰিক্সাত উঠিলোঁ। ৰিক্সাৱালাই টকা পাই আনন্দেৰে ষ্টেচনৰ টিকট কিনা ঠাই দেখুৱাই দিলে। টিকট কাটিলোঁ ভৈৰব ষ্টেচনলৈ। কোন ৰেল যাব ধৰিব নোৱাৰিলোঁ; অসংখ্য ৰেলৰ সমাবেশ। বুঢ়া যাত্ৰী এজনক সুধিলত আঙুলিয়াই দিলে। হাতত চুটকেচটো লৈ ওলমি থকা লোহা ডালত ধৰি তলৰ কাঠচটাত ভৰি দিওতেই ৰেল চলিব ধৰিলে। কোনোমতে গাড়ীৰ ভিতৰ সোমালোঁ বহিবলৈ ঠাই নেপালোঁ। মাজে মাজে বাহিৰলৈ ডিঙি উলিয়াই অচিন ঠাইবোৰ চাই গৈ আছোঁ। মই লেখি নিয়া ৰেলষ্টেচন এটাও প্ৰথম অৱস্থাত চকুত নপৰাত মনত ভয় লাগিছিল। কিজানি ভুল কৰি অন্য ৰেলত উঠিলোঁ। কিন্তু নহয় যেতিয়া বামুণবাৰীয়া ৰেলষ্টেচনৰ চাইনবোৰ্ড চকুত পৰিল তেতিয়া মনত ভাল লাগিল। কিন্তু ভয় এটা থাকিয়েই গ'ল —বেলগ ৰাষ্ট্ৰ। আমাৰ অসমৰ লগত চাল-চলন নিমিলিবও পাৰে। আৰু এটা কথা মোৰ মাত-কথা বাংলাদেশৰ মানুহৰ লগত একেই। বিদেশী বুলি পৰিচিত নহম। ভৈৰৱ ষ্টেচনত ৰেলগাড়ী সলাই নতুন ৰেলত যাত্ৰা কৰিলোঁ, মোৰ গন্তব্য স্থানলৈ। ৰাতি ৯ মান বজাত কিশোৰগঞ্জ ষ্টেচন পালোঁ। ৰিক্সা ভাড়াকৰি ডেৰঘণ্টামান মোৰ বৰদেউতাৰ ঘৰ বিচাৰিলোঁ, ক'তো নাপালো। অচিন ঠাই। শেষত ৰেলষ্টেচনৰ গেষ্ট হাউচত থাকিবৰ মনস্থ কৰিলোঁ।

বাংলা দেশলৈ গৈছিলোঁ

গৈ আছোঁ বিজুলী চাকিৰ পোহৰত। হঠাতে এজনে কলে আপুনি কলৈ যাব। মই ভয় আতৰাই সঁচা কথা কলো মই অসমৰ পৰা আহিছোঁ। মোৰ বৰদেউতাৰ ঘৰলৈ যাম, উলিয়াব নোৱাৰি ইয়াতে ৰাতি থাকিম বুলি ভাবি আহি আছো। মানুহজনে অলপ সহানুভূতিৰে কথাপাতি নিচেই নিলগতে প্ৰায় একফাৰ্লংমান আতৰলৈ আঙুলিয়াই দিলে। মই সেইমতে ঘৰ উলিয়ালো। মাত লগাওতেই বৰদেউতা আৰু ল'ৰা ছুটা বাহিৰলৈ ওলাই আহিল— হাতত লেম চাকি। মই নাম কওঁতেই সাৰটি ধৰিলে আৰু ভিতৰলৈ লৈ গ'ল। মই আত্মহাৰা হ'লো। হাত ভৰি ধুৱলৈ পানী দিলে। খোৱা-বোৱা নকৰিলোঁ। সামান্য পাতল আহাৰ খাই এই তিনিদিনৰ যাত্ৰাৰ ভাগৰ মাৰিবৰ কাৰণে আৰামত আচুতীয়া বিচনাত শুই পৰিলোঁ।

ৰাতিপুৱা দোকমোকালিতে শোৱাৰ পৰা উঠিলোঁ। সন্মুখত পুখুৰীৰ কাষত বহি হাত ভৰি ধুই গামোচাৰে পানী মচি চকী এখন বাহিৰলৈ উলিয়াই আনি বহি, যোৱা ১৯৭১ চনত হোৱা বাংলাদেশ স্বাধীনতা সংগ্ৰামৰ কথা মনলৈ আনিলোঁ। শুনিছিলোঁ আৰু বুৰঞ্জীত পঢ়িছিলোঁ যুদ্ধ বিগ্ৰহত মানুহৰ প্ৰাণ নাশৰ কথা। যদিও ইতিহাসে প্ৰথম আৰু দ্বিতীয় মহাযুদ্ধত হোৱা প্ৰাণ নাশৰ কথা। কিন্তু উপলব্ধি কৰিব নোৱাৰিলোঁ। কাৰণ সেই সময়ৰ মানুহো নাই যি জনে নিজ চকুৰে দেখিছে। কাগজে-পত্ৰে বাংলাদেশ স্বাধীনতা সংগ্ৰামৰ কথা পঢ়িছিলোঁ যে বুৰঞ্জীত এনেধৰণৰ ঘটনা বিৰল। কেনেকৈ সৈন্যৰ হাতত এনেভাৱে মানুহ মৰিব পাৰে। মোৰ আত্মীয়জনক সোধাত ক'লে যে যুদ্ধ চলি থকা অৱস্থাত প্ৰাণ নাশৰ আশঙ্কাত ঘৰবাৰী এৰি সৈন্য প্ৰৱেশ কৰিব নোৱাৰা ঠাইত আশ্ৰয় লৈছিলগৈ। এজন ডেকা লৰাই বৰ সাহসেৰে আহিও শেষত বন্দুকৰ গুলিত বিলীন হ'ল। যাকে পাওঁ তাকে সোধো। কোৱাৰ লগে লগেই মোৰ চকু মুদ খাই আহে। কিন্তু কওঁতা মানুহজনৰ অন্তৰ অতি কঠিন। সঁচাকৈয়ে স্বাধীনতাৰ সংগ্ৰাম কৰিব জানিছে। মানুহজন চহা খেতিয়ক লগতে আৰু এজন হালোৱা কান্ধত নাঙল জুৰ'লি' শুনিলে বন্দুকৰ গুলিৰ শব্দ। পিচফালে চাওঁতে দেখে এজন ডেকা নৰ্দ্দমাত পৰি ধৰফৰাই আছে। বুকুৰেদি তেজ ওলাই নৰ্দ্দমাৰ পানীয়ে বঙা বৰণ ধৰিছে। সহানুভূতিৰেও ওচৰ চাপিব নোৱাৰিলে। বন্দুকধাৰীয়ে আদেশ দিলে— "আগে বাঢ়ো আপনা কাম কৰো।" চিনাক্ত কৰিব নোৱাৰিলে নিজৰ নে অন্য পৰিয়ালৰ নে বিদ্ৰোহী সৈন্য। ছুদিন পিচত অন্য এঘৰত আলহী খাবৰ কাৰণে গলোঁ— সেইঘৰৰ বুঢ়া মানুহজনে বৰ আগ্ৰহেৰে সুধিলে অসমৰ ৰাজনৈতিক, আৰ্থিক অৱস্থা কেনে? মই কলোঁ: ভালেই। লাহে লাহে প্ৰসঙ্গক্ৰমে উলিয়ালোঁ যোৱা স্বাধীনতা সংগ্ৰামৰ কথা। বুঢ়াই লাজ আঁতৰাই ক'লে "বোপা কিনো কম মোৰ ডেকা ল'ৰাজন এই সংগ্ৰামত নোহোৱা হ'ল।" ওচৰৰ গাঁৱৰ প্ৰায় ২০০ জনমান 'আলেম' সৈন্যবাহিনীৰ হাতৰ গুলীও নোহোৱা হৈ গ'ল। আৰু জানিবৰ কাৰণে এঠাইত সুধিলোঁ যে তাত নাৰীৰ ওপৰত কেনে অত্যাচাৰ হৈছিল। তেতিয়া জানিবলৈ পালোঁ আমোদ-প্ৰমোদৰ বাবে পাকবাহিনীয়ে কি কৰা নাই। বহুতো নাৰীয়ে ওপৰ মহলাৰ পৰা জপিয়াই প্ৰাণ ত্যাগ কৰিছে। বহুতে হয়তো নিজৰ পিন্ধা কাপোৰেৰে ফাচীত ওলমি প্ৰাণ ত্যাগ কৰিছে। বহুতে হয়তো আত্মহত্যাৰ ভয়ত সেনা-বাহিনীৰ আমোদ-প্ৰমোদৰ লগৰীয়া হৈয়ো শেষত গুলীত নাইকিয়া হৈছে আৰু বহুতো গৰ্ভৱতী হ'ল। বহুতো নাৰীৰ বয়স প্ৰায় ১৫-২০ৰ ভিতৰত হ'ব। শৰীৰত নাই বস্ত্ৰ, আনকি ককালত নাই এটিও সোতাৰ পাক। শুনিলোঁ যুদ্ধ-বিগ্ৰহত কি ধৰণৰ পাশৱিক অত্যাচাৰ হ'ব পাৰে। ভাৰতীয় কাগজত এই খবৰ পাই অযন্তুৰ বুলি ভাবিছিলোঁ- নাই এতিয়া নিজেই সমস্ত ঘটনাৰ বুজ ললোঁ।

কিশোৰগঞ্জত ১৫ দিনমান থকাৰ পিচত ঢাকালৈ যাত্ৰা কৰিলোঁ। ৰেলগাড়ীত দ্বিতীয় শ্ৰেণীৰ টিকট কাটিও বহি যাবৰ সাধ্য নহ'ল। ইমান মানুহৰ ভীৰ। পাঁচঘণ্টা যাত্ৰাৰ পাচত ঢাকা চহৰ পালোঁ। ঢাকা ৰেলষ্টেচন ইমান ধুনীয়া যেন ৰাজপ্ৰাসাদৰ নিচিনা। ৰেলষ্টেচনত মানুহৰ সকলো সুবিধাৰ ব্যৱস্থা আছে। তিনিদিনমান ঢাকাত কটালোঁ। ৰাস্তাৰ মাজেদি সজাই পৰাই ৰখা ফুলনি বাগিছা চাই আনন্দিত হ'লোঁ। বঙ্গ-ভৱন চাই সদৰ-ঘাটত ষ্টিমাৰ চালোঁ। মাত্ৰ দহ পইচা লাগে। ইমান ডাঙৰ জাহাজ। একোখন জাহাজতে এখন ৰেলগাড়ীৰ যাত্ৰীৰ সমান যাত্ৰী কঢ়িয়ায়। ঢাকা চহৰত অৱশ্যে খৰচৰ মাত্ৰা বেছি হ'লেও বন্ধু এজনৰ সহায়ত ষ্টিমাৰেদি কেইবাখনো নদী পাৰ হোৱাৰ অভিজ্ঞতা লভিলোঁ। ভিচাৰ ম্যাদ পাৰ হ'বৰ সময় পাইছেহি মাত্ৰ, ৫দিন বাকী আছে। ঢাকাৰ পৰা চিলেট চহৰলৈ ৰেলত যাত্ৰা কৰিলোঁ। গোটেই ৰাতিটো ৰেলত কটাই পিছদিনা পুৱা সাত বজাত চিলেট পাই পান্থশালাৰ দৰগাহ ফুৰি-চাকি সুতাৰকান্দি নামৰ ঠাইয়েদি বাংলা দেশৰ সীমা অতিক্ৰম কৰিলোঁ। যেতিয়াই অটোৰিক্সা ৰখাই কৰিমগঞ্জ ৰেলষ্টেচন পালোঁ, তেতিয়া মনত এনে লাগিল যেন নিজৰ ঘৰত সোমাইছোঁহি। আকৌ ওৰে ৰাতি ৰেল ভ্ৰমণৰ শেষত পুৱা ৭মান বজাত লামডিং পাই চাহ-মিঠাই ভোজন কৰি লাইন বাচেৰে এঘাৰ মান বজাত নগাঁও বাচ ষ্টেণ্ড পালোঁ। ৰিক্সাৰ পৰা নামোতেই মোৰ সৰু ল'ৰাটোৱে দৌৰি আহি কোচত উঠিল, আৰু মই আনন্দত উত্ৰাৱল হৈ টেনিচনৰ 'হ'ম চুইট হ'ম, নামৰ কবিতালৈ মনত পেলালোঁ।

০০০

চন্দনা আইদেউ
প্ৰাক্-বিশ্ববিদ্যালয় (২য় বাৰ্ষিক)

# স্বাধীনতা সংগ্ৰামত জ্যোতিপ্ৰসাদ

বীৰ পুৰুষৰ বীৰত্ব প্ৰতিভা বুৰঞ্জীৰ এটি অন্যতম উজ্জ্বল তৰাৰ স্বৰূপ। কালৰ কুটিল গতিতো ইয়াৰ বিলোপ নঘটে। স্বদেশৰ স্বাধীনতা অক্ষুন্ন ৰখা, দেশপ্ৰেমৰ জ্বলন্ত প্ৰমাণ দিওঁতা, শত শত ঘাত-প্ৰতিঘাত তুলাৰ দৰে উৰুৱাই জীৱন আহুতি দিবলৈ উদ্ধত হোৱা সকলৰ ভিতৰত— 'জ্যোতিপ্ৰসাদ' আছিল অন্যতম।

ইং ১৯০৩ চন। অসমীৰ বুকুত জন্ম হৈছিল, সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদৰ। দেশমাতৃৰ পৰাধীনতাৰ ক্ৰন্দনে তেতিয়াই যেন ৰূপকোঁৱৰৰ অন্তৰত বিপ্লৱৰ শিখাগছ জ্বলাই দিলে। পিতৃদেৱ পৰমানন্দ আগৰৱালাদেৱৰ আঙুলিৰ স্পৰ্শত অৰ্গেনত বাজি উঠা নিভাঁজ অসমীয়া সুৰ, অসমীয়া ৰক্তপ্ৰবাহেৰে জ্যোতিৰ অন্তৰতো যেন দেশপ্ৰেমৰ গীতৰ সুৰ বাজি উঠিছিল। সেইহে তেওঁৰ কবিতাত ফুটি উঠিছিল ঃ

"ফুলে ফুলে পাখিলগা পখিলাটি হৈ
-পাহৰিব খোজা নাই বাস্তৱৰ সমস্যা নিষ্ঠুৰ
-পাহৰিব খোজা নাই জীৱনৰ কৰ্ত্তব্য কঠোৰ।"

বিয়াল্লিছৰ আন্দোলনৰ ভৰ-পকত এইজন মানুহৰ বুকুত জ্বলিছিল বিপ্লৱৰ জুই আৰু সেই জুই গানে-কবিতাই, কলাই-কাব্যই আৰু আশাই-ভাষাই ফিৰিঙতি হৈ ওলাইছিল। খাণ্ডৱদাহী এটা দগ্ধ অঙঠাৰ শেষ শক্তিখিনি লৈ তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ জুই জ্বলাই ফুৰিছিল। এই স্বাধীন প্ৰাণৰ অগ্নিপিণ্ড স্বৰূপ বিপ্লৱীজনাই স্বাধীনতা আন্দোলনৰ ভৰপকত ইমানেই আত্মহাৰা হৈ পৰিছিল যে অসমীয়াই সেই স্বাধীনতাৰ কৰলত তেওঁক হেৰুৱাৰ ভয়ত তিলক হাজৰিকা প্ৰমুখ্যে বিপ্লৱীজনাক দক্ষিণ-পাৰৰ পৰা পলুৱাই নি উত্তৰ পাৰত নিৰাপদে থৈ আহিছিলগৈ।

জ্যোতিপ্ৰসাদ আছিল ভাতীৰ মাজৰ পৰা উলিয়াই অনা এপাত উত্তপ্ত তীখাৰ দৰে। ক্ষুধা-তৃষ্ণা আৰু জিজ্ঞাসা-হাহাঁকাৰৰ এই অনিৰ্বাপিত জুইকুৰাৰ দাহনত তেওঁ পৰ্বতে-কন্দৰে আৰু জনপদে-জনান্তিকে আজীৱন ভ্ৰমি ফুৰিছিল। তেওঁৰ গীতে-মাতে, নাচে-বাগে, ভাষাই-ভাৱে এক বিপ্লৱৰ অভিব্যক্তি গুমৰি ফুৰিছিল।

জ্যোতিপ্ৰসাদ বিদ্ৰোহী আছিল সমগ্ৰ শিল্পী মানস আৰু শিল্পসত্তাৰ। তেওঁৰ চিৰ বিদ্ৰোহে এক অগ্নিময় ভাষাৰে উদ্গীৰণ কৰিছিল। সেয়ে জ্যোতিপ্ৰসাদৰ ৰচনাৰ ভাষাত আছিল নজৰুলৰ দামামা। তেওঁ আছিল দুস্কৃতিৰ প্ৰতি অসহিষ্ণু আৰু তাৰ বিৰুদ্ধে এখন কুৰুক্ষেত্ৰৰ দৰে অস্থিৰ। সেয়েহে তেওঁৰ শান্তিময় পৃথিৱীলৈ বাট বিচাৰি লবলৈ তেখেতে নিজেই থৈ গৈছে নিজৰ বহুমুখী জীৱনাদৰ্শৰ পদাঙ্ক।

বিয়াল্লিছৰ বিপ্লৱত বিদেশী শাসনৰ বিৰুদ্ধে জেহাদ চলোৱা নেতাসকল যেতিয়া বৃটিছৰ কাৰাগাৰত বন্দী হ'ল তেতিয়া বিপ্লৱৰ নেতৃত্ব সমাজবাদী দলৰ হাতলৈ যায়. তেতিয়া জ্যোতিপ্ৰসাদৰ মনত খেলি মেলি ভাৱৰ হেন্দোলনি আৰু আপোচ কৰিব নোৱাৰা অবস্থাৰ উদ্ভৱ হৈছিল। কিয়নো বিদ্ৰোহী হ'লেও তেওঁ পৰম্পৰাক ত্যাগ কৰিব নোৱাৰিছিল।

কিন্তু জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক মতবাদ আছিল সুস্পষ্ট আৰু দৃঢ়। ৰাজনৈতিক প্ৰখৰ চেতনা আৰু সু-তীব্ৰ অনুভূতিৰ আধাৰতেই তেওঁৰ এক বিশিষ্ট মতবাদৰ প্ৰতি সুগভীৰ বিশ্বাস গঢ়ি উঠিছিল। সেইহে তেওঁৰ এই স্বৰ্গীয় জ্যোতিৰ আভাই কুৰি শতিকাৰ অসম আলোকিত কৰিছিল।

এহাতে সুন্দৰৰ আৰাধনা, কলা-সংস্কৃতিৰ চৰ্চা কৰি আনহাতে পৰাধীনতাৰ বাবে সংগ্ৰামৰ গুৰু দায়িত্ব অন্তৰত বিপ্লৱৰ জুই লৈ জ্যোতিপ্ৰসাদে কেইবাবাৰো পৰাধীনতাৰ কাৰাবৰণো খাটিছিল। কিয়নো জ্যোতিপ্ৰসাদ আছিল স্বাধীনতা সংগ্ৰামৰ নিৰ্ভীক নায়ক, চিন্তাবিদ, সাংবাদিক বিপ্লৱী।

স্বাধীনতা সংগ্ৰামৰ ৰাজনৈতিক দুৰ্য্যোগে অসমৰ আকাশ তমসাচন্ন কৰা কালতে বিপ্লৱী, শিল্পী, সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদে এক অগ্নিময় ভাষাৰে উদগীৰণ কৰিছিল। অনা অসমীয়া নাৰঙ আগৰৱালাৰ তেজৰ জ্যোতিপ্ৰসাদে অসমীয়া মৃত্যুমুখী কলা-কৃষ্টিক এন্ধাৰৰ পৰা পোহৰলৈ আনিবলৈ উঠি-পৰি লাগিছিল। এই স্বাধীনতা সংগ্ৰামৰ সময়তেই হিন্দুস্থানী আৰু বঙলুৱা সুৰে অসমীয়া সুৰক গ্ৰাস কৰি নাটকতো স্থান লৈছিলহি। কিন্তু ধমনীত অসমীয়া ৰক্ত-প্ৰবাহেৰে ৰঞ্জিত জ্যোতিপ্ৰসাদে মৃত্যুৰ ক্ষণ গণা অসমীয়া সুৰক পুনৰুদ্ধাৰ কৰিলে, তাৰে সংশোধন কৰি অভিনৱ সুৰৰ জন্ম দিলে। তেওঁ নিভাঁজ অসমীয়া ব্যঞ্জনাৰে, সুৰ, মাত, কথাৰে দেশপ্ৰেমমূলক ভাষাৰে ৰক্ষণশীল সমাজক আকো-

ৱালি লোৱাৰ উপৰিও তেওঁৰ বিপ্লৱী সাহসী মনৰ পৰিচয় দিলে।

এইজন স্বাধীনতা সংগ্ৰামৰ নিৰ্ভীক নায়ক বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি স্বৰূপ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে আজীৱন শান্তিৰ বাবেই সংগ্ৰাম কৰি চিৰ শান্তি বিচাৰি আমাৰ মাজৰ পৰা বহুদূৰলৈ আঁতৰি গ'ল। কিন্তু থৈ গ'ল তেওঁ আমাৰ মাজত বহুমুখী জীৱনাদৰ্শ।

সেইহে আমি এই স্বাধীনতা সংগ্ৰামৰ বিপ্লৱী-জনাক স্মুৰ্বি তেখেতৰ ক্ষেত্ৰত গাওঁ:

আজি এই মুক্ত ধৰণীত
মুক্তি কামী শত শত জনতাই
গায় আজি তোমাৰ জয়গান।
কিন্তু হে মানৱ পূজাৰী।
তুমি আজি ক'ত ?
তোমাৰ ভাৰত আজি মুক্ত, স্বাধীন।

০০০



# হে মহানগৰ !

অধ্যাপিকা হিমাদ্ৰি দেৱী

হে মহানগৰ,
তোমাৰ আন্ধাৰ ক'লা ছাঁৰ তলত
সূৰ্য্য আজি নিৰুপায়।
শীত-তাপ নিয়ন্ত্ৰিত
দহতলা প্ৰাসাদলৈ উঠিল মানুহ আজি
সভ্যতাৰ জখলা বগায়।

তোমাৰ বুকুতে সাজে
জ্ঞানৰ মন্দিৰ-বিদ্যালয়-বিশ্ববিদ্যালয়।
চেকেণ্ড শ্বো ফেৰাৰী যাত্ৰীৰ
টোপনি-গধূৰ চকু।
আমোদত কটায় সময়।

সন্ধ্যা আহে স্বৰ্গৰ স্বাদ লৈ,
কৰ্ম্মব্যস্ত মানুহৰ ভীৰ বাঢ়ে।
হে সুন্দৰী মহানগৰ!
পাঁচ-তৰা হোটেলৰ মজিয়াত
বিদেশীনি উৰ্ব্বশীৰ নৃত্যৰ ছন্দ দেখি
ইতিহাসে সন্নালে বাগৰ। ০০০

# প্ৰতীতি

শেৱালি কাকতি
প্ৰথম বাৰ্ষিক, স্নাতক

স্বৰ্ণালী মন, ৰৌদ্ৰ নীলিম হৃদয়
আঁহে আঁহে যৌৱনৰ পদধ্বনি
শুনিলোঁ নিৰলে ।
সংগ্ৰামী মন, বাসনা অসীমঃ
আজীৱন সৈনিক — মুক্তি যুদ্ধৰ ।
যৌৱনো উৰি যায় মোৰ
মেচিনৰ চকৰীত ।
জীৱনৰ উত্তাপ, বহুতো অভিজ্ঞতা;
বুকুতো বাজে অহৰহ ।
কাণ পাতিলেই শুনা পাওঁ
কালকণ্ঠৰ আকুল আহবান,
বিনীত আহবান, নিৰ্মল যুক্তি
চাপিছোঁ কাষ নীৰৱে, সযতনে,
কুণ্ডলী পকোৱা চিন্তা 'কাম'ৰ;
মাজে মাজে এৱাসূঁতাৰ গাঁঠি
সৰু সৰু গাঁঠিতো বৰ বৰ জাঁজি ।
'মন্দাক্ৰান্তা'—
জীৱন কিহৰ বাবে,
দালালীৰ বাবে ?
ৰুগ্ন শৰীৰ — ৰুগ্ন শিশুৰ
কবিতাও ৰুগ্ন-ৰুগ্ন মনৰ ।
সুস্থ পৃথিবীৰ পঙ্কিলতাত আৱদ্ধ
কাব্যময়ী গন্ধৰ বহুতো কবিতা
ৰাশি ৰাশি বেদনাৰ বিমূৰ্ত প্ৰকাশ
ছন্দবিহীন, নিৰস কবিতা মোৰ
'প্ৰতিনিধি'
লাঞ্ছনাৰ, বঞ্চনাৰ যুগৰ ।

—o—

# এটি মিনি কবিতা

অঞ্জু বৰা
প্ৰাক্ বিশ্ব : দ্বিতীয় বাৰ্ষিক

মোৰ মন ফুলনি ডৰাত
ফুলিছিল এপাহি ফুল,
দেখিছিলো ফুলপাহিক লৈ
বহুত নতুন সপোন ।

ভাবিছিলোঁ ফুলপাহিৰ
ৰঙা ৰঙৰ দৰে,
মোৰ জীৱনটোও
ৰাঙলী কৰিম ।

কিন্তু হায় !
নিয়তিৰ বিধান !
ফুলপাহি এদিন
হঠাৎ মৰহি গ'ল,
মনৰ আশাবোৰ
মনতে চ ৰমাৰ হ'ল ।

—o—

# দুবৰিৰ মন

মামনি গোহাঞি বৰুৱা
প্ৰাক্ বিশ্ব : দ্বিতীয় বাৰ্ষিক

মৌন অভিসাৰেৰে স্বীকৃতি পোৱা
গোপন, গভীৰ এই;
জীৱন নামৰ কিবা এটা
উপলব্ধি কৰিবলে'
তুমি জানো নিদিবা ভগৱান ?

তোমাৰ সনাতন দৃষ্টিত
ৰূপৰ অলেখ কামনা ।
লিখি লিখি শেষ নোহোৱা
গলি গলি শেষ হৈ যোৱা
কবিতাৰ ছন্দেৰে
গঠা আমাৰ জীৱনৰ সুৰ ।

—o—

## ॥ এনেকৈয়ে প্ৰতিটো ক্ষণ ঃ প্ৰতিটো মুহূৰ্ত্ত ॥

কুমাৰী ৰুণু কোঁৱৰ
প্ৰাক্ বিশ্বঃ দ্বিতীয় বাৰ্ষিক

এনেকৈয়ে প্ৰতিটো ক্ষণ, প্ৰতিটো মুহূৰ্ত্ত মাথো কেৱল
সোণালী দিনৰ স্বপ্নই আহি উতলা কৰিছে মন।
বিস্তীৰ্ণ শস্যৰ পথাৰ আৰু আগফালৰ কাঠনি ডৰাৰ ওপৰেদি
এটা নতুন ৰাঙলী অৰুণ নামি অহাৰ প্ৰাৰ্থনাত
অহনিশে ৰত হয় মন
দিক্‌মণ্ডলত অজস্ৰ ৰঙীন শোভাৰ ধাৰা নামক,
কুঁৱলীৰ আস্তৰণ ফালি প্ৰভাতী সূৰ্য্যৰ কিৰণ
বিয়পি পৰক গাঁৱে গাঁৱে
শেষ হওঁক বৰ্ষাৰ পঙ্ক-পল্লৱ,
দুখৰ বোজাই কামিহাড় ভঙা অবাঞ্ছিত দিনবোৰ।
আহক নতুন বসন্তৰ দিন
অবিৰাম অবাৰিত ধাৰে নামক
বসন্ত বন্নীল নীল পদ্মৰ সুৰভি
অনুৰাগে ৰঞ্জিত হওঁক হাজাৰ যুগল হিয়াৰ বাসৰ গৃহ।
প্ৰতিটো মুহূৰ্ত্ত মাথোঁ এনেকৈয়ে
মন হয় প্ৰাৰ্থনাৰে কাতৰ,
দেহৰ শিৰাই শিৰাই প্ৰবাহিত হওঁক
চঞ্চল তেজৰ সোঁত।
স্বপ্ন ভংগৰ কাতৰতাৰে শুনো চৌপাশে
আজিও দেখো আহিনৰ আকাশত অমানিশাৰ অমোঘ আন্ধাৰ
আন্ধাৰ উজুটি খোৱা মানুহৰ কণ্ঠত কৰুণ কাতৰ সুৰ।
কাহানিকৈ আহিব এই দিন?
কাহানিকৈ ফুলিব বাসন্তী এই নীলপদ্ম?
অৰুণৰ ৰঙেৰে ভৰিব শূণ্য আকাশবোৰ?
ক্ষণে ক্ষণে মন হয় মোৰ, এনেকৈয়ে অজস্ৰ প্ৰশ্নৰ সন্মুখ। ০০০

## তিনিটা সৰু কবিতা

মালা খাউণ্ড
স্নাতক, ২য় বাৰ্ষিক

(১)
জীয়া তেজত
অদম্য উৎসাহ,
মৰা তেজত
মদাৰৰ গোন্ধ।

(২)
বায়ুৰ পৰা
খহি পৰা
এডাল কাঁড়ে যেন
পৃথিৱীখন নিমিষতে
চুৰমাৰ কৰিব।

(৩)
এখন বিশাল সমুদ্ৰ
পাৰত এটি
আধাভগা ডেউকাৰে
সোণালী পখী। ০০০

## অলীক কল্পনা

মিচ্ চেলিমা আহমেদ
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

আমনি কৰে মোৰ মনটোক
কিছুমান ভাষাহীন অলীক চিন্তাই,
চিন্তাৰ এনাজৰীৰে
মেৰ খাই পৰে মোৰ মন।
সেয়েহে মোৰ নীৰৱ অন্তৰে
হাহাকাৰ কৰি উঠে
উদাত্ত ধুমুহাৰ দৰে,
নীলা আকাশৰ বুকুলৈ।
মন মোৰ যায় উৰি গই
আকাশৰ জিলিমিলি তৰা চুবলৈ
কিন্তু তৰাই জানো দিয়ে সহঁাৰি?
বাগৰি যায় মোৰ মনটি
নিজৰাৰ দৰে সাগৰে যে সাৰটি নলয়। ০০০

# আৰ্ত্তনাদ !

শ্ৰীমতী ধৃতি ৰায়
প্ৰাঃ বিঃ ২য় বাৰ্ষিক

ৰচা গীত অহিংসা আৰু সমতাৰ,
যʼত নাই এক দুৰ্ভেদ্য প্ৰাচীৰ ধনী-দুখীয়াৰ।
ভাঙ্গি চুৰমাৰ কৰি দিয়া,
আছে যদি সেই কলঙ্কিত প্ৰাচীৰ।
"কেনেকৈ সৃষ্টি হʼল এই প্ৰাচীৰৰ-" ?
ভাবিবলৈ আছিল জানো অবকাশ সেই প্ৰশ্নৰ ?
কৰুণতা, বিষাদময় আৰু নিৰ্য্যাতন ভোক্তা সকলৰ প্ৰতি,
আছে জানো তোমাৰ এমুঠি সমবেদনা ?
সেই শক্তি, সেই দিন আজিও তোমালৈ
বহু দূৰৈত অপেক্ষা কৰি আছে।
কিন্তু তোমাৰ এই সুদীৰ্ঘ পথ যে আজিও
শেষ হোৱা নাই, তেওঁলোকক লগ পাবলৈ।
বাটেদি গৈ থাকোতে ভিক্ষাৰী এজনীক দেখি
তাইৰ গাৰ দুৰ্গন্ধ পাই আতৰি গৈছিলা।
কোলাত থকা কেচুৱাটিৰ গাত নাছিল বস্ত্ৰ।
হয়তো কেইবাসাজো মাক আৰু কেচুৱাটি অনাহাৰে আছিল
গৈ থাকোতে ভিক্ষাৰী জনীক ইতিকিঙৰ সুৰেৰে কিবা কৈছিলা;
তাইৰ এই দুৰবস্থা দেখি বোধহয় তোমাৰ
মনত আনন্দৰ জোৱাৰৰ সৃষ্টি হৈছিল।
ৰাতি চিনেমাৰ পৰা উভতিবৰ সময়ত আকৌ
সেই ভিক্ষাৰীজনীক ৰাজপথৰ দাতিত দেখিছিলা।
তাই শুই আছিল কেচুৱাটিক সাবটি ধৰি,
তেতিয়া তোমাৰ ভৰিত থকা ওখ গেড়োৱাৰ জোতা
যোৰেৰে কেচুৱাটিৰ গাত আঘাত কৰিছিলা।
সাৰ পাই কেচুৱাটিয়ে ( দুখ পোৱাত ) কান্দিছিল,
তাৰ দুখ দেখি মাকেও কৰুণ ভাবে আৰ্ত্তনাদ কৰিছিল।

—০—

# সংগ্ৰাম

শ্ৰীবীণা ডেকা।
স্নাতক, ১ম বাৰ্ষিক

সন্মুখত দেখিছো সেয়া
ফেনিল সাগৰ,
আগবাঢ়িছে দুৰ্ব্বাৰ গতিৰে।
উন্মত্ত ঢৌ যেন,
অক্টোপাচৰ ক্ষুধা।

আৰু —
দৃষ্টি নিবদ্ধ হʼল;
কিলবিলাই ফুৰা
এজাক নৰকঙ্কালৰ গতিত।
আচৰিত — !
সিহঁতৰ পেটত সেয়া
পলাশৰ ৰঙা জুই।
সিহঁতৰ গতি
ৰুদ্ধ হʼল,
মৃত্যুৰ অন্ধকাৰত। ০০০

# স্মৃতি

কুমাৰী মীনা বৰদলৈ
প্ৰাঃ বিঃ ২য় বাৰ্ষিক

এদিন
দুদিন আৰু
বহুদিন।
এৰি অহা মধু ক্ষণবোৰ
পৰেনে কেতিয়াবা তোমাৰো মনত ?
হাঁহি আৰু কান্দোনেৰে ৰচা
জীৱনৰ আদিতম সুৰ।
খোজে খোজে
সজীৱতা মধুৰ পৰশ;
কল্পনাৰ ৰঙীন ছবি
মন আমাৰ চঞ্চল হৈ নাচিছিল।
শাৰদীয় জোনাকত বহি
তুমি আৰু মই গাঁথিছিলোঁ
শেৱালি ফুলৰ মালা;
কিন্তু আজি — !
নিৰাশাৰ বেদনাত শুকান মৰুভূমিত
মই মাথোন অকলশৰীয়া ! ০০০

## গীত

অধ্যাপক ইদ্ৰিছ্ আলি

মোৰ এই গানবোৰ
প্ৰেমৰেই গান হওক
ভালপোৱাৰে সুবাসেৰে
নিতৌ ভৰি থ'ক ॥

মোৰ সুৰবোৰ হওক
প্ৰভাতৰে কাকলি
দিশে দিশে ফুলাই তোলক
অযুত কলি ।
আশা আৰু সপোনেৰে
মাথোন ভৰি থ'ক
মোৰ এই গানবোৰ ॥

কল্পনা মোৰ হওক
দিঠকৰে কাহিনী
প্ৰাণে প্ৰাণে জগাই তোলক
নতুন বাণী ।

পুৱা ফুলা সূৰ্য্যমুখী
সদায় ফুলি থ'ক
মোৰ এই গানবোৰ ॥ ০০০

## গীত

শ্ৰীপদ্মী গোস্বামী ।
১ম বাৰ্ষিক স্নাতক

হে সুৰকাৰ সুৰ যাদুকৰ
নিতে নৱ নৱ সৃষ্টি তোমাৰ
সুৰৰ মায়াৰে মুহিলা জগত
গালা কত গীত কত যে আশাৰ ॥

শৰতৰ নিয়ৰতে ফাগুনৰ আকাশতে
কুলিৰ কাকলি ভৰা সুমধুৰ গীতালিতে
তোমাৰ সুৰৰ উঠি কঁপনি অশেষ
অগনিৰ নতুন জ্যোতি নতুন পুৰাৰ ॥

যাচা তুমি মাথো সুৰৰ অৰ্ঘ্যাৱলী
সপ্ত সুৰৰ ইন্দ্ৰধনু উঠক উছালি
আশা দিলা ভাষা দিলা তুমি
দিলা মাথোন তৃষ্ণা অপাৰ ০০০

## গল্প

ভাৰতী গগৈ
স্নাতক ঃ দ্বিতীয় বাৰ্ষিক

# কীট

কেতিয়াবা কেতিয়াবা এজুম লৰাৰ আগেদি এজনী ছোৱালী যদি অকলে অকলে বুকুত এজাপ কিতাপ বান্ধি বা এনেয়ে হলেও যাব লগা হয় তেনেহলে এক অসহ্যকৰ পৰিস্থিতিৰ সম্মুখীন হব লগা হয়। অকলশৰে তাই নাৰ্ভাচ ফিল কৰে, কিন্তু উপায় নাই সিহঁতৰ আগেদিয়েই নগলে। আঁতৰৰ পৰাই যেন ল'ৰাজুমে তাইক লক্ষ্য কৰি আছে তিনি আলিৰ-মূৰৰ পান-দোকানখনত বহি এনে লাগে আৰু ওচৰ পোৱাৰ লগে লগেই দৃষ্টিবোৰ যেন সিহঁতৰ, তাইৰ দেহৰ প্ৰতি অঙ্গে অঙ্গে পিয়াপি দি ফুৰিছে এনে লাগে। লাজত, অস্বস্তিত তাইৰ কাণ-মূৰ ৰঙা পৰি যায়। ঘনে ঘনে মেখেলা বা শাৰীত জোট পোটনী লাগিবলৈ ধৰে। ছেঃ আপদীয়াছৰ। ঘনে ঘনে তাইৰ খঙ উঠে মেখেলাখনৰ ওপৰত, ঘটক্। দিয়ে এটা উজুটি মাৰি, একে উজুটিয়েই কোনোবাথিনিত ৰয় গৈ। "হাঃ হাঃ হাঃ, ইস্, ইস্, ইস্, ঐ, বেচেৰীয়ে বৰ দুখ পালে" ইত্যাদি জাতীয় কথাৰ দুটা এটা টুকুৰ কাণত পৰে। তাই যেন লাজত মৰি যায়। সিহঁতৰ চকুৰ আগৰ পৰা কোনোমতে আঁৰ হ'ব পাৰিলেহে ৰক্ষা যেন তাইৰ। কমলিনীৰো এনে এটা অৱস্থাই হৈছিল। কলেজীয়া লৰা বা বাটৰ কাষৰ ল'ৰাজুমৰ দৌৰাত্ম্যত উজুটি খোৱা ছোৱালীজনীৰ দৰে যোৱা দুদিনমানৰ পৰা এই ঘৰলৈ অহা প্ৰতিটো প্ৰাণীৰ দৃষ্টিৰ দৌৰাত্ম্যত তাই যেন উজুটি খাই গৈছে বাৰে বাৰে। সকলোৰে চকুৰ আগৰ পৰা আঁতৰিব পাৰিলেহে তাই যেন ৰক্ষা পৰিব। তুলিকা। মাহীয়ে যে, আজি অতদিনৰ পাছতো এনে এষাৰ কথা গাজত লগাই ক'ব তাই ভবা নাছিল। বেয়া পায় বুলিয়েই তাইক তুলিকা মাহীয়ে এনে এষাৰ কথাৰে খোচা মাৰিব পাৰিব বুলি ভাবি তাই আচৰিতেই হৈ গ'ল। তুলিকা মাহীৰ কথাখিনি তাইৰ কাণত আকৌ বাজি উঠিল-"থ থ আইহেৰে কিনো কথাখন কৰ। এতিয়া আৰু তাইৰ বিয়াখন খাবলৈ আশা কৰনে? সেইজনীৰ বাচোঁতে বাচোঁতে এটাও বাছনিত নপৰিল। এলাপেছা দৰাৰে নহয়েই; হাকিমৰ জীয়েক, এতিয়া পাইছে নহয়, ঘৰ বুঢ়ী হৈ আছে। চুলিও পকিছে হবলা দুই

এড়ালকৈ। গালতো সোতোৰা-সোতোৰ চিন দেখা নাই জানো ? এতিয়ানো কোনে নিব হলেও তাইক ..............।” খঙে-বেজাৰে তাই হুশুনাৰ ভাও ধৰি আতঁৰি আহিছিল। কমত সোমাই দীঘলকৈ উশাহ এটা টানি বিছনাত পৰি থাকিলহি কমলিনী। তাই জানে মুখ ফুটাই কোনেও একো নকলেও, ওচৰ-চুবৰীয়াৰ আমোদজনক গল্পৰ থল হ'ল তাই। তাইৰ দাঁতত ভাত এটা লগাৰো উমান যেন সিহঁতে ল'ব। অফিচৰ পিতৃ-বয়সীয়া মেনেজাৰজনে অফিচৰ ছুটীত ঘৰলৈ উভতি যাওঁতে পদূলিত গাড়ীৰ পৰা জীয়ৰীৰ মৰমেৰে নমাই গ'লে সিহঁতে তাত গোন্ধ পায় কিহবাৰ। “দেখিলিনে কি কাণ্ড চলিছে ........................” ইত্যাদি ভাব সিহঁতৰ দৃষ্টিত ফুটি উঠে। “মাখিয়ে ঘাঁ-খুছৰি ভাল পায় আৰু দুষ্ট মানুহে পৰৰ দোষ খুছৰি ভাল পায়।” এই যে, মাইকী মানুহ-বিলাকৰ আন কাম নাই; বিয়া বা আন কিবা কাৰণত এঘৰত গোট খাব লাগে আলোচনা চলে—কাৰ ঘৰৰ ছোৱালীৰ কিমান বয়স হ'ল, কোনজনীৰ লগত কাৰ প্ৰেম ইত্যাদি।

..............“ বৰুৱাৰ টকা হ'লে কি হ'ব, তেওঁৰ ছোৱালীকিজনীৰ যিহে হাতী গা .........” “শইকীয়াৰ জীয়েকজনী চল্লিছমানত ভৰি দিলে যেন পাওঁ ...........।” “সেই কলী ফেঁচী জনীয়ে ঘৰতে বুঢ়ী ভাত খাইছে।” ............ “হেৰি বৰুৱানী গম পাইছেনে নাই, ডুৱৰাৰ চিলঙত কাম কৰা পুতেকে খাছীয়ানী এজনী আনিলে নহয়” ......... “অপলকাৰ বোলে তাই কাম কৰা অফিচবে অফিচাৰ এটাৰ লগত লেটী পেটী, ডুমাহ গা ধোৱা নাই .........” ইত্যাদি কথোপ-কথন চলে। অসহ্য লাগে এই বাতবৰণ কমলিনীৰ। এই মানুহবিলাকৰ পৰা বাৰু সমাজৰ কি উন্নতি আশা কৰা যায় ? ওচৰ-চুবৰীয়াৰ ঘৰলৈ তাই যোৱা বন্ধই কৰিলে। বাটে-পথে পালে ভদ্ৰতাৰ খাতিৰত মাতে, খবৰ-খাতি লোৱাৰ ভাঁ ধৰে।

বিয়া বুলি ঘৰখনত পুৰাৰে পৰা উদ্বুলি মুহুলি এটা পৰিবেশ আজি কমলিনীৰ ভনীয়েৰ শৈবালিনীৰ বিয়াৰ জোৰোণ। বিয়াৰ সমস্ত দায়িত্ব কমলিনীৰ গাত। চুণৰ পৰা আৰম্ভ কৰি চাধাৰ খৰছলৈকে। চল্লিছত ভৰি দিয়া কমলিনীৰ মূৰৰ ওপৰেদি বহু সমস্যা পাৰ হৈ গৈছে। ভনীয়েক-ভায়েকৰ পঢ়াৰ খৰছ ৰিটায়াৰ্ড হোৱা স্কুল পণ্ডিত দেউতাক-মাকৰ আল-পৈচান ইত্যাদি তাই নিয়াৰিকৈ কৰি গৈছে। বিয়াৰ খৰছৰ বাবে সঞ্চিত টকা অলপ উলিয়াইছিল। পেহীয়েকৰ পুতেক বিপুল ১৫ দিনমান আগতে অহাত কমলিনীৰ যেনিবা মূৰৰ বোজাটো পাতল হ'ল। তথাপি তাই ব্যস্ত হৈ থাকিবলৈ বিচাৰে যাতে আনে বুজি পায় যে ভনীয়েকৰ বিয়াত তাইৰ আন্তৰিকতা আছে। দেউতাক-মাকৰ কমলিনীৰ লৈ যে, কিমান চিন্তা তাক তাই বুজে। এবাৰ তাই দেউতাকে সমনীয়া বন্ধু এজনৰ আগত কোৱা কাণত পৰিছিল ......“জানো ডাঙৰ মায়েনো এইবোৰ কি কৰিছে, ইমান দৰা আহিল, ওহো তাইৰ মত নিমিলিল। আমাৰ



জানো মন নাই তাইৰ সুখ চাই যাবলৈ।” সবল দেউতাকৰ কথা শুনি তাইৰ সেইদিনা খং উঠা নাছিল। দেউতাক তাইৰ ওচৰত বিয়া সম্বন্ধীয় কথালৈ সদায় নীৰৱ হৈ থাকিল।

তুলিকা মাহী তাইৰ নিজৰ মাহী। ভতিজা-বোৱাৰীয়েককলৈ পুৰাই আহিছিল। মাহীৰ ঘৰ কমলিনীহঁতৰ ঘৰৰ পৰা পঞ্চাছ মাইল দূৰৈৰ গাওঁ এখনত। বিধৱা তুলিকা মাহী কামত যেনে ওস্তাদ মুখৰ ফালেও তেনে। কোনো কথা কবলৈ সঙ্কোচ নাই। এবাৰ মাহীৰ যদি কিবা কথাত খং উঠে তেন্তে তেওঁ বৰ ভয়াল হৈ পৰে। এবাৰ বোলে তেওঁৰ কিবা কথাত খঙ উঠি নিজৰ স্বামীক কাটিবলৈ ওলাইছিল। এইবোৰ অৱশ্যে শুনা কথাহে। ওচৰ-চুবুৰীয়াৰ মানত মাহী গেজেট। নিজৰ বুলিবলৈ এজনী ছোৱালী আছিল, বিয়া দিলে। এতিয়াৰ স্বামীৰ মাটিকে আধি-বন্ধুৱা দি কোনোমতে চলি আছে। ভতিজা বোৱাৰী-য়েকে কমলিনীৰ বিষয়ে একো নাজানিছিল। কৌতূহলবশত থাৰে-চিঞঁাৰে সুধোতেই মাহীয়ে এইদৰে উত্তৰ কাটিলে। তুলিকা মাহীয়ে কমলিনীক ভাল নোপোৱাৰ এটা কাৰণ আছে। এবাৰ মাহীয়ে কমলিনীক দেখুৱাবলৈ এটা ল'ৰা আনিছিল, কিবা ভাল চাকৰি বাকৰি কৰা ল'ৰা, ঘৰৰ অৱস্থাও ভাল। মাক-দেউতাকৰ মনত ক্ষীণ আশা এটা জন্মিছিল। যাহওঁক এল্ পি স্কুলৰ পণ্ডিতৰ জীয়েক সুখত থাকিবলৈ পাব। কিন্তু তুলিকা মাহীয়ে যেতিয়া ল'ৰাটোৰ আগত কমলিনীক ওলাবলৈ কলে, কমলিনীয়ে বৰ বেয়াকৈ মাহীক কথা শুনাই দিলে আৰু কাষৰ কোনোবা মানুহৰ ঘৰলৈ ওলাই গ'ল। দৰা আৰু দৰাৰ বায়েকৰ আগত মাহী বৰ বেয়াকৈ অপদস্থ হ'ল। ইয়াৰ ফল স্বৰূপে কমলিনীৰ মাক-দেউতাকে তুলিকা মাহীৰ লাউপাত–কচুপাত হেন মুখৰ গালিৰে থকা-সৰকা হ'ল “জীয়াৰী তুলিছ হাকিমত দিবলৈ, উস্ ঠায়েই নাই, ইমানটো ফেপৰ তাইৰ। নোলাল বুলিয়েই নোলাল। ডুৱাৰৰ দাং কাটি কোনদিনা বা কাৰ লগত পলাই যায় কোনে জানে” ... ইত্যাদি, ইত্যাদি। সেইদিনা কমলিনীৰ দেউতাক নিশ্চুপ হৈ থাকিল যি থাকিলেই। তুলিকামাহী প্ৰায় ১২/১৩ বছৰ ধৰি সিহঁতৰ ঘৰত অহা নাছিল। শৈবালিনীৰ বিয়াত মাকে নিজে গৈ মতাত যেনিবা আহিল। কাম কৰা ছোৱালী শান্তি ভিতৰলৈ আহি কমলিনীক মাতিলে। “বাইদেউ আপোনাৰ ৰুমটো চাফা কৰা নহ'ল নহয় বিয়া বুলি। আপুনি চাফা কৰিব নিদিলে সিদিনা। মই এতিয়া চাফা কৰি পেলাম কিন্তু, বৰ লেতেৰা দেখাইছে।” —বুলি কৈ তাই কমলিনীৰ বিছনাখন সামৰি পেলালে। কমলিনী ইতিমধ্যে উঠি পৰিছিল। বিছনাখনৰ একাষত বৈ তাই শান্তিয়ে চাফা কৰা চাই থাকিল। সৰু সৰু মকৰাবোৰ এনি-তেনি বগাই গ'ল। “ এই মকৰাবোৰ বাইদেউ মাৰি পেলাব লাগে। আজি অঁতাইছো কাইলৈ আকৌ জাল বান্ধিব।” -এই বুলি কৈ কৈ ৰুমটো অঁতাই জাবৰখিনি লৈ শান্তি ওলাই গ'ল।

শৈবালিনীয়েনো ভিতৰত কি কৰিছে চাবলৈ বুলি তাই শৈবালিনীক বিচাৰি বিছনাত পেট পেলাই পৰি থকা পালেগৈ। তাইক যোৱা দেখি শৈবালিনীয়ে শুই য়েই ৰভা দিয়া ল'ৰাকিটাৰ কথা কিবা এটা কলে। কমলিনীৰ কাণত নোসোমাল। তাই পুনৰ বাহিৰলৈ ওলাই আহিল। ১১ টাত খাৰু-মণি পাবহি; গতিকে ব্যস্ততা লাহে লাহে বাঢ়ি আহিছে। কাম কৰা ল'ৰামখাই কিবা এটা কথা লৈ বৰ তৰ্ক আৰম্ভ কৰি দিছে। ছুই এগৰাকীকৈ মাইকী মানুহ, মতা মানুহ জোৰোণ উপলক্ষে গোট খাইছেহি। তামোল-চাহৰ পৰিবেশন ভালকৈয়ে হৈছে। ৰভাৰ এচুকত বহি তুলিকা মাহীয়ে আন এগৰাকীৰ লগত আড্ডা জমাই তুলিছে। মাহীয়ে বৰ তামোল খায়। দূৰলৈ যোৱাৰ এলাহত অলপ আতঁৰতে গৈ মাজে মাজে পিকখিনি পেলাই আহে। মাকৰ কাপোৰ এসাজ উলিয়াৰ কথা মনত পৰি কমলিনী ভিতৰলৈ সোমাই গ'ল। প্ৰায় ১১ টা মানত জোৰণ আহিল। কমলিনী কিন্তু বাহিৰলৈ নোলাল। ইটো-সিটো কৰাৰ চেলু লৈ তাই ভিতৰতে সোমাই থাকিল। এই মানুহবোৰে তাইলৈ যি দৃষ্টিপাত কৰিব তাৰ আগত তাই অপ্ৰস্তুত হৈ যায়। গতিকে তাই বাহিৰলৈ নোলাল। তাইৰ চিঞৰি কবৰ মন যায় —"জান একমাত্ৰ মোৰ আদৰ্শৰ বাবেই, একমাত্ৰ আদৰ্শক জলাঞ্জলি দিব নোৱাৰাৰ বাবেই এজনক বিয়া কৰিব নোৱাৰিলোঁ। বজাৰৰ মাছ পিটিকি-পিটিকি গেলা কৰাৰ দৰে মোক নিজকে পিটিকি আনক চাবলৈ দিব নোৱাৰিলোঁ।" লগত এসোপামান যৌতুক লৈ আন এখন সোমোৱাৰ পক্ষপাতী নাছিল তাই। বহুত আহিছিল মনত ভাব চাহ তামোল খোৱাৰ চলেৰেই চাব লাগিব ছোৱালীজনী।" কিন্তু তাইৰ শকত শৰীৰটোত নাছিল এজাক পোহৰ; নাছিল একুৰা ৰূপৰ দপ্‌দপীয়া জুই; য'ত নেকি সিহঁত চগা হৈ পৰে। শকত যৌতুক লৈ বিয়া কৰাবলৈ সন্মত হোৱা কেইজনমান হ'লে ওলাইছিল আৰু যদি কমলিনী সন্মত হ'লহেঁতেন তেনেহলে কমলিনী হঁতৰ অধুনাস্থিত ৰূৱতী মাটি কিডৰা বৰ্ত্তমান হয়তো কাৰ হাতত থাকিলহেঁতেন পাত্তা নাই। কোনোৱে আগবাঢ়ি আহি নক'লে "কমলিনী মই তোমাক ভাল পাওঁ বিয়া কৰাব খোজো।" অফিচত চাকৰিটো পাইছিল B.A. পাছ কৰাৰ ৩ বছৰ পিছত। চাকৰি পোৱাৰ পিছত পাত্ৰ দুজনমান প্ৰস্তাৱ দিছিল। পিছে তাই বিয়াহে নহ'ল। চাকৰি-টোৱে বঢ়োৱা মূল্যৰ দাসী হৈ বিয়াৰ বজাৰত বহিবলৈ তাইৰ আত্ম-সন্মানত লাগিল। শৈবালিনীৰ চৰিত্ৰ, কিন্তু একেবাৰে বিপৰীত। লগত এসোপামান যৌতুক লৈ তাই যাবগৈ নতুন এখন ঘৰ শুৱনি কৰিবলৈ।

জোৰোণৰ দৰা ঘৰীয়া মানুহ যোৱা গম পাই কমলিনীয়ে ভনীয়েকক চাবলৈ বুলি ৰভাৰ তললৈ ওলাই আহিল। সচাঁই ধুনীয়া লাগিছে শৈবাক। জোৰোণ পিন্ধোৱাৰ পিছত যে তাইৰ সৌন্দৰ্য্য প্ৰকট হৈ উঠিছে। ওচৰলৈ গৈ চাবলৈ মন গ'ল তাইৰ, কিন্তু তাই হঠাতে সচকিত হ'ল। শৈবাক বেৰি এজাক মাইকী মানুহ গাভৰু ছোৱালীকে আদি কৰি সিহঁতৰ সন্ত্ৰস্ত দৃষ্টিয়ে অপ্ৰস্তুত কৰাৰ ভয়ত শৈৱাৰ ওচৰলৈ যাবলৈ তাইৰ সাহসে নুকুলালে। য'ত যি ভয়ৰ কাৰণ এই মানুহ মখায়েই। আঁতৰত ৰৈ থাকিও কমলিনীৰ এনে লাগিল যেন ৰভাঘৰৰ প্ৰতিটো দৃষ্টিয়েই তাইৰ দেহৰ প্ৰতিটো অঙ্গত বিন্ধিছে। অস্বস্তিবোধ কৰি তাই আহিল তাৰ পৰা। তাইৰ আচলতে এনে হ'ব নালাগিছিল কিন্তু কিয় এনে লাগিছে? এই মানুহবোৰলৈ তাইৰ কিয় ইমান ভয়? মনটো ভাল লগাবৰ বাবেই তাই খুব ব্যস্ত হ'বলৈ চেষ্টা কৰিলে। সন্ধ্যা কন্যা নোৱাবৰ বাবে মাহ-হালধি তায়েই ঠিক কৰি বেইৰ তলত দিলেহি। নিশা এটা বজালৈকে মিঠাই বনোৱা কাৰিকৰকিটাৰ কাষত বহি বিপুলৰ সৈতে গল্প কৰি থাকিল।

বিয়াৰ দিনা পুৱাতে কমলিনীয়ে গা-পা ধুই কামত ব্যস্ত হৈ গ'ল। দুপৰীয়া ১২ বজালৈকে চৌকাৰ কাষত বহি তদাৰক কৰি ব্যস্ত হৈ থাকিবলগীয়া হ'ল। আবেলিৰ অতিথিসকলক তাই হাঁহি এটা মাৰি, খোৱা হৈছেনে নাই ইত্যাদি কথা শুধি আপ্যায়িত কৰিলে। মনৰ সঙ্কোচ হোৱা নাছিল তাইৰ! মানুহবোৰৰ দৃষ্টিয়ে আচলতে তাইক সঙ্কুচিত কৰি তোলে। শেৱালীৰ মাকো বিয়ালৈ আহিল। এই মানুহজনীয়েই এদিন কমলিনীক কৈছিল "হেৰা কমলিনী কিমান আৰু এইদৰে থাকিব। হাড়ডালতো শুচি হ'ব লাগে।" "বিয়া কথাটো ইমান সহজ নহয়, বাইদেউ" — বুলি তাই গুছি আহিছিল উচাট মাৰি। সন্ধ্যা প্ৰায় ৯ টা মান বজাত কন্যা নোওৱা হ'ল। কন্যা নোৱাই হোৱাৰ পিছত পেহীয়েকে তাইক মাতিলেহি। শৈবাই লগত নিয়া বস্তুবোৰ ঠিক মতে বন্ধা হৈছে নে নাই চাবলৈ মন নকৰিলে। "তুমিয়েই ঠিক কৰা পেহী" বুলি তাই নগ'ল। অ'ত ত'ত কামত ব্যস্ত হোৱাৰ ভাওঁ ধৰিলে। শুবলৈ বৰ মন গৈছিল। পিছে তাই নুশুলে, কোনোবাই আকৌ কওঁক-বিৰহ বেদনাত পৰিল। মনটো দমাই চৌকাৰ কাষলৈ গ'ল, পেহীয়েকৰ পুতেক বিপুলে কিবা নিৰ্দ্দেশ দি আছে। সি থকাৰ বাবেই কমলিনীৰ সকাহ। চকী বেঞ্চ কোনে আনিলে-বিপুলে, মাইক আনিলে কোনে বিপুলে। পায়স নাই-ধুমাধুম নিজেই লাগি গৈছে বনোৱাত। মৰমী পেহীয়েকৰ মৰমৰ পুত্ৰ বিপুল। বিপুলৰ কাষতে বহি তাই বিয়াৰ খৰছৰ কথা পাতি গ'ল। দৰা প্ৰায় ১২ বজাত আহিল। দৰাঘৰীয়াক লৈ ব্যস্ত হোৱাৰ সুযোগতে তাই বিপুলক মাত লগাই আহি বিছনাত পৰিলহি। ৰুমটোত পোহৰ নাই, খালি খিড়িকীখনেদি অকণমান বাহিৰৰ পোহৰ সোমাইছেহি। কেচুৱা এমখা শুৱাই থৈছে। থেলি হেচি তাই জেগা এটুকুৰা উলিয়াই পৰি ৰ'ল। টোপনী হলে অহা নাছিল। অলপ সময় গৈছিল। হঠাতে মানুহ অহা গ'ম পাই কমলিনীয়ে দুৱাৰ মুখলৈ চালে।

হয়— পাচজনীমান ছোৱালী সোমাই আহি খিড়িকীৰ কাষত বৈ ফুচ-ফুচাই কথা পাতিছে। সিহঁতে তাইক দেখা নাই। নিশ্চুপ হৈ ৰ'ল তাই। ............... "হৱনে অ দীপ্তি, কন্যাৰ বায়েক হেনো অবিবাহিতা, ঘৰতে বুঢ়ী হ'ল, প্ৰেমিকে হেনো ৰিফিউজ কৰিছিল।" ............... "জানো আমিতো বহুত কথাই শুনিছো। সচাঁনে মিছা সঠিককৈ নাজানো, ভাই-মাহঁতেহে কোৱা শুনো"-হয় এইটো কাষৰ ঘৰৰে দীপ্তিৰ মাত। দৰাঘৰীয়া ছোৱালীৰ লগত আগৰ চিনাকী হ'ব পায়। ......... "ইয়াতনো ক'ত পাবি কন্যাৰ বায়েকক, ক'ৰবাত চাগৈ পৰি আছে বিবহত ..., বল বল পিছতো চিনাকী হ'ব পাৰিবি।" কমলিনীয়ে দেখিলে ছোৱালীকিজনী ওলাই যোৱা। বোবা হৈ গ'ল নেকি বাৰু তাই! চক চককৈ ঘুৰুৱা মূৰ আৰু বোবা মুখলৈ তাই পৰি ৰ'ল। "হয়, হয় প্ৰকৃততে ......... এনধয়ত আহিছিল বাস্তৱ তাইৰ জীৱনলৈ তাইক তাই গ্ৰহণ নকৰিবলৈ। বিয়াৰিৰব আলহীৰ দৰে হোৱা হোৱে মানুহে তাইৰ মন বভা-তল ভৰাব বিচাৰিছিল। কিন্তু হ'ল কি? বিয়াঘৰত জুই-ছাই টেঙা দৈ খাই বিস্তৃত হোৱা মুখ সিহঁতৰ, তুনাই আৰু নিবিচাৰিলে সেই দৈ খাবলৈ।" কোনোবাই গাত ধৰি জোকাৰি দিওতেহে কমলিনীয়ে বাস্তৱলৈ ঘূৰি আহিল। পেহীয়েকে জগাইছে। দৰাঘৰীয়া ছোৱালী-কেইজনী মানে হেনো তাইক অথনিৰ পৰা বিচাৰি ফুৰিছে, চিনাকী হবলৈ। একে আষাৰেই নাযাওঁ বুলি তাই এবাৰ্গৰ মাৰি সিকাটি হৈ শুই থাকিল। পেহীয়েক ওলাই গ'ল। ......... দৰাঘৰীয়াৰ মাজতো তাইক লৈ আলোচনা। এই দীপ্তি যাক তাই কোলাত লৈ ডাঙৰ কৰা, তেনে এজনী পেছকণা ছোৱালীয়ে তাইৰ বিষয়ে এনেকৈ কৈছে। উশাহ বন্ধ হৈ যাব খুজিলে এই দূষিত বাতাবৰণত তাইৰ। শান্তিৰ কথাষাৰ তাইৰ মনত পৰিল, নতুনকৈ তাই যেন সেই কথাৰ তাৎপৰ্য্য বিচাৰি পালে। আন্ধাৰতো বিবৰ্ণ চকুৰে দেখিলে তাইৰ চাৰিওকাষে মকৰা জাল, মকৰাজাল। সেই মকৰা জালত তাই এখন মুখ দেখিলে-তাইৰ নিজৰ মুখ আৰু দেখিলে মকৰাৰ দৰে কীট কিছুমানে তাইৰ কাণ-মূৰ খুলি খুলি এফালৰ পৰা খাই আনিছে। উস্! অসহ্য, এই কীটবোৰৰ পৰা হাত সাৰিব লাগিব, হাত সাৰিব লাগিব ......... হুকস্ ...... জোৰেৰে বাগৰ মাৰি দিলে কমলিনীয়ে তুলিহীন বিছনাখনত, কীটবোৰৰ পৰা ৰক্ষা পোৱাৰ প্ৰয়াসেৰে ......! ০০০

বিঃ দ্ৰঃ। ১৯৭৬ চনত কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত গল্প প্ৰতিযোগিতাত ১ম পুৰস্কাৰ প্ৰাপ্ত।



# জীৱন

বছৰৰ পাছত বছৰ নীৰৱে বাগৰিল। দিনবোৰো এটি এটিকৈ হেৰাই গ'ল অতীতৰ বুকুত। কিন্তু হেৰাই যোৱা দিনবোৰৰ স্মৃতি যে আজিও মোৰ স্মৃতি-পটত পাহৰিব নোৱাৰাকৈয়ে ৰৈ গ'ল। সেই মিঠা দিনবোৰৰ মিঠা কল্পনা বোৰ, আশাবোৰ, স্বপ্নবোৰ মোৰ আজিও মনত পৰে। পাহৰিব বিচাৰিও পাহৰিব পৰা নাই। কিন্তু অতীতৰ দিনবোৰৰ কথা ভাবি আজি জানো কিবা লাভ হ'ব? অতীতৰ আশাবোৰ, কল্পনাবোৰ, স্বপ্নবোৰ কালৰ সোঁতত মৰহি গ'ল। কিন্তু মৰহি যোৱা আশা কিছুমান লৈ জানো চিৰদিন জীয়াই থাকিব পাৰি?

আজি যে ঘনাই মনত পৰিছে অতীতৰ দিনবোৰলৈ। তাহানিৰ সেই মিঠা দিনবোৰত স্বপ্নালু জীৱনটোকলৈ বহুতো কিবা কিবি ভাবিছিলোঁ, বহুতো কিবা কিবি ৰচিছিলোঁ। ভাবিছিলোঁ এই সুন্দৰ জীৱনটো সুন্দৰ পৃথিৱীখনত সদায়েই সুন্দৰ হৈ ৰ'ব। জীৱনটোৰ সকলো আশাই পূৰ্ণ হ'ব। জীৱনটোত থাকিব কেৱল পোৱাৰ আনন্দ। তাহানিৰ সেই মিঠা গাভৰু জীৱনটোত কল্পনা কৰিছিলোঁ বোৱাৰী জীৱনৰ কথা। ভাবিছিলোঁ বিয়াৰ পাছত এখন সুন্দৰ সংসাৰ হ'ব। দুটি কণ-কণ পৱিত্ৰ শিশুয়ে ঘৰখন হাঁহিৰে পৰিপূৰ্ণ কৰিব। শাহু-শহুৰৰ পৰা পাম অশেষ স্নেহ, দেৰৰ ননদৰ পৰা পাম সীমাহীন মৰম আৰু স্বামীৰ পৰা পাম অকৃত্ৰিম ভালপোৱা। ঘৰখনত থাকিব হাঁহি আৰু আনন্দ-সুখ আৰু শান্তি।

কিন্তু ক'তা জীৱনৰ এটা আশাও জানো পূৰ্ণ হ'ল! সকলো আশা যে আশা হৈয়ে ৰ'ল। সেই আশাবোৰে কাহানিও বাস্তৱৰ পৰশ নেপায়। আজিও মোৰ তিনি বছৰ আগৰ এটা দিনৰ কথা মনত পৰে। যিটো দিনত মোৰ বিয়া হৈছিল এজন অচিনাকী ডেকাৰ লগত। সকলোৱে প্ৰাণ ভৰি আশীৰ্বাদ দিছিল মই সুখী হোৱাৰ। গাভৰু জীৱনৰ ওৰ পৰিছিল। বোৱাৰী জীৱনৰ পাতনি মেলিছিলোঁ— লাজ, ভয়, শঙ্কাৰে এখন নতুন ঘৰলৈ আহিছিলোঁ বহুতো আশালৈ।

মীনাক্ষি মণ্ডল
স্নাতক, ২য় বাৰ্ষিক

শাহু-শহুৰৰ পৰা পাইছিলোঁ বহুতো মৰম, স্বামীৰ পৰা পাইছিলোঁ অকৃত্ৰিম ভালপোৱা। দেৱৰ এজন আছিল, কিন্তু পৰীক্ষা চলি থকা বাবে হেনো আহিব পৰা নাছিল। মোৰ বিয়াৰ কিছুদিনৰ পাছত তেখেত যাব লগা হৈছিল কৰ্মস্থলীলৈ। তেখেত অৰ্থাৎ বিমান বৰুৱা মিলিটাৰী মেজৰ, কাশ্মীৰত থাকে। মোক কিছুদিনৰ পাছত কাশ্মীৰলৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতিৰে তেখেত গুচি গৈছিল। মই কোনো আপত্তি কৰা নাছিলোঁ। কাৰণ শাহু শহুৰৰ ইমানবোৰ মৰম নেওচা দি মোৰ যাবলৈও ইচ্ছা যোৱা নাছিল। তেখেত যোৱাৰ কিছু-পাছত দেৱৰজন আহিছিল, কিন্তু মই অজয়ক দেখি আচৰিত হৈছিলোঁ। অজয়েও মোক দেখাৰ লগে লগে কিবা হৈ গৈছিল। মোলৈ অনা সকলোবোৰ উপহাৰ হাতৰ পৰা সাৰি পৰিছিল। কোনেও এটা কথাও কব পৰা নাছিলোঁ। কিমান সময় আমি তেনেকৈ আছিলোঁ কব নোৱাৰো। মাত্ৰ মোৰ চকুৰ পৰা বৈ গৈছিল দুধাৰি চকুলো আৰু এটি তপত হুমুনিয়াহ। তাৰ পাছত লাহে লাহে অজয়ে কৈছিল: "ৰেখা, তুমি ইয়াত আৰু এতিয়া মোৰ নবৌ? ই কেনেকে সম্ভৱ হ'ব ৰেখা? ইমান নিষ্ঠুৰ তুমি, এজনক ভাল পাই এজনৰ ভালপোৱা লৈ তুমি সুখী হ'ব নোৱাৰিলা? তুমি নাৰীৰ নামত কলঙ্ক আনিছা। তুমি পাপী, তুমি কলঙ্কিতা। তুমি মোৰ লগত ইমানদিনে অভিনয় কৰিছিলা। অৱশ্যে তোমাৰ অভিনয় নিখুত আছিল। মই তোমাক ভাল পাইছিলোঁ হিয়াৰ সচাঁ মৰমেৰে। মোৰ হৃদয়-বেদীত কেৱল এখন প্ৰতিমাই স্থান পাইছিল-সেইয়া হৈছে তুমি। মই মোৰ হিয়াৰ সমস্ত মৰম, সমস্ত ভালপোৱা কেৱল এজনী নাৰীৰ ওচৰতেই অৰ্পণ কৰিছিলোঁ-সেইয়া হৈছে তুমি। মোৰ জীৱনৰ সুখ, শান্তি, শক্তি, আনন্দৰ বাবে অপৰিহাৰ্য্য আছিল কেৱল এজনী নাৰী, সেইয়া হৈছে তুমি। মই মোৰ জীৱনতকৈয়ো বেছি ভাল পাইছিলোঁ তোমাক। তুমি মোৰ-তুমি মোৰ পৱিত্ৰ ভালপোৱাক অপমান কৰিলা। ভালপোৱাক তুমি সৰু ল'ৰা ছোৱালীয়ে খেলা ধূলিৰ ধেমালি বুলি ভাবিলা। যেতিয়া তোমাৰ খেলি খেলি আমনি লাগিল তেতিয়া তুমি আতঁৰি আহিলা। ৰেখা, তুমি এজনক ইমান নিষ্ঠুৰ আঘাত দি কেতিয়াও সুখী হ'ব নোৱাৰিবা।" মই একো ক'ব পৰা নাছিলোঁ। মাত্ৰ এটা শিলৰ মূৰ্ত্তিৰ দৰে থৰ হৈ ৰৈ আছিলোঁ। অলপ পাছত যেতিয়া খুব কান্দিছিলোঁ। পিচ দিনাখন অজয় গুচি গৈছিল ঘৰৰ পৰা। অজয়ক এটা কথাও কোৱা নহ'ল। সচাঁকৈয়ে অজয়ে মোক খুব ভাল পাইছিল। কিন্তু মই জানো ভাল পোৱা নাছিলোঁ অজয়ক। মই মোৰ হিয়াৰ সমগ্ৰ সত্বাৰে ভাল পাইছিলোঁ অজয়ক। মইতো মোৰ নিজৰ ইচ্ছাত বিমান বৰুৱাৰ লগত বিয়া হোৱা নাছিলোঁ। অজয়ে মোক ভুল বুজিলে। অজয়ৰ লগত মোৰ চিনাকী হৈছিল দুবছৰ আগতে। মেট্ৰিক পাচ কৰাৰ পাছতেই মই গুৱাহাটী হোষ্টেলত থাকি পঢ়িছিলোঁ। তেতিয়া অজয় গুৱাহাটী ইউনিভাৰচিটিত পঢ়ি আছিল। হঠাৎ এদিন অজয়ৰ লগত মোৰ চিনাকী হৈছিল। এদিন এটা



দুৰ্ব্বল মুহূৰ্ত্তত আমি দুয়ো দুয়োকো ভাল পাই পেলালো। অজয়ে মোক বিয়াৰ প্ৰতিশ্ৰুতি দিছিল। হঠাতেই এদিন দেউতাৰ পৰা টেলিগ্ৰাম এখন পাইছিলোঁ। দেউতাৰ অসুখ হৈ থাকে সেয়ে ভাবিছিলোঁ দেউতাৰ অসুখ। অজয়ক কোনো খবৰ নিদিয়াকৈ ঘৰলৈ গুছি আহিছিলোঁ। কিন্তু ঘৰলৈ গৈ দেখিছিলোঁ দেউতাৰ একো হোৱা নাই। মোক দেউতাই মাতিছিল মোৰ বিয়াৰ কাৰণে। দেউতাক কি কম একো ভাবি পোৱা নাছিলোঁ। দেউতাক সকলো কথা কৈ দিয়াৰ সাহসো মোৰ নাছিল। মা থকা হ'লে হয়তো কিবা এটা ক'ব পাৰিলো হয়। কিন্তু মই সৰু থাকোতেই মা ঢুকায়। দেউতাই তেতিয়াৰ পৰাই মোক খুব মৰমেৰে ডাঙৰ দীঘল কৰিছিল। দেউতাৰ মৰমত মা নথকাৰ অভাৱ অনুভৱ কৰা নাছিলোঁ। চাৰিদিন পাছতেই মোৰ বিয়া। আমাৰ সম্বন্ধীয় মানুহেৰে ঘৰ ভৰি পৰিছিল। কান্দি কান্দি দিনবোৰ পাৰ কৰি দিলোঁ। তাৰ পাছত খুব ধুমধামেৰে মোৰ বিয়া হৈ গৈছিল। কিন্তু অজয়ক মই কেনেকৈ বুজাম মই যে নিজৰ ইচ্ছাত বিয়া হোৱা নাই। অজয় সেইদিনাখনৰ পৰা আৰু ঘৰলৈ অহা নাছিল। কিন্তু অজয়ে সেইদিনা মোক কোৱা সকলো কথা মায়ে ছাগে শুনিছিল। কাৰণ সেইদিনাখনৰ পৰা মায়ে মোক খুব ঘৃনাৰ চাৱনিৰে চাইছিল। দেউতাই দৰকাৰৰ বাহিৰে মোৰ লগত কোনো কথা কোৱা নাছিল। এই অসহ্যকৰ দিনবোৰ কেনেকৈ পাৰ হৈছিল নাজানো।

এদিন আমাৰ জীৱনলৈ আহিছিল এটি নতুন আলহী 'বুন্তী'। তেখেতে খবৰ পাইয়ে টেলিগ্ৰাম কৰিছিল আহিম বুলি। কিন্তু তেওঁ অহা ট্ৰেইন খন এক্সিডেণ্ট হৈছিল আৰু চিৰদিনৰ কাৰণে তেওঁ পঙ্গু হৈ গৈছিল। জীয়াই থকাৰ ইচ্ছা হেৰাই গৈছিল। তথাপিও বুন্তী আৰু তেখেতৰ কাৰণে জীয়াই থাকিব লাগিব। এনেকৈয়ে আমনি লগা দিনবোৰ পাৰ হৈছিল। কিন্তু এদিন মোৰ সকলো মৰম এৰি থৈ তেখেত চিৰদিনৰ কাৰণে গুছি গৈছিল কোনোবা অজান দেশলৈ। তেখেতৰ মৃত্যুৰ লগে লগে মোৰ জীৱনৰ সুখ, শান্তি সকলো শেষ হৈ গৈছিল। একেবাৰে অসহায় হৈ পৰিছিলো। তথাপিও জীয়াই আছিলো বুন্তীৰ কাৰণে। কিন্তু এদিন বুন্তীও গুছি গৈছিল দেউতাকৰ ওচৰলৈ। বুন্তীৰ মৃত্যুৰ পাছত মোৰ জীয়াই থকাৰ ধৈৰ্য্য নাছিল। মোৰ কাষৰ পৰা সকলোবোৰ আঁতৰি গৈছিল। অজয়ে ঠিকেই কৈছিল মই কাহানিও সুখী হব নোৱাৰিম। এই অভিশপ্ত জীৱনটোলৈ এখন্তকো জীয়াই থকাৰ ইচ্ছা নাছিল। জীয়াই থকাৰ আশা হেৰুৱাই পেলাইছিল। কিন্তু এদিন এই জীৱনটো আছিল খুব মৰমৰ। জীয়াই থকাৰ দুৰ্বাৰ স্পৃহা আছিল। কিন্তু আজি মোৰ জীৱনটোৰ প্ৰতি কোনো মোহ নাই। এদিন মাজনিশা তেতিয়া সকলোৱে নিদ্ৰাদেৱীৰ কোলাত নিশ্চিন্ত মনে আশ্ৰয় লৈছিল। পৃথিবীখন এন্ধাৰৰ মাজত ডুব গৈ আছিল। আৰু মই কটাইছিলো এটি বিনিদ্ৰ ৰজনী। তেতিয়া ১২ বাজিছিল। মই বাহিৰলৈ ওলাই আহিছিলো। তেনেকৈ কিমান দূৰ আহিছিলো নাজানো। হঠাৎ সন্মুখত এখন নদী দেখি থমকি ৰৈছিলো।

নদীখনৰ পানীখিনি ঢৌ খেলি খেলি আগবাঢ়ি গৈছিল। কুলু কুলু সুৰেৰে বৈ যোৱা নৈৰ বুকুৰ বিননিয়ে মোকেই যেন আহ্বান কৰিছিল। আৰু বহু দূৰৈৰ পৰা তেখেতৰ আত্মাই যেন মোক হাত বাউল দি তেখেতৰ ওচৰলৈ মাতিছিল। ময়ো নদীৰ বুকুত আশ্ৰয় লৈ মোৰ অভিশপ্ত জীৱনৰ সকলো বেদনা নিঃশেষ কৰি দিয়াৰ ইচ্ছাৰে নৈৰ স্নিগ্ধ পানীৰ মাজত বিলীন কৰি দিলোঁ মোৰ জীৱনটো।

০ ০ ০





# ॥ বিমলা জেঠাইজনী ॥

**কুমাৰী দুৰ্গাময়ী ভূঞা**
স্নাতক ২য় বাৰ্ষিক শ্ৰেণী

"উঃ"

"কি হ'ল? উজুটি খালি নেকি?"

"উঁ"

"চাওঁ ক'ত? বেছিকৈ দুখ পালি নেকি?"

"বেছিকৈ দুখ পোৱা নাই। গৰু এৱাল দিয়া খুটি আছিল নেকি!"

"ইছ্, তেজ ওলাইছেচোন! চাওঁ ৰবি, জাৰ্মানীবনৰ পাত মোহাৰি লগাই দিলে তেজ ৰ'ব।" —পেহীদেৰে ৰাস্তাৰ কাষৰ পৰা বনপাত কেইটামান চিঙি আনি মোহাৰি মোৰ সোঁ ভৰিৰ বুঢ়া আঙুলিটোৰ উজুটি খোৱা ঠাইডোখৰত লগাই দিলে।

"মানুহবিলাকৰো যে কাম। ৰাস্তাৰ মাজতনো গৰু এৱাল দিব লাগেনে!" —পেহী-দেৰে ভোৰ্ভোৰালে।

বিশেষ আঘাত হোৱা নাছিল। লগে লগেই তেজ ওলোৱা বন্ধ হ'ল। পেহীদেৰে দিয়া ঔষধে কাম কৰিলে। আকৌ আমি খোজ পেলালোঁ বিমলা জেঠাইৰ ঘৰলৈ বুলি। মন কৰিলোঁ পেহীদেউ যেন অলপ অন্যমনস্ক হৈ পৰিল।

"এৰা, বিমলা বাইটিয়েও জীৱনত বহুতো উজুটি খাইছিল।" —পেহীদেৰে নিজকে নিজে কোৱাৰ দৰে ক'লে।

ৰগৰ কৰিবৰ মনেৰে ক'লো: "হয় নেকি পেহীদেউ! তেন্তে তেওঁৰ ভৰিৰ আঙুলি আটাইকেইটা এতিয়াও আছেনে?" —পেহীদেৰে কিন্তু নেহাঁহিলে। ক'লে: "আঙুলিত আঘাত কৰা হ'লে বিমলা জেঠায়ে ইমান কষ্ট নেপালেহেঁতেন, কিন্তু বিমলা বাইটিয়ে জীৱনৰ প্ৰায় প্ৰতি খোজতেই উজুটি খাইছে। তেনে উজুটিয়ে আঙুলিত আঘাত নকৰে সোণ্টি, সি আঘাত কৰে মনত।" কথাখিনিৰ লগে লগে পেহীদেউৰ অন্তৰৰ পৰা ওলাই আহিল এটি দীঘল হুমুনিয়াহ। পেহীদেউৰ মুখলৈ চালোঁ। মুখৰ বৰণ সলনি হৈ যোৱা মই লক্ষ্য কৰিলোঁ।

"আপুনি এইবোৰ কি কৈছে পেহীদেউ! মই ঠিক বুজা নাই। বিমলা জেঠাইৰ কিবা হ'ল নেকি?" —মোৰ মাতত আছিল প্ৰবল উৎকণ্ঠা।

"হবলৈ আৰু কিটো আছে। কালি বাইটিৰ অৱস্থাটো দেখি ৰাতিটো যে বাছি থাকিব মই আশাই কৰিব পৰা নাই। এতিয়া হয়তো তাইক জীৱিত অৱস্থাত নাপামগৈ।" শেষৰ বাক্যটো পেহীদেৱে থোকাথুকি মাতেৰে ক'লে। তেওঁৰ চকুৰ কোন দুটাত দুটোপাল চকুপানী বিৰিঙি উঠিল। তাৰ পাছত দুগালেদি বাগৰি আহিল দুটি অশ্ৰুধাৰা। মই নীৰৱে থাকিলো। কিবা কিবি সুধিম বুলিও সুধিবলৈ সাহস নহ'ল। আমাৰ মাজত বহু সময় ধৰি কোনো কথা-বতৰা হোৱা নাছিল। একা-বেকাঁ কেঁচা ৰাস্তাটোৰে আগ বাঢ়িলোঁ আমি দুয়ো।

ৰাস্তাটোৰ সোঁফালে চাই পঠালো। দেখিলো জীয়া কলঙে এৰি যোৱা এটি সুঁতি য'ত নাই জীয়া কলঙৰ প্ৰাণ, নাই স্পন্দন, নাই প্ৰতিশ্ৰুতি। আছে মাথো জীয়া কলঙে এৰি য়োৱা কিছুমান স্মৃতি। মনত যেন এটি আশা পুহি ৰাখিছে— কলঙ আকৌ আহিব। তাৰ বুকুৰ ওপৰেদি নাচি নাচি এদিন বাগৰি যাব কলঙৰ জলৰাশি। সি আকৌ হাঁহিব প্ৰাণ খুলি। কলঙখনে এই সুঁতি এৰি প্ৰায় একফাল'ংমান আঁতৰেদি নতুন-পথেৰে বৈ গৈছে। যাক মানুহে ন-কলঙ বুলি কয়। ন-কলঙে যেন এৰাসুঁতিক কৈছে: চোৱা মই তোমাতকৈ কিমান বেছি সুখী।

কলঙৰ এই এৰানিয়া সুঁতিটোৰ পানী খৰালি দিনত শুকাই যায়। পানী থকা অৱস্থাত কাপোৰ ধুলে বোকা উঠে। বহাগ বিহুত গৰুক গা ধুৱাবলৈকো ই অনুকূল নহয়। বহাগ বিহুত গৰুক ন-কলঙহে গা ধুওৱা হয়। এৰাসুঁতিটোৰ কাষেৰে আগবাঢ়ি যোৱা ৰাস্তাটোৰে আৰু অলপ দূৰ গ'লেই এৰাবাৰী নামৰ গাঁওখন পাম। তাতেই বিমলা জেঠাইৰ ঘৰ। এৰাবাৰীৰ প্ৰায়বিলাক মানুহেই পমুৱা; জেঠায়ো ইয়াৰ পাম ঘৰতে থাকে। আচল ঘৰ আমাৰ গাঁৱত। বৰ্তমান তাত জেঠাইৰ সপত্নী অৰ্থাৎ জেঠোৰ দ্বিতীয়া পত্নী সৰু জেঠাই পুতেক-বোৱাৰীয়েকৰ সৈতে থাকে। জেঠোৱে দুগৰাকী বিয়া কৰাইছিল। প্ৰথম গৰাকী বিমলা জেঠাই আৰু সৰু গৰাকী পুনীমাই জেঠাই, মানে সৰু জেঠাই। বিমলা জেঠাইৰ কোনো সন্তান-সন্ততি নাছিল। সৰু জেঠাইৰ ছোৱালী এজনী, ল'ৰা এটা। ছোৱালীজনী বিয়া দিলে আৰু ল'ৰাটোলৈকো বিয়া কৰোৱা আজি প্ৰায় সাত বছৰমান হ'ল। পুতেকৰ বিয়াৰ দুবছৰ পিছতে জেঠু ঢুকাল। কণ কণ দুটি নাতি, জান্তি আৰু জোনকলৈ সৰু জেঠাই বৰ্তমান খুব সুখী; কিন্তু এৰাবাৰীৰ পামঘৰত অকলে থকা বিমলা জেঠাই কেতিয়াবা গাঁৱৰ ঘৰলৈ আহিলে হেনো, সৰু জেঠাইৰ মনত শান্তি নোহোৱা হয়। মইচোন সৰু জেঠাইতকৈ বেচি ভাল পাওঁ বিমলা জেঠাইকহে। মনতে ভাবো— যিমানে যি নহওঁক সপত্নীৰ মাজত বিবাদ থাকেই।

আজি চাৰিদিনমান হ'ল বিমলা জেঠাইৰ অসুখ। কলেজৰ দীঘলীয়া গৰমৰ বন্ধত ঘৰতে আছো, যদিও জেঠাইৰ অসুখৰ খবৰ লব পৰা নাই। পেহীদেউ অহা পাঁচদিনমান হ'ল। তেওঁ জেঠাইৰ খবৰ প্ৰতিদিনে



লৈ আছে। আজি পেহীদেৱে লগ লোৱাত আৰু জেঠাইৰ অসুখ বেছি বুলি শুনি খবৰ ল'বলৈ বুলি পেহীদেউৰ লগতে আহিছোঁ। কালি হেনো জেঠাইৰ অৱস্থা একেবাৰে বেয়া। ৰাস্তাত ভৰি দিয়েই উজুটিটো খাই মোৰ মনটো অকমান সেমেকি উঠিছিল। মানুহে কোৱামতে ভাললৈ মানুহে উজুটি নেখায়।

সকলোৱে কয় জেঠাইৰ জীৱনটো হেনো দুখৰ প্ৰতিচ্ছবি। কিন্তু মুখত এমোকোঁৰা হাঁহিৰে ৰাংঢালী বিমলা জেঠাইৰ জীৱনত যে কিবা দুখ থাকিব পাৰে মোৰ বিশ্বাসেই নহয়। সদাস্মিতা বিমলা জেঠাই নেথাকিলেচোন গাঁৱৰ বিয়াঘৰখন উকা উকা লাগে। বিয়া নাম গোৱা মানুহেই নোলায়।

"বিয়া ঘৰত গা দেখুৱাবলৈ আহিছহঁত, ভালকৈ বিয়ানাম গা"— বুলি জেঠায়ে নিজেই বিয়ানাম জোৰে। জেঠাইৰ এনেবোৰ কথাত কোনেও বেয়া নাপায় বা প্ৰতিবাদ নকৰে, বৰং বিয়া ঘৰৰ ৰভাতলৰ ছোৱালী মথাই খিল্ খিল্কৈ হাঁহে, এই উমৈহতীয়া বিমলা জেঠাইজনীৰ কথা শুনি। জেঠাই নহ'লে বিয়াত মানুহক সোধ-পোছ কৰাত বেমেজালি দেখা দিয়ে। বিমলা জেঠাই যি ফালেই নেথাকে, সেই ফালেই নহয়। বিয়া-সবাহ সকলোতে বিমলা জেঠাইৰ অনুপস্থিতিয়ে বিশৃঙ্খলৰ সৃষ্টি কৰে। মুখত এমোকোঁৰা তামোল ভৰাই লৈ তেওঁ কামকেই কৰি ফুৰে। কোনোবাই খোৱাৰ কথা ক'লে কয়ঃ "মোক ভালদৰে জুটি লগাই তামোলখন দিবি, খোৱা-বোৱাৰ কথা মোক নকবিহঁত আইহঁতেৰে।" বিয়া ঘৰখনৰ গৃহস্থ হৈ পৰে বিমলা জেঠাই। আনকি বিয়াৰ দৰা বা কন্যাৰ মাকেও কিবা বস্তু বিচাৰি নেপাই বিমলা জেঠাইকহে সোধে।

"সোন্তি!" —পেহীদেউৰ মাতত মই যেন সাৰ পালোঁ।

"কি পেহীদেউ?"

"তইতো জানই যে বিমলা বাইটিয়ে মোক বৰ মৰম কৰিছিল। ময়ো তাইক বৰ ভাল পাইছিলোঁ। যদিও তাই মোতকৈ বয়সত ডাঙৰ আছিল আমি সৰুতে দুয়ো একেলগেই ফুৰিছিলোঁ।" —মই আগতেই জানিছিলোঁ পেহীদেৱে জেঠাইক বৰ ভাল পায়। এনেহে লাগে যেন বিমলা জেঠাই পেহীদেউৰ নিজতকৈয়ো আপোন।

"জানো, পেহীদেউ! কলঙৰ পৰা আপোনালোকে একেলগে পানী অনাৰ কথা, একেলগে কাপোৰ ধোৱাৰ কথা, বিহুত পিছফালৰ চোতালত ঢোপ খেলাৰ কথা, আপুনি প্ৰায়েই কয়। জেঠায়ে কিবা কাৰণত নেখেলিলে আপুনিও যে নেখেলা হৈছিল।" মই উৎসাহেৰে কথাখিনি কৈ পেলালোঁ।

"অ', তোৰ দেখোন সকলো কথাই মনত আছে।"— অলপ সময় ৰৈ পেহীদেৱে পুনৰ কৈ গ'লঃ "বিমলা বাইটি আচলতে মোৰ নিজা বাইদেউ নহয়। গাঁও সম্বন্ধীয় বৰদেউতা এজনৰ একমাত্ৰ ছোৱালী। তথাপি তাই যেন মোৰ নিজা বাইদেউতকৈ আপোন এনে লাগে। এৰাবাৰীৰ ঘৰটো বাইটিৰ আচল ঘৰ নহয়। সিহঁতৰ আচল ঘৰ হৈছে

আমাৰ গাঁৱৰ বৰ্ত্তমান জান্তিহঁত থকা ঘৰটো।"

মই ক'লো ঃ "জানো পেহীদেউ, জেঠাই থকা এৰাবাৰীৰ ঘৰটো পাম ঘৰ। কিন্তু মোৰ মনত পৰাৰ পৰা বিমলা জেঠাইচোন এৰাবাৰীতেই আছে।"

"এৰা, সোণ্টি! নিজৰ ঘৰ আনৰ হাতত তুলি দি বাইটিয়ে বনবাসী হৈয়ে জীৱন কটালে।" —পেহীদেউৰ মাতত করুণতা ফুটি উঠিছিল।

মই আচৰিত হৈ ক'লো: "কিয়? সেয়াতো জেঠুৰ ঘৰ? বিমলা জেঠাইৰ নিজৰ ঘৰ আক' কেনেকৈ হ'ল ??" —মোৰ মনত বহুতো প্ৰশ্ন জাগিল।

"সেইবোৰ বহুত কথা, বোপাই। কওঁ শুন।" —পেহীদেৱে যেন মনৰ মাজতে জুকিয়াই ল'লে কাহিনীটো কোনখিনিৰ পৰা আৰম্ভ কৰিব। তাৰ পাচত কৈ গ'ল। মই অবাক হৈ শুনি গ'লো জেঠাই জীৱনালেখ্য। ভাব হ'ল কাহিনীৰ বিমলা জেঠাই যেন মই ল'গ পোৱা বিমলা জেঠাই নহয়। পেহীদেৱে কৈ যোৱা কাহিনীটো আছিল এই ঃ

ফুলগুৰি গাঁৱৰ অৱস্থাপন্ন মানুহ নন্দেশ্বৰ শইকীয়াৰ একমাত্ৰ কন্যা আছিল বিমলা। তাইৰ জন্মৰ কিছুদিনৰ পাছতেই মাকৰ মৃত্যু হ'ল। দেউতাকেই বিমলাক ডাঙৰ দীঘল কৰিলে। বিমলা শুক্লপক্ষৰ জোনটোৰ দৰে একলা দুকলাকৈ বাঢ়ি ষোল্ল বছৰীয়া গাভৰুজনী হ'ল। দেহত ষোল্লটা বসন্তই গৰকা যৌৱনৰ পয়োভৰ। মাক নোহোৱা বিমলা গাঁৱৰ সকলোৰে মৰমৰ পাত্ৰী। ৰূপে-গুণে অতুলনীয়া বিমলা লগৰীয়া ছোৱালীবিলাকৰ ইৰ্ষাৰো পাত্ৰী নোহোৱাকৈ থকা নাছিল। দেউতাকৰ ইচ্ছা পাৰিলে অতি সোনকালেই ওচৰৰে কোনো গুণবান পাত্ৰৰ হাতত বিমলাক গতাব আৰু তেওঁৰ সকলো মাটি-সম্পত্তি জোৱাঁইৰ হাততে গতাব। কাৰণ বিমলা আছিল নিচেই আজলী ছোৱালী। কিন্তু দেউতাকৰ আশা, আশা হৈয়ে ৰ'ল। এদিন বিমলাক সম্বন্ধীয় ভায়েক বাপুৰাম মানে মোৰ ককাদেউতাৰ হাতত গতাই নন্দেশ্বৰে সিপুৰীলৈ গতি কৰিলে। মাউৰী বিমলাই হিয়া ঢাকুৰী কান্দিলে। দেউতাকৰ মৃত্যুৰ পাছৰ পৰা বিমলা বাপুৰাম দদায়েকৰ ঘৰতে থাকিবলৈ ল'লে। শূণ্য হৈ পৰি ৰ'ল বিমলাৰ নিজা ঘৰ। বিমলাৰ দৰ্কাৰতকৈও অধিক মাটি সম্পত্তি আছিল। সম্পত্তি লুভীয়া বহুতো ডেকাই বিমলাক বিয়া কৰাবলৈ আগবাঢ়ি আহিছিল। কিন্তু বাপুৰামে বাৰুকৈয়ে জানিছিল যে ভতিজাকৰ পাণি-প্ৰাৰ্থীসকলে বিমলাতকৈয়ো বিমলাৰ সম্পত্তিৰ প্ৰতি আকৰ্ষিত হৈছিল বেছি। ইফালে বিমলায়ো মৰমী গাঁওখন আৰু পৈত্ৰিক ভেটিৰ ঘৰখন এৰি কালৈকো বিয়া হৈ যাবলৈ মান্তি নহ'ল। তাইক সেইখন ঘৰতে ৰাখিবলৈ হ'লে বাপুৰামৰ এটাই মাত্ৰ উপায় আছে, সেয়া হৈছে বিমলালৈ ঘৰ জোৱাঁই ৰখা। বিমলায়ো হয়তো মনে প্ৰাণে তাকেই বিচাৰিছিল; কিন্তু বিমলাৰ পাণি প্ৰাৰ্থীসকল তেনে প্ৰস্তাৱত কোনো মতেই মান্তি হোৱা নাছিল





এদিনাখনৰ কথা। সময় গধুলি। বাপুৰামৰ ঘৰত এজন আলহী ওলালহি। বয়স ত্ৰিশ-পয়ত্ৰিশ বছৰ। দেখাত মানুহজন ভাল যেনেই লাগিল বাপুৰামৰ। কথা বতৰা পতাৰ পাছত জানিব পৰা গ'ল যে লবাজনৰ ঘৰ ৰঙিয়াত, নাম শিৱেশ্বৰ কলিতা। পিতৃৰ নাম ৺জগদীশ কলিতা। এসময়ত তেওঁৰ মাক দেউতাক সকলো আছিল; কিন্তু বৰ্ত্তমান তেওঁৰ সংসাৰত আপোন বুলিবলৈ কোনো নাই। কাম বিচাৰি এইফালে আহিছিল। কিন্তু কাম এতিয়ালৈকে ক'তো পোৱা নাই। ৰাতিটোৰ বাবে আশ্ৰয় বিচাৰি বাপুৰামৰ ঘৰত সোমাইছে। বাপুৰামে আনন্দৰে থাকিবলৈ দিলে। জগদীশ কলিতাক বাপুৰামে চিনি পায়। এবাৰ বেপাৰ সংক্ৰান্তত তেওঁ ৰঙিয়ালৈ যাওঁতে জগদীশ কলিতাৰ ঘৰতে আলহী হৈছিল; কিন্তু মানুহজন ঢুকুৱাৰ কথা বাপুৰামে নেজানে।

কেৱে কিছু নোহোৱা শিৱেশ্বৰৰ প্ৰতি ঘৰখনৰ আতাইবোৰৰে স্বাভাৱিকতে মৰম উপজিল। পিছদিনাই যাবলৈ ওলোৱা শিৱেশ্বৰক প্ৰায় জোৰ কৰিয়ে বহুত দিন ৰাখিলে বাপুৰামৰ পত্নী জেউতিয়ে। মৰম আকলুৱা শিৱেশ্বৰেও থাকিবলৈ বিশেষ আপত্তি নকৰিলে।

এদিন বাপুৰামক জেউতিয়ে ক'লে ঃ "শিৱেশ্বৰক মোৰ বেছ ভাল লাগিছে। বলবুদ্ধি থকা ল'ৰা, তাতে আমাৰ লগত জাত-পাতো একে। সি যদি আপত্তি নকৰে বিমলালৈচোন তাকেই চপাব পাৰি। ইমান মৰম লগা কামিলা ল'ৰা এটা বিমলালৈ পোৱাটো ভাগ্যৰে কথা। তাতে সিয়ো কেৱে-কিছু নোহোৱা ল'ৰা। তুমি কেনে দেখা?"

বাপুৰামে কথাটো চিন্তা কৰি চালে। দুয়ো স্বামী-স্ত্ৰীৰ আলোচনাৰ অন্তত জেউতিয়ে এদিন বিমলাক সুধিয়ে পেলালে। বিমলাই কিন্তু একো ক'ব নোৱাৰিলে। লাজতে ৰঙা পৰি কিছু সময় খুৰীয়েকৰ আগত থিয় হৈ থকাৰ পাছত আচলেৰে মুখখন ঢাকি দৌৰ মাৰিলে। জেউতিয়ে বুজি পালে বিমলাৰ মনৰ কথা। পাছলৈ সুবিধা পালেই বিমলাক জোকাবলৈ ধৰিলে। দিন বাগৰিল। বাপুৰামে এদিন শিৱেশ্বৰৰ আগত প্ৰস্তাৱটো দাঙি ধৰিলে। শিৱেশ্বৰে কথাটো ভাবিলে। বিমলাক সি দেখিছে। তাইক পত্নী কৰি লোৱাত তাৰ কোনো আপত্তি নাই, কিন্তু ঘৰজোঁৱাই? ……… সি আকৌ চিন্তা কৰিলে ৰঙিয়ালৈ গৈনো সি কি কৰিব। সম্পত্তি বুলিবলৈ ভেটি মাটি ডোখৰেই আছে। বিমলাক ৰঙিয়ালৈ নি সি খোৱাব ক'ৰ পৰা। শিৱেশ্বৰ মান্তি হ'ল। দুদিনৰ কাৰণে ৰঙিয়ালৈ গৈ ঘৰ নোহোৱা ভেটী মাটিডোখৰ বিক্ৰী কৰি থৈ আহিল। তাৰ এমাহ পাছতে বিমলাৰ বিয়া হৈ গ'ল শিৱেশ্বৰৰ লগত। বিয়াৰ পাছত দুয়ো বিমলাৰ ঘৰটো থাকিবলৈ ললে। সিহঁতৰ দিনবোৰ অতি সুখেৰেই অতিবাহিত হ'ল। মাটি-বাৰীবোৰ শিৱেশ্বৰক বিমলাই দেখুৱাই দিলে। দদায়েক বাপুৰামে শিৱেশ্বৰক গৰু এহাল কিনি দিলে।

শিৰেশ্বৰ মনপুতি খেতিত লাগিল। বছৰ-বিলাক বাগৰিল। এটাৰ পাছত এটাকৈ সাতোটা বছৰ। এটা ছুটাকৈ সাতোটা বসন্ত। সাতোটা শীত। কিন্তু শিৰেশ্বৰ আৰু বিমলাৰ যুগ্মজীৱনলৈ তেতিয়াও তৃতীয়-জনৰ আগমন নহ'ল। আগমনৰ আশাও দেখা নগ'ল। বিমলা অশান্ত হৈ পৰিল। শিৰেশ্বৰে কিন্তু এই কথা বৰ অনুভৱ নকৰিলে আৰু কিছু কৰিছিল যদিও তাক বাহিৰত অন্ততঃ বিমলাক নেদেখুৱাইছিল। বিমলাই কিন্তু বাৰুকৈয়ে অনুভৱ কৰিলে। ল'ৰা-ছোৱালী নোহোৱা উকা ঘৰখন যেন বিমলাৰ কাৰণে অসহ্য হ'ল। তাৰ উপৰি —"কুলক্ষণীয়ে সন্তানৰ মুখ ক'ত দেখিব," "মাক-বাপেকৰ মূৰ খাইতীজনীয়ে সন্তানৰ মুখ দেখিবলৈ আশা পালি থাকক, হৈছে আৰু"—আদি গাঁৱৰ জীয়াৰী-বোৱাৰীবোৰে বিমলাই শুনক বুলি শুশুনাকৈ দিয়া মন্তব্যই বিমলাক বাৰুকৈয়ে থকা-সৰকা কৰিছিল। নিজকে সকলোৰে বাবে দায়ী কৰি লৈ বিমলাই নীৰৱে চকুপানী টুকিছিল। অসমীয়া চিকিৎসা বিমলাই বহুত কৰিলে; কিন্তু ফল নেপালে। শিৰেশ্বৰৰ হাঁহি-ভৰা মুখ-খনত যেন বিমলাই বিষাদৰ ছাঁ দেখিবলৈ পায়। অৱশেষত বিমলাই থিৰাং কৰিলে যে তাইৰ স্বামীয়ে পুনৰ বিবাহ কৰিব লাগিব। বিমলাই শিৰেশ্বৰৰ আগত কথাটো ক'লে। শিৰেশ্বৰে বিমলাৰ কথাৰ ঘোৰ প্ৰতিবাদ কৰিলে। আৰু এটা বছৰ বাগৰি গ'ল। বিমলাই শিৰেশ্বৰক পুনৰ সকিয়াই দিলে: "মোক যদি আপুনি সুখী কৰিবলৈ বিচাৰে; তেন্তে আপুনি পুনৰ বিয়া কৰক।" — শিৰেশ্বৰ এইবাৰ নীৰৱে ৰ'ল। শিৰেশ্বৰে বিমলাক সুখী কৰিবলৈ সকলো কৰিব পাৰে। সি যদি পুনৰ বিবাহ কৰিলে বিমলা সুখী হয়, তেন্তে .............. কিন্তু যেতিয়া বিয়াৰ পাছৰ ঘৰখনৰ কথা ভাবিলে, শিৰেশ্বৰ বৈ গ'ল, আৰু ভাবিব নোৱাৰিলে। তাৰ বুকুখন যেন বেদনাত ভাঙি গুৰি হৈ যাব।

অৱশেষত বিমলাই নিজে সকলো ঠিক কৰি স্বামীৰ বিয়া পাতিলে প্ৰায় তিনিমাইল দূৰৰ মণিৰাম শইকীয়াৰ জীয়েক পুনিমাইৰ লগত। পুনিমাই ন-কইনা হৈ ঘৰ সোমালহি। কিন্তু তাই আছিল বিমলাৰ সম্পূৰ্ণ বিপৰীত। তাই বিচাৰিছিল শিৰেশ্বৰক একেবাৰে নিজৰ কৈ পাবলৈ। তাত যেন বিমলাৰ স্থান নাই। বিয়াৰ এমাহমানৰ পাছৰে পৰা ঘৰখনত অশান্তিয়ে দেখা দিলে; ন-কইনা পুনিমাই যেন এইজনী নহয়। তাইৰ স্বামীয়ে বিমলাৰ লগত কথা পতা, বিমলাক কিবা কথা সোধা আদি কোনোমতেই সহ্য কৰিব নোৱাৰিছিল। শিৰেশ্বৰেও পুনিমাইক একো টান কথা কব নোৱাৰে, কেৱল বিমলাৰ কাৰণে, বিমলাৰ সুখৰ কাৰণে। কাৰণ পুনি-মাইক টান কথা কোৱাটো বিমলাই নিবিচাৰি-ছিল। ঘৰখন ভাঙনমুখী হ'ল। এদিন বিমলা নিজেই সেইখন ঘৰৰ পৰা ওলাই আহিল এৰাবাৰী পাম ঘৰলৈ বুলি। শিৰে-শ্বৰে একো মাতিব নোৱাৰিলে। বিমলা তাতেই সুখী, কাৰণ তাই এই সকলোবোৰ স্বামীৰ সুখৰ বাবেই কৰিছে। ফুলগুৰি গাঁৱৰ ঘৰত থাকিল শিৰেশ্বৰ আৰু পুনীমাই আৰু এৰাবাৰীৰ এটি জুপুৰী ঘৰত এক নিঃসঙ্গ জীৱন অতিবাহিত কৰিবলৈ ধৰিলে বিমলাই। চাওঁতে চাওঁতে এটা বছৰ বাগৰি গ'ল। যোৱা বছৰটোত পুৰণা ঘৰলৈ মাত্ৰ এদিন গৈছে, তাকো মাত্ৰ এঘণ্টা সময়ৰ কাৰণে। সেইদিনা বিমলাই পুনীমাইৰ পৰা কোনো ধৰণৰ ভাল ব্যৱহাৰ পোৱা নাছিল। বিমলাক দেখি তাইৰ চকুত দপ্ কৈ জ্বলি উঠিছিল একুৰা জুই। তাৰ কাৰণে বিমলাৰ কোনো আক্ষেপ নাই। তাই মাথোন চাবলৈ আহিছিল তাইৰ মৰমৰ ওপজা ঘৰখন আৰু বিচাৰিছিল স্বামীৰ শ্ৰীচৰণ যুগলৰ অকণমান পদধূলা শিৰত লবলৈ। পুনীমায়ে যেন তাকো সহ্য কৰিব নোৱাৰে। সেইদিনা বিমলা নীৰৱে ঘূৰি আহিছিল। শিৰেশ্বৰো আছিল নিমাত।

এদিন গাঁৱৰ মানুহৰ মুখৰ পৰা বিমলাই জানিব পাৰিলে যে পুনীমাইৰ এটি ছোৱালী জন্ম হৈছে। বিমলাক আৰু পায় কোনে। তাইৰ খুব মন গ'ল নৱজাত শিশুটিক এবাৰ ছুচকুৰে চাবলৈ। কিন্তু ভয় হ'ল পুনীমায়ে বা কি ভাবে। তথাপি তাই গ'ল। এবাৰ মাথোন আঁতৰৰ পৰা চালে অকণমান শিশুটিক। তাই আনন্দত আত্মহাৰা হ'ল। বিমলাৰ স্বামী শিৰেশ্বৰ সন্তানৰ পিতৃ হৈছে, ইয়াতকৈ আৰু তাইৰ বাবে আনন্দৰ কথা কি হ'ব পাৰে? বিমলা গাৱঁৰ পৰা ঘূৰি আহিল তাইৰ এৰাবাৰীৰ ঘৰলৈ। আৰু কেইটামান বছৰ পাৰ হৈ গ'ল। পুনীমাইৰ এইবাৰ এটি ল'ৰা সন্তান জন্ম হ'ল। বিমলাৰ হিয়া আনন্দই নধৰা হ'ল। এইবাৰো তাই চাই আহিলগৈ তাইৰ স্বামী শিৰেশ্বৰৰ বংশধৰক। পুনীমাইৰ সন্তানৰ মুখত তাই দেখিলে স্বামীৰ মুখৰ প্ৰতিচ্ছবি। তাৰ পাছত বিমলা পুৰণা ঘৰলৈ খুব কমেই গৈছে। স্বামীয়ে যদি সুখ পাইছে, তেন্তে তাইক আৰু কি লাগিছে! গাওঁখনেই বিমলাৰ আপোন ঘৰ। বাৰীখনৰ তামোল, পাণ, নাৰিকল আৰু পোহনীয়া ছাগলী কেইটা থাকোতে তাইক আৰু জীৱিকাৰ উপায় কি লাগিছে। এইদৰে বহুবছৰ পাৰ হৈ গ'ল। পুনীমায়ে ছোৱালীক বিয়া দিলে। ল'ৰালৈকো বিয়া কৰাই নাতিৰ মুখ দেখিলে। ইতিমধ্যে শিৰেশ্বৰেও পুতেকৰ বিয়াৰ দুবছৰ পাছতে বিমলা আৰু পুনীমাইৰ কপাল উকা কৰি সিপুৰীলৈ গতি কৰিলে। জীৱনৰ শেষ বয়সত গাঁৱৰ ঘৰলৈ গৈ পুনীমাইৰ মনত অশান্তি দিয়াৰ ইচ্ছা বিমলাৰ একেবাৰেই নাই। সেয়েহে বিমলা এৰাবাৰীৰ পাম ঘৰতে আজীৱন থাকি গ'ল। গাঁৱৰ ঘৰত নদন-বদন অৱ-স্থাৰে, পুতেক বোৱাৰীয়েক আৰু নাতি-নাতি-নীৰ সৈতে থাকিল পুনীমাই। --

কাহিনীটো পেহীদেৱে ইমানতে শেষ কৰিলে। মনতে ভাবিলোঁ।— বৰ্ত্তমান জাপ্তিহঁত থকা প্ৰকাণ্ড ঘৰটো তাৰমানে বিমলা জেঠাইৰ নিজা ঘৰ। মনটো কিবা খেলি-মেলি হৈ গ'ল। এটি গীতৰ কথা এফাঁকিয়ে মনৰ মাজত ভূমুকি মাৰিলেহি—

"...নিজৰে মজিয়া পৰক সঁপি আজি চোতালত হ'লোঁহি থিয়... ধান দাই আছিলোঁ ভূই ৰুই আছিলোঁ, পথাৰখন আছিলে মোৰে— আজি পথাৰখন দেখিবা মোকেহে নেদেখা মই ফুৰোঁ দূৰে দূৰে...... ।" —সচাঁকৈয়ে গীতটো যেন গীতিকাৰে জেঠাইক লৈয়ে লিখিছে,— মোৰ এনে লাগিল। জেঠাইৰ দৰে মানুহৰো যে ইমান কৰুণ জীৱন এটা থাকিব পাৰে মই বিশ্বাস কৰিবলৈ টান পালোঁ। ভাবিলোঁ— কলঙৰ এই এৰাস্তুঁতি আৰু এৰাবাৰীৰ লগত জেঠাইৰ জীৱনৰ কি অপূৰ্ব সাদৃশ্য।

বিমলা জেঠাইৰ জীৱন-কাহিনী শুনি শুনি আহোঁতে কেতিয়া যে জেঠাইৰ ঘৰৰ পদূলিমুখ পালোহি ক'বই নোৱাৰিলোঁ। এটি জুপুৰী ঘৰ। কিন্তু ঘৰৰ চোতালচোন বহুত মানুহে জুম পাতি আছে। .........আৰু সেয়া চোতালৰ তুলসীজোপাৰ তলত বগা কাপোৰেৰে কাক ঢাকি থৈছে? .........তেন্তে বিমলা জেঠাই কি গুচি গ'ল! .........নাই নাই ই হ'ব নোৱাৰে। জেঠাই কেতিয়াও ......... কাৰোবাৰ উচুপনি শুনি ঘূৰি চালোঁ— পেহীদেউক দেখিলোঁ। মনতে কলোঁ—কান্দা —কান্দা পেহীদেউ, পাৰিলে বেছিকৈ কান্দা। চোতালত থকা মানুহ এজনেও কান্দা নাই। তুমি নেকান্দিলে জেঠাইৰ বাবে কান্দোতা পৃথিৱীত কোনো নাই। "ছেঃ। মানুহজনীৰ লগতে ঘৰটোও পেলনি গ'ল নহয়। ভিতৰত জীৱ গ'ল। মৰাৰ সময়ত ওচৰত কোনো নথকাত পানী এটোপাও মুখত দিয়া নহ'ল।" —কোনোবাই সমবেদনা জনোৱা কাণত পৰিল। খং উঠি গৈছিল। মনতে ক'লো তোমাৰ ঘৰটোলৈহে মৰম বেছিকৈ লাগিল হবলা।

চোতালৰ তুলসীৰ তলত বগা কাপোৰেৰে ঢাকি থোৱা জেঠাইৰ মৃতদেহটোলৈ কিমান সময় চাই আছিলোঁ ক'ব নোৱাৰো। মোৰ অজানিতে ছটোপাল চকুৰ পানী কোন ছটাত জমা হৈছিলহি। মচিবৰ মন নগ'ল। চকুৰ আগত ভাঁহি উঠিল এমোকোঁৰা তামোলেৰে হাঁহিভৰা বিমলা জেঠাইৰ মুখখন। জেঠাইৰ হাঁহিভৰা মুখখনে যেন মোক উদ্দেশ্য কৰি কৈছে— "চা সোণ্টি! তথাপিতো মই কিমান বেছি সুখী।" —মই চকুহুটা যিমান পাৰো সিমান জোৰ কৰি মূদি দিলোঁ। ০ ০ ০



শ্ৰীস্বপ্না নেওগ
স্নাতক ২য় বাৰ্ষিক

# 'শীতৰে সেমেকা পুৱতি'

প্ৰথম শীতৰ এইজাক মৃহ ৰৰষুণ। শীতৰ আগমনিত এনে এজাক ৰৰষুণ সকলোৰে প্ৰিয়। কোনোবা নিৰ্জন কোঠাত শুই শুই আকাশৰ তৰা গণা কোনোবা আনমনাৰ বাবে ইয়াৰ সোৱাদ হেঁপাহ নপলোৱা। এনে এটি মৃহ মধুৰ পৰিবেশত এয়া ৰাচিৰ মানসিক চিকিৎসালয়। ৩ নং ৱাৰ্ডত বিচনাত বাগৰি থকা কাকলিপ্ৰিয়া নামৰ সেই ধুনীয়া ছোৱালীজনীয়ে আমাক উচুপি-উচুপি কৈছে: তাইৰ বসন্তই গৰকা যৌৱনৰ প্ৰেমৰ সেই কাহিনী আৰু সমাজৰ মগ্ন বহুত কথা। তাইক দেখিলে কোনে ক'ব সুদীৰ্ঘ তিনিটা বছৰ তাই প্ৰলাপ বকিছে, প্ৰত্যাখিত প্ৰেমৰ গভীৰ চিত্ৰ আঁকিছে। কিন্তু তাই আজি সুস্থ। এয়া ডাঃ সুজিত চৌধুৰীৰ কৃতিত্ব নে সুন্দৰৰ তাইৰ প্ৰতি আশীৰ্বাদ আমি নাজানো।

মই তেতিয়া স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। এটি শিক্ষামূলক ভ্ৰমণৰ বাবে আমি ভাৰতৰ বিভিন্ন ঠাইলৈ গৈছিলোঁ আৰু তাতে সম্পূৰ্ণ সাতাইশ দিন কটাইছিলোঁ। এই চিকিৎসালয়ৰ মানসিক ৰুগীয়াসকলৰ মাজত। ডাঃ চৌধুৰীক আমি এনে এটি মানসিক দুৰ্ঘটনা বিচাৰিছিলোঁ য'ত আমাৰ শিক্ষাক আমি কিছু ব্যৱহাৰ কৰিবলৈ সুবিধা পাওঁ। তেওঁ আমাক এই কাকলিপ্ৰিয়া দত্ত নামৰ নিয়ৰসিক্তা গোলাপৰ দৰে ধুনীয়া মানসিক ৰোগী গৰাকীৰ ওচৰলৈ লৈ গৈছিল। কিন্তু মই সৰগ পৰা মানুহৰ দৰে হতবম্ব হৈ গৈছিলোঁ; কাৰণ এয়া যে যোৰহাট চহৰৰ

চহৰৰ এ, অ, চি, ইঞ্জিনিয়াৰ অভিজিৎ দত্তৰ প্ৰথমা কন্যা মোৰ বাইদেউৰ বান্ধৱী কাকু বাইদেউ। কটন হোষ্টেলত কাকু বাইদেউক মই সৰুতে বহুবাৰ লগ পাইছোঁ। দীঘল চুলিৰে খুব মৰম লগা সেই কাকু বাইদেউ আজি ৰাচিৰ মানসিক চিকিৎসালয়ত। এয়া কেনেকৈ সম্ভৱ হ'ল ? মোৰ মন গ'ল ডাঃ চৌধুৰীক যেন চিঞৰি চিঞৰি সুধিম, কাকু-বাইদেউ কেনেকৈ পাগল হ'ল ?

আমি অধ্যক্ষ ডাঙৰীয়াৰ অনুমতি লৈ আমাৰ তত্ত্বাবধায়কসকলৰ সৈতে আহিনৰ প্ৰথম শীতে গৰকা চিকিৎসালয়ৰ সেউজী উদ্যানৰ মাজেৰে আগবাঢ়িলোঁ ১নং ৱাৰ্ড উদ্দেশ্যে। তাত এটি যোল্ল বছৰীয়া লৰাই বিছনাত শুই হাতেৰে শূণ্যত কিবা আঁকিছে। তাৰ কক্ষত আমাৰ আগমনিৰ প্ৰতি তাৰ অলপো ভ্ৰূক্ষেপ নাই। কেৱল হাতেৰে ইঙ্গিত দিছে, শূণ্যত আঙুলি বুলাইছে, পুনৰ মচিছে। ২নং ৱাৰ্ডলৈ আহিলোঁ, তাত এগৰাকী উন্মাদ বৃদ্ধা। আমাৰ লগত অহা ডাঃ চৌধুৰী আৰু তেওঁৰ সহকৰ্মী ডাঃ কাননৰ পৰা গম পালোঁ বৃদ্ধাৰ ওপৰেৰে আঠ চল্লিশটা বসন্ত বাগৰিছে। ফুলশয্যা নিশা স্বামীৰ অকাল বিয়োগত তাই উন্মাদ হ'ল আৰু আজি চব্বিশ বছৰৰ পাছতো তাই এটি সুস্থ মন ঘূৰাই পোৱা নাই। মনটো বেদনাৰে ভৰি পৰিল। মনে মনে ভাবিলোঁ ফুলশয্যা বৃদ্ধাৰ বাবে চিৰ দিন মৃত্যুশয্যা হৈয়ে ৰবনে ? কি বিচিত্ৰ পৃথিবী ! কালৰ কি অন্যায় অভিশাপ।

তাৰ পাছত আমি লগ পালোঁ কাকলি-প্ৰিয়াক সেই ৩নং ৱাৰ্ডত। তেতিয়া সম্পূৰ্ণ উন্মাদ তাই। আঁতৰৰ পৰা নিৰীক্ষণ কৰিলোঁ, দেখিলোঁ তাই ছবি আঁকিছে। কি অপূৰ্ব তাইৰ হাতৰ কলা। ডাঃ চৌধুৰীৰ পৰা গম পালো তাই এইদৰে সদায় ছবি আঁকে। সেইবাবে তাইক যোগান ধৰা হৈছে অঙ্কনৰ সকলো সজুলি। তাই ছবিবোৰ আঁকে আৰু ফালে, কেতিয়াবা কোনোখন সযত্নে গাৰুৰ তলত লুকুৱাই থয়।

আমি তাৰ পৰা ওলাই আহিলোঁ। ডাঃ চৌধুৰীৰ লগত আমি তেওঁৰ চেম্বাৰলৈ গলোঁ। তেওঁ আমাক কেইখনমান ছবি দেখুৱালে, অতি সুন্দৰ সেই কেইখনৰ ৰঙৰ সংমিশ্ৰণ। তাৰে দুখন ছবিক উদ্দেশ্য কৰি ডাক্তৰে আমাক কলে— "এই দুখন কাকলিয়ে যোৱা-কালি আঁকিছে, ছবিৰ মাজত তোমালোকে কিহৰ সন্ধেদ পাইছা বাৰু ?" আমি ছবি দুখন চালোঁ, এখনত এজোপা ৰঙা গোলাপ, কিছুমান ফুল ফুলিছে কিছুমানে মাথো মিচি-কিয়াইহে। তাৰে এপাহ যৌৱন উল্লাসত হালি থকা ফুলত এটি ভোমোৰা পৰিছে আৰু তাৰ দেহ ৰেণুৰে ৰঞ্জিত কৰি উৰা মাৰি আন এপাহ ফুলত পৰিছে গৈ। আগৰ ফুলপাহৰ পাপৰিবোৰ এটি এটিকৈ খহি পৰিছে তলৰ দুবৰী ডৰাত। ফুলপাহৰ ঠাৰি ডালত ৰৈ গৈছে তাৰ লঠঙা বেটুপাতটি। আনখনত এজন পুৰুষে আঙুলি জোকাৰি কাৰোবাক কিহবাৰ নিৰ্দ্দেশ দিছে।

ছবিৰ মৰ্ম আমি সম্যকভাবে উপলব্ধি কৰিব নোৱাৰিলোঁ। চৌধুৰীদেৱক অনুৰোধ কৰিলোঁ ছবিৰ প্ৰকৃত অৰ্থ আমাক কবলৈ। তেতিয়া মানসিক চিকিৎসক সুজিত চৌধুৰীয়ে এটি প্ৰাণ খোলা হাঁহি মাৰি আমাক নিঃচুপ কৰি ত্ৰিশ বছৰীয়া তেওঁৰ মানসিক চিকিৎসাৰ তৃপ্ত অভিজ্ঞতাৰে আৰম্ভ কৰিলে এটি নতুন অধ্যায়।

এদিন কাকলিয়ে বাল্যতাক বিদায় দি যৌৱনক আকোৱালী লৈছিল। যৌৱনৰ পুৱতি নিশাতে তাইৰ ৰূপৰ পয়োভৰে বহুত ডেকাক বলীয়া কৰিছিল। তাই তেতিয়া দশম মানৰ ছাত্ৰী। কাকলিৰ আচৰণ সৰুৰে পৰা আছিল কিছু অন্য ধৰণৰ। তাই ভাল নাপাইছিল আভিজাত্যৰ গৌৰৱ আৰু সম্পত্তিৰ মিছা অভিমান। সেই হে নেকি যাৰ শান্ত হৃদয়ত তাই আজীৱন জুৰ লোৱাৰ সপোন দেখিছিল তেওঁ আছিল এজন নিৰীহ শিক্ষকৰ লৰা। কাকলিৰ দেউতাক আছিল অত্যন্ত খঙাল এজন অসামাজিক লোক। অভিজিৎ দত্তৰ হৃদয়ত সোমাই থকা সচাঁ মানুহজনে নিজৰ সৰলমনা পত্নী আৰু মৰমৰ সন্তান কেইটিক কিয় ইমান শাসন কৰিছিল, কিয় প্ৰতি পদে পদে নজৰ ৰাখিছিল সেয়া তেওঁৰ বাহিৰে আনে নাজানে। তেওঁ মানুহজন অত্যন্ত জটিল। তেওঁ ভাবে জীয়েকহঁতে আনন্দৰে যি মন যায় খাওঁক, চাৰিবেৰৰ মাজত যি মন যায়, তাকেই কৰক কিন্তু বাহিৰৰ পৃথিৱীৰ লগত সিহঁতৰ ঘনিষ্টতা তেওঁৰ মুঠেই সহ্য নহয়। এনে এটি অশান্ত পৰিবেশত ডাঙৰ হোৱা কাকলিয়ে প্ৰতি পলে পলে উপলব্ধি কৰিছিল এখন সুস্থ সমাজ গঢ়ি তোলাৰ। যিখন সমাজত নাৰী আৰু পুৰুষৰ সমান অধিকাৰ। এনে এখন সমাজ গঢ়িবলৈ তাইক গোপন অনুপ্ৰেৰণা দিলে প্ৰশান্ত প্ৰতিম চলিহা নামৰ সেই লৰাজনে, যিজনৰ এক শান্ত চাৱনিত কাকলিৰ প্ৰেমৰ পদূলি উছুলি মুছুলি হ'ল।

প্ৰশান্ত প্ৰতিম সেই চহৰৰে এজন প্ৰাথ-মিক স্কুলৰ শিক্ষক সুশান্ত চলিহাৰ লৰা। আৰ্থিক কাঠিন্যৰ বাবে সুশান্ত চলিহাই স্কুল শিক্ষকতাৰ বাহিৰেও বহুতৰ ঘৰুৱা শিক্ষক হিচাপে নিযুক্তি পাইছিল আৰু এই মৰ্মেই কাকলিহঁতৰ ঘৰৰ লগত তেওঁৰ সম্বন্ধ। কিন্তু আজি এমাহৰ পৰা দেউতাকৰ অসুখৰ বাবে প্ৰশান্তই কাকলিক পঢ়াব লগা হ'ল। প্ৰশান্ত সেই বাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ মাজেৰে দুয়ো দুয়োৰে কাষ চাপিল। অজানিতে দুয়ো দুয়োকো ভাল পাই পেলালে মনে-প্ৰাণে আৰু হৃদয়ৰ সমগ্ৰ সত্বাৰে।

কাকলিয়ে প্ৰবেশিকা আৰু প্ৰশান্তই প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষা সুখ্যাতিৰে পাচ কৰিলে। প্ৰশান্তই আৰ্থিক দুৰবস্থাৰ বাবে পুনৰ পঢ়াৰ আশা এৰি চাকৰীৰ সন্ধানত ঘূৰিল। কিন্তু কাকলিৰ অনুপ্ৰেৰণা আৰু আশাই তাক যোৰহাট ইঞ্জিনিয়াৰিং কলেজত ভৰ্ত্তি কৰালে। চৰকাৰী সাহায্যৰে সি তাতেই পঢ়িব লগা হ'ল একমাত্ৰ কাকলিৰ বাবে। কিন্তু কাকলি দেউতাকৰ আদেশত আঁতৰি আহিল সুদূৰ গুৱাহাটী চহৰলৈ। ছাত্ৰীবাসত থাকি তাই কটন কলেজত আৰম্ভ কৰিলে কলেজীয়া জীৱনৰ পাতনি। এতিয়া দুয়ো

দুয়োৰে পৰা বহু আঁতিৰত কিন্তু মন যেন দুয়োৰে একেটি ফুলৰ পাহি আৰু ৰেণু। কাকলিয়ে কলেজীয়া জীৱনত বহুতক লগ পালে কিন্তু সেই সকলো প্ৰশান্তৰ কাষত যেন তেনেই নিস্প্ৰভ। সিহঁতে প্ৰশান্তৰ শান্ত মূৰ্ত্তি তাইৰ হৃদয়ৰ পৰা ম্লান কৰিব নোৱাৰিলে।

ছাত্ৰীবাসত দুবছৰ কটাই প্ৰাক্ বিশ্ব-বিদ্যালয় ফাইনেল দি কাকলি উভতি আহিল অশান্ত ঘৰৰ চাৰি বেৰৰ মাজত যেন জীয়াতু ভূগিবলৈ। তাই পুনৰ লগ পালে প্ৰশান্তক যাৰ বাবে তাইৰ জীৱনৰ সকলো সাধনা। কিন্তু এয়া কৰ্ত্তব্যৰ আহ্বান নে কালৰ অভিশাপ নাজানো। হঠাৎ চৰকাৰে এটি শকত বৃত্তি দি প্ৰশান্তক খৰগপুৰলৈ পঠালে, কাকলি অকলশৰীয়া হ'ল। প্ৰশান্তৰ এখন শান্ত প্ৰতিচ্ছবি মাথো তাইৰ হৃদয়ত ৰৈ গ'ল মুচিব নোৱাৰাকৈ।

কাকলিয়ে পি, ইউ, পাচ কৰিলে। তাৰ পাছত দুটা বছৰ পাৰ হ'ল। বছৰৰ বুকুত সৰু-সুৰা ঘটনাই বাগৰ সলালে। কাকলিয়ে বি, এ, দিলে আকৌ বিৰক্তি লগা ঘৰুৱা শাসন! কিন্তু এইবাৰ তাই দৃঢ়মনা, পুৰণিক সাৰ্ট্ৰ টি তাই আৰু নিমাতী হৈ নাথাকে। তাই দেউতাকক সংশোধন কৰিব। কিন্তু তাই বিফল হ'ল। অভিজিৎ দত্ত আগৰ দৰেই থাকিল।

ইতিমধ্যে তাই প্ৰশান্তৰ চিঠি পালে যে সি অলপতে আহিব, কাৰণ তাৰ দুবছৰীয়া অধ্যয়ন শেষ হ'ল আৰু অসমতে চাকৰী হ'ব। তাইৰ খুব ভাল লাগিল। প্ৰশান্তৰ কৃতকাৰ্য্যতা আৰু বেচি ভাল লাগিল প্ৰশান্তক কাষত পোৱাৰ কথা ভাবি। কিন্তু জীৱনৰ গতিপথ ইমান কণ্টকহীন নহয়। আকৌ তাইৰ জীৱনলৈ আহিল নতুন পৰীক্ষা। দেউতাকে নগাঁৱৰ এজন ডি, এফ, অ, ৰ লগত বিয়াৰ আয়োজন চলালে। তাই মাকৰ কাষত হিয়া উবুৰিয়াই কান্দিলে। কিন্তু মাকৰ বাৰু কি হাত আছে এই বিয়াত? মাক মাথো এটি স্প্ৰিংৰিং দিয়া পুতলা! প্ৰয়োজন হ'লে চুইচ টিপিব প্ৰয়োজন শেষ হলে পুনৰ নীৰব।

কালিলৈ বাসন্তী পূৰ্ণিমা। এনে এটি পূৰ্ণিমাতে তাইৰ জন্ম আৰু এই পূৰ্ণিমাত তাইক আঙঠি পিন্ধাবলৈ আহিব নগাঁৱৰ হিমজ্যোতি চহৰীয়া। কিন্তু এয়া কেনেকৈ হ'ব পাৰে। মন জানো দুজনক দিব পাৰি! তাই কঠোৰ হ'ল নিজকে প্ৰস্তুত কৰি তাই কান্দি-কান্দি দেউতাকক কলে: তাই যদি জীৱনত বিয়া হয় তেন্তে সেই বিয়াৰ বৰ প্ৰশান্তৰ বাহিৰে আন হ'ব নোৱাৰে। এপাহ ফুল বহুত দেৱতাৰ পূজাত লগাব নোৱাৰি। কিন্তু দেউতাকে সেই কথা মানি ল'ব নোৱাৰিলে, কাৰণ প্ৰশান্তৰ অভিজিৎ দত্তৰ দৰে বংশ-মৰ্য্যাদা— ধন-দৌলত আছিল জানো?

বাসন্তী পূৰ্ণিমাৰ পুৱতি নিশাতে চহৰখনত এটি গুঞ্জন উঠিল। সুশান্ত মাষ্টৰৰ পুতেকে এজনী পাঞ্জাবী ছোৱালী বিয়া কৰাই ঘৰলৈ আনিছে আৰু ঘৰত হৈ-চৈ লাগিছে। পুৱতি গাভৰু হ'ল— কাকলিৰ কাণ চুলেগৈ সেই আচৰিত বাতৰিয়ে। কিন্তু তাই বিশ্বাস কৰিব নোৱাৰিলে এই সকলো। দুপৰীয়া পিয়নজনে দুখন চিঠি দি গ'ল। এখন অভিজিৎ দত্তৰ, আনখন কাকলি প্ৰিয়াৰ। ডাক-তাঁৰৰ বেমেজালিত চিঠি দুখন অহাত কিছু পলম হ'ল। কাকলিয়ে চিঠি খুলিলে, একেলগে অভিজিৎ দত্তই। অভিজিৎ দত্তৰ চিঠিখনত লিখা আছিল: চৰকাৰী ধন আত্মসাৎ কৰাৰ বাবে আপোনাক কামৰ পৰা বৰখাস্ত কৰা হ'ল। আনখন প্ৰশান্তৰ, লিখিছে: কাকলি মই চন্দ্ৰজিতাক বিয়া কৰালোহি, এপ্ৰিলত ঘৰ পামগৈ! ক্ষমা কৰিবা— 'প্ৰশান্ত'

ঘৰখনত কন্দা-কটা লাগিল কিন্তু কাকলিয়ে কন্দা নাই। এখন গাড়ী আহি সিহঁতৰ গেটত ৰল। এজাক মানুহ নামি আহিল। এজন কাৰ্ত্তিক পুৰুষে কলিং বেলটি টিপিলে। হঠাৎ কাকলিয়ে খুব জোৰে হাঁহি দিলে আৰু অচেতন হৈ পকাত পৰি গ'ল।

সেই বাসন্তী পূৰ্ণিমাতে কাকলিয়ে মানসিক শক্তি হেৰুৱালে। আজি তিনি বছৰ তাই উন্মাদ। কিন্তু আৰু প্ৰায় বিশ দিন-মানৰ পাছত তাই মানসিক শক্তি ঘূৰাই পোৱাৰ আশ্বাস ডাঃ চৌধুৰীয়ে আমাক দিলে।

অসমৰ কেচাঁ মাটিত ফুলি উঠা এপাহ ৰক্ত গোলাপৰ যৌৱনৰ প্ৰথম প্ৰেমৰ অকাল যৱনিকাত আমি বিৰহকাতৰা হলোঁ। অন্যহাতে আমি আচৰিত হলোঁ ডাঃ চৌধুৰীৰ মানসিক চিকিৎসাৰ কৃতকাৰ্য্যতাত। প্ৰত্যাখিত প্ৰেমৰ তাড়নাত উন্মাদ হোৱা এইজনী কাকলিৰ এখন ছবিৰ মাজত লুকাই থকা মনটিৰ বেদনা ডাঃ চৌধুৰীয়ে কেনেদৰে উপলব্ধি কৰিলে বাৰু? এয়াই বোধহয় মনঃতত্ত্বৰ অপূৰ্ব কৃতকাৰ্য্যতা।

আজি একৈশ দিনৰ পাছত আমি আকৌ সেই মানসিক চিকিৎসালয়ৰ ৩নং ৱাৰ্ডটিলৈ গলোঁ। লগ পালোঁ এজনী সুস্থ সবল কাকুবাইদেউক। মোক চিনি পালে। এয়াহে কটন হোষ্টেলৰ সকলোৰে মন জয় কৰা মৰমিয়াল কাকুবাইদেউ। বহুত কথা পাতিলোঁ। তাই যৌৱনৰ সকলো প্ৰেমৰ কাহিনী শুনালে আৰু দুটা দিনৰ পাছত তাই উভতি যাব সুদূৰ যোৰহাট চহৰত তাইৰ বাবে অধীৰ হৈ থকা মাকৰ মৰমী হৃদয়ৰ মাজলৈ। কিন্তু প্ৰশান্তৰ শান্ত হৃদয়ত জুৰ লবলৈ নহয়। সি তাইৰ বাবে ভাঙিব নোৱাৰা এটি সাঁথৰ হৈয়ে ৰ'ল! প্ৰশান্তৰ শান্ত সৰসীত তাইৰ বাবে পানী নাছিল, আছিল শূন্যতা।

কৰ্ত্তব্যৰ আহবানত আমি কাকুবাৰ পৰা বিচিন্ন হলোঁ। বহু দিন হৈ গ'ল, কাকুবাৰ কোনো খবৰ আমি লোৱা নাই আৰু পোৱাও নাই। কিন্তু প্ৰত্যেক বাসন্তী পূৰ্ণিমাত কিয় জানো মোৰ মনত পৰে কাকুবাইদেৱে কোৱা সেই কথাষাৰ: সাতুৰিব নাজানিলে যিমানেই শান্ত নহওঁক সৰসীত নানামিবা। তুমি তাৰ তলীখন নেদেখা। সৰসীবোৰ ইমান গভীৰ।

০ ০ ০

শ্ৰীকল্পনা দেৱী
স্নাতক শ্ৰেণী ২য়, বাৰ্ষিক

# "ভগ্নাৱশেষ"

[ অনামিকা বৰুৱাৰ জীৱনৰ ভগ্নাৱশেষখিনি পৰি বৈছিল দিপীমালৈ দিয়া শেষ চিঠিখনত, পৰি বৈছিল আলিবাটৰ সেই কেকুৰিটোত য'ত তাইৰ অশান্ত দেহটো ভগা গ্লাচৰ টুকুৰাৰ দৰে থানবান হৈ গ'ল—, য'ত তাইৰ অশান্ত দেহ তেজেৰে লুটুৰি-পুটুৰি হৈ ধৰাৰ বুকুৰ অকণমান এটুকুৰা ঠাইত শুই পৰিছিল, য'ত তাই বেদব্ৰত কটকীৰ লৈ থকা ফটোখন বুকুৰ মাজত লৈও হত্যা কৰিব বিচাৰি নোৱাৰি হত্যা কৰিলে নিজক । ]

দূৰৈত এলানি পৰ্বতমালা । সেই পৰ্বতমালাৰ ওপৰত বৰফৰ টুকুৰাবোৰ জিলিকি উঠিছে যেন এখনি বগা ছাদৰ হে তৈয়াৰ কৰিছে । দেখিলে ভাৱ হয় কোনোবা সন্ন্যাসীৰ তপস্যাৰ বলতহে যেন এই সুন্দৰতাৰ সৃষ্টি হৈছে । সেই পৰ্বতমালাৰ কাষেদিয়েই বৈ গৈছে এটি শান্ত জুৰি । সেই জুৰিটিতেই যেন বেলিটোৰ গোপনীয় সৌন্দৰ্য্য প্ৰকাশ পাইছে । সেই সৌন্দৰ্য্যকে আকোঁৱালি ল'বলৈ এজাক বগলী শাৰী পাতি উৰি আহিছে । দেখি এনেহে লাগে সৌন্দৰ্য্য ৰচনাত যেন সিহঁতৰো বহুত অৱদান আছে । প্ৰকৃতিৰ কি এক সুন্দৰ ৰূপ ! প্ৰকৃতি দেৱীয়েও যেন এনে সৌন্দৰ্য্যৰে ভৰা ৰাতিপুৱাটোক ওলগ জনাবলৈ পুৰণা সাজ সলাই নতুন সাজেৰে সজ্জিত হৈ ওলাই আহিছে । কিন্তু এয়া কি ? হঠাৎ যেন প্ৰকৃতি দেৱীৰ এই সৌন্দৰ্য্যৰ ওপৰত অভিমান জাগি উঠিল । প্ৰকৃতি দেৱীৰ সেই অভিমান ভাঙিবলৈ মেঘেও যেন চকুলো পেলাইছে । বাহিৰত টিপ টিপ বৰষুণ । লগে লগে মোৰ সৌন্দৰ্য্য উপভোগ কৰি থকা সৌন্দৰ্য্য-পিপাসু মনটিয়ে ডেউকা মেলিলে এটা হেৰাই যোৱা অতীতলৈ । এৰা, এটা ঠাণ্ডা বতৰে মানুহক লৈ যায় এটা উকা পৰিবেশলৈ য'ত নাই কোনো প্ৰত্যুত্তৰ, য'ত নাই কোনো কোনো অৱকাশ, য'ত নাই কোনো সান্ত্বনা, আছে মাথো শূণ্যতা আৰু বেদনা । অন্তৰখন কান্দি উঠিছিল এজনী অনামিকাৰ বাবে । হেৰাই যোৱা অতীতটোৰ লগতে হেৰাই গৈছিল মোৰ প্ৰিয় বান্ধৱী অনামিকা বৰুৱা । জীৱনটোক তুচ্ছ জ্ঞান কৰি অতি সাধাৰণ ভাৱে জীৱনটো সজাই তুলিছিল এই অনামিকাই ।

আজি প্ৰায় দুবছৰৰ আগৰ কথা । ধনীৰ দুলালী অনামিকাৰ লগত কটন কলেজৰ একেখন দুৱাৰৰ একেটা কোঠাতে আছিলোঁ । প্ৰথম চিনাকীতেই তাই মোক কৈছিল দিপীমা তোমাৰ আৰু মোৰ মাজৰ বন্ধুত্ব চিৰদিন ৰক্ষি ৰাখিব পাৰিব জানো ? মই কথা দিছিলোঁ পাৰিম বুলি । তেতিয়াৰ পৰাই কটকটীয়া হৈছিল আমাৰ বন্ধুত্ব । লগে লগে তাই আৰম্ভ কৰিছিল বন্ধুত্ব আৰু অতি সহজেই দিপীমাৰ ঠাইত তাই মোক দিপী বুলি মাতিছিল । অতি ঠাণ্ডা ছোৱালী অনামিকাজনীৰ লগত থাকি মইও অতি সুখী অনুভৱ কৰিছিলোঁ । ছাত্ৰীবাসৰ এটা হুলস্থূলীয়া পৰিবেশৰ মাজতেই আমাৰ কোঠাটোত সদায় বিৰাজ কৰিছিল এটা শান্ত পৰিৱেশে । অতি কম সময়ৰ ভিতৰতেই অনামিকাৰ বহুমূলীয়া প্ৰতিভা প্ৰকাশ পাইছিল । কিন্তু প্ৰতিভাই অনামিকাৰ মাজত চিৰন্তন জাগৰণ দি ৰাখিব নোৱাৰিলে । এদিন হঠাৎ অনামিকাৰ জীৱনত উদয় হ'ল বেদব্ৰত কটকীৰ । ঘৰৰ পৰা খবৰ আহিল অনামিকাৰ বিয়া । এই খবৰে মোক আৰু অনামিকাক অলপো শান্তি দিব পৰা নাছিল । এনেকৈয়ে বেদব্ৰত কটকীয়ে আমাৰ বন্ধুত্বৰ বান্ধটো মুকলি কৰি দিছিল । আৰু অনামিকা ? গহীন অনামিকাজনী যেন আৰু গহীন হৈ পৰিল । মোৰ মনৰ মাজত প্ৰশ্নৰ উদয় হ'ল কিয় অনামিকাৰ মাজত এই পৰিবৰ্ত্তন ? ধনীৰ দুলালী হৈও অনামিকাৰ অন্তৰখন কিয় ইমান বিষাদভৰা । উত্তৰত তাই কৈছিল ধনে মানুহক যি সুখ দিয়ে সেই সুখৰ কোনো মূল্য নাই দিপী । আকাশৰ তৰাৰ দৰেই মোৰ জীৱনত যি দুখৰ ঢৌ উঠিব সেইয়া কোনেও খহাব নোৱাৰিব । এইটো সময়ত মই তাইৰ ওচৰত অতি দুৰ্বলতা অনুভৱ কৰিছিলোঁ । একো নুবুজি মই মাথো তাইৰ মুখলৈ চাই ৰ'লোঁ । তাই আকৌ ক'বলৈ ধৰিলে জান দিপী, যিটো ল'ৰাই মোক বিয়া কৰাব খুজিছে সি এটা লম্পট, জুৱাৰী— নাম বেদব্ৰত কটকী । তেওঁ হয়তো মোৰ অন্তৰ নিবিচাৰিব, বিচাৰিব মাত্ৰ দেউতাৰ সম্পত্তি । কিন্তু মা-দেউতাই বেদব্ৰত কটকীৰ ভিতৰৰ মানুহজনক দেখা নাই । চিনি পাইছে মাথোন বাহিৰৰ ভদ্ৰতাৰ মুখা পিন্ধা মানুহজনকহে । মই কৰিব লগীয়া সেই সময়ত একোৱেই নাছিল । ঠিক তাৰিখত অনামিকাৰ বিয়া হৈ গৈছিল অতি ধুমধামেৰে । কিন্তু সেই নিয়াই কঢ়িয়াই আনিলে তাইৰ জীৱনলৈ এক দুৰ্বোধ্য সাথৰ । লাহে লাহে বেদ্ৰব্ৰত কটকীৰ লম্পট চৰিত্ৰ প্ৰকাশ পাবলৈ ধৰিলে । তাই হয়তো জনা নাছিল যে তাইৰ বিয়াৰ সাক্ষীস্বৰূপ হোমৰ

জুই বেদব্ৰত কটকীৰ জীৱনৰ দ্বিতীয় বিবাহৰ হোম। তুখৰ জানো তাতেই অৱসান ঘটিল ? পুনৰ তাই সাজু হ'ব লগা হ'ল জীৱনটোৰ আন এক পৰীক্ষাৰ বাবে। লাহে লাহে তাইৰ দেউতাকৰো মৃত্যু হ'ল। পিতৃহীন সম্পত্তি আৰু মাকক লৈ তাই বৰ অসহায় বোধ কৰিলে। হয়তো বেদব্ৰত কটকীয়েও এইখিনি সুবিধালৈকেহে বাট চাই আছিল। এদিন হঠাৎ তাইক বেদব্ৰত কটকীয়ে শুনাবলৈ ধৰিলে-- "তুমি নাজানিলা অনামিকা যে তোমাতকৈও ধুনীয়া বহুত বিলাসিতাপূৰ্ণ আধুনিকা নাম সুনিতা বৰুৱা মোৰ বাবে এতিয়াও বহুত দূৰত বাট চাই আছে। মই মাত্ৰ আশা কৰিছিলোঁ তোমাৰ পৈতৃক সম্পত্তিক, তোমাক নহয়। হয়তো এই সম্পত্তিৰেই বহুত বিলাসেৰে সুনিতাৰ লগত জীৱন কটাম অণু। সচাঁকৈয়ে এদিন বেদব্ৰত কটকীয়ে অনামিকাক অকলশৰীয়া কৰি গুচি গৈছিল বহুত দূৰলৈ। তেতিয়াৰ পৰাই আৰম্ভ হৈছিল তাইৰ এক নতুন জীৱন। জীৱনৰ শেষ পৰীক্ষাত তাই উপনীত হ'ল। জীৱনটোৰ ওপৰত প্ৰতিশোধ লবৰ বাবে তাই সাজু হৈছিল। কিন্তু তাৰ আগতে তাই বেদব্ৰত কটকীৰ মৃতদেহ চাই লোৱাৰ ইচ্ছা কৰিলে। তেতিয়া তাইৰ লগত মই নাছিলোঁ। সেই সময়ত মাথো তাইৰ লগত আছিল এখন চুৰি আৰু তাইৰ জীৱন শেষ কৰি দিয়া বেদব্ৰত কটকীৰ এখন ফটো আৰু তাইৰ ছাঁটো। তাই জানিছিল যে তাইৰ চকুৰে এতিয়াৰ বেদব্ৰত কটকীক চিনি নাপাব। কাৰণ বেদব্ৰত বহুৰূপী। তেতিয়াৰ পৰাই তাই হৈ পৰিছিল এজনী পথৰ পথিক। এইখিনিলৈকে জানিছিলোঁ তাইৰ এখন চিঠিৰ দ্বাৰাই। মই সেইদিনা মোৰ আৰু তাইৰ জীৱনটো কিমান পাৰ্থক্য তাকেই ভাৱিলোঁ। মই তাইতকৈ যে বহুত সুখী। যিটো সময়ত মোৰ কলেজীয়া জীৱনৰ অৱসান ঘটিল সেই সময়ত মই ঘৰলৈ গুচি আহিলোঁ।

এদিনৰ ঘটনা। মই খিৰিকীৰ কাষত বহি ৰাস্তাৰ ফালে চাই আছিলোঁ। বাহিৰত ধাৰাসাৰে বৰষুণ। হঠাৎ এজনী ছোৱালীয়ে মলিয়ন শাৰী পিন্ধি চুলি মেলা অৱস্থাত হাঃ হাঃ কৰি খিকিন্দালি কৰি ৰাস্তাৰে আহিব ধৰিছে। হাতত চুৰি আৰু এখন ফটো। হঠাৎ মোৰ মনত পৰিল অনামিকাৰ চিঠিলৈ। এৰা চুৰি আৰু ফটো। কিন্তু ভৱাৰ সময় বহুত কম। মই দৌৰি গৈ তাইৰ ওচৰ পালোগৈ। মোক বেছি আচৰিত কৰি তুলিলে তাইৰ চকুৰ ওচৰত থকা সেই কটা চিনটোৱে। মোৰ চকুৰে পানী বৈ আহিল। তাইক মই হাতত ধৰিব খোজোতেই তাই মোলৈ চাই খুব হাঁহিলে, আকৌ হঠাৎ গহীন হৈ মোৰ ফালে খুব সন্দেহেৰে চাবলৈ ধৰিলে। তাই হয়তো ভাবিলে ময়েই সেই বেদব্ৰত কটকী। মই জোৰ দি ক'লো অণু তই মোক চিনি পোৱা নাই, মই সেই দিপী। তোৰ বান্ধৱী দিপীমা। তাই আকৌ হাঁহিলে। হাঁহি হাঁহিয়েই ক'বলৈ ধৰিলে তই এতিয়া খুব সুখী নহয় দিপী। মই তাইক ঘৰলৈ লৈ অহাৰ চেষ্টা কৰিলোঁ। কিন্তু তাৰ বিপৰীতে তাই উন্মাদিনী হৈ ক'লেঃ চা দিপী— এইয়া গুণ্ডা, লম্পট ঠগবাজী বেদব্ৰত কটকী— এই বুলি তাই বুকুৰ মাজত লৈ থকা ফটোখন দেখুৱালে। সম্শাত্তি, বেদব্ৰত কটকী। মই বুজিলোঁ এইয়া তাইৰ বলিয়ালি। তাই আকৌ চিঞৰি চিঞৰিয়েই ক'বলৈ ধৰিলে জান দিপী, মই ইয়াক বিচাৰি পোৱা নাই। এইখন চা মোৰ হাতত চুৰি। চাই থাকোঁতেই তাই তৎক্ষণাৎ চুৰিখন বুকুৰ মাজত লৈ থকা ফটোখনত জোৰেৰে আঘাত কৰিলে। কিন্তু এয়া জানো সম্ভৱ ? চুৰিখন ভঙা গ্লাচৰ মাজেৰে প্ৰৱেশ কৰিলে তাইৰ কোমল হৃদয়ত। ওচৰত বহুত মানুহ গোট খালে। সকলোৱেই মোক হাঁহিলে। মইও ভাবিলোঁ সমাজত আৰু বহুত মানুহ ওলাব যিয়েইনেকি এতিয়াও বেদব্ৰত কটকীৰ চিনাকীৰেই জীয়াই আছে। হঠাৎ মোৰ সম্বিত ঘূৰি আহিল আৰু অন্ধ বুলি চিঞৰি দিলোঁ। কিন্তু দেখিলোঁ উত্তৰৰ পৰিৱৰ্ত্তে প্ৰাণহীন এটা মলীন দেহ শান্ত হৈ পৰি আছে। বৰষুণে তাইৰ তেজবোৰ ধুই নিলে। বন্ধুত্বৰ শেষ চিনাকী তাই মৃত্যুৰ দ্বাৰা দিয়া বাবে অসম্ভৱ অনুতপ্ত হ'লো। সেইদিনা আছিল দেওবাৰ।

আজিও দেওবাৰ। বাহিৰত চিপ্ চিপ্ বৰষুণ। কটন কলেজত কটোৱা দিন আৰু হেৰাই যোৱা অনামিকাজনীলৈ খুব মনত পৰিল। ক'ব নোৱাৰাকৈ মোৰ চকুপানী বৈ আহিল। মাৰ মাতত তাই যি ঠাইত পৰিছিল তাৰ পৰা দৃষ্টি আঁতৰাই উঠি আহিলোঁ। মাক ক'লোঃ মা, অনামিকাই হয়তো দেৰব্ৰতক বিচাৰিয়ে ডিব্ৰুগড় পাইছিলহি। সেই সময়ত মাৰো চকুপানী বৈ আহিছিল। ০ ০ ০

শ্ৰীৰীভা ৰাণী ফুকন
স্নাতক শ্ৰেণী, ২য় বাৰ্ষিক

# "ৰজনীগন্ধা"

বিছনাখনত শুবলৈ গৈ বৈ দিছিলোঁ। বিছনাখন ৰজনীগন্ধাৰ পাহীয়ে ধুনীয়াকৈ সজাই থোৱা আছে। মোৰ নাকত লাগিছিল এটা ধুনীয়া গোন্ধ। আছিল সেই গোন্ধ ৰজনী গন্ধা চেণ্টৰ। এতিয়াহেচোন মোৰ মনত পৰিল ফুলশয্যা বুলি কোৱা দিনটোলৈ। মোৰ যে বিয়া হৈ গৈছিল, সেই কথা পাহৰিয়েই গৈছিলোঁ। ইমানদিনে অকলশৰীয়াকৈ শুই অহা মোৰ জীৱনটোচোন শেষ হৈ গ'ল, তাক এতিয়াহে অনুভৱ কৰিছোঁ। আজিৰ পৰা মোৰ সেই অকলশৰীয়া জীৱনৰ সঙ্গীনী হ'ব ৰঞ্জনা। তেন্তে আজি মই এই ৰজনীগন্ধা পাহী আৰু ৰজনীগন্ধা চেণ্টৰ সুবাসেৰে সজোৱা বিছনাখনত শুব লাগিব এজনী অচিনাকী ছোৱালীৰ লগত। কিন্তু এই ফুল এই চেণ্টৰ বাহিৰে অন্য ফুল চেণ্ট দিও বিছনাখন সজাব পাৰিলেহেঁতেন। বিছনাখনৰ ৰজনীগন্ধা ফুলৰ পাহীয়ে মোৰ মনটোক তিনি বছৰৰ পিছলৈ টানি নিলে।

তিনি বছৰৰ আগৰ সেই দিনটোৰ কথা আজিও মোৰ মনত আছে। হয়তো গোটেই জীৱনেই থাকিব। সেই দিনটো পাহৰি যোৱা মানে মোৰ জীৱনটোকে পাহৰি যোৱা। তিনি বছৰৰ আগতে মই ভাল ক্ৰিকেট খেলুৱৈ বুলি বিখ্যাত আছিলোঁ। ক্ৰিকেট প্ৰতিযোগিতাত মই প্ৰথম হৈ বহুতো মানুহৰ পৰা অভিনন্দন পাইছিলোঁ। কোনে কিমান শুভেচ্ছা জনাইছিল মোৰ মনত নাই। সেইদিনা যেতিয়া মই বহুতৰ শুভেচ্ছা বাণীৰ মাজত নিজকে হেৰুৱাই দিছিলোঁ, তেতিয়া মই দেখিছিলোঁ দুজনী ছোৱালী হাঁহি হাঁহি মোৰ ফালে আগবাঢ়ি অহা। তাৰে এজনীৰ হাতত আছিল এথোপা ৰজনীগন্ধা ফুল, মুখত আছিল পাৰিজাত হাঁহি। নাৰী যে ইমান ধুনীয়া থাকিব পাৰে সেইটো মোৰ কল্পনাৰ বাহিৰত আছিল। ছোৱালীজনীৰ গালত থকা ধুনীয়া তিলটোৱে তাইক আৰু অপৰূপা কৰি তুলিছিল। তাইৰ ৰূপৰ কথা কল্পনা কৰি থাকোঁতে কেতিয়া যে মোৰ ওচৰ পাইছিল তাক মই ক'বয়েই নোৱাৰিছিলোঁ। তাইৰ মাতত মোৰ সম্বিত ঘূৰি আহিল। "আপোনাৰ খেলৰ কাৰণে মোৰ অনাবিল শুভেচ্ছা থাকিল"। মই ধন্যবাদ বুলি কৈ হাঁহিছিলোঁ। ছোৱালীজনী আঁতৰি যাব বুলি ভাবিছিলোঁ কিন্তু নগ'ল। তাৰ পৰিবৰ্ত্তে মোৰ হাতত ৰজনী গন্ধা ফুলৰ থোপাটো গুজি দি কৈছিল— "আপোনাৰ জীৱন এই ৰজনী গন্ধাৰ পাহীৰ দৰে উজ্জ্বল হোৱাৰ কামনাৰে।" "এইদৰে উজ্বল কৰিব লাগিব তুমি।" স্থান-কাল পাহৰি মই কৈ পেলাইছিলোঁ কথাষাৰ। তাই হয়তো লাজ পাইছিল। লৰা-লৰি যাওঁ বুলি কৈ গুচি গৈছিল আৰু মই ব্ৰজাহুতি মানুহৰ দৰে জঠৰ হৈ ছোৱালীজনী যোৱাৰ ফালে চাই আছিলোঁ। তাই ঢৌ খেলা চুলিটাৰি জোকাৰি গুচি গৈছিল। আৰু মোক দি গৈছিল বহুতো কল্পনা।

সেইদিনা ঘৰলৈ আহি মই ছোৱালীজনীৰ কথাকেই ভাবিবলৈ ধৰিলোঁ। নামেই বা কি? ঘৰ বা ক'ত? ইত্যাদি কথাবোৰ ভাবিবলৈ ধৰিলোঁ। মোৰ নিজৰ ওপৰত খং উঠিল। আন নহলেও মই নামটো সোধা উচিত আছিল। কি নাম হ'ব বাৰু? মৌচুমী-মিতালী-গীতালী। ধেৎ থাকক। এজনী ধুনীয়া ছোৱালীৰ এটা ধুনীয়া নাম' কিন্তু মনটোৱে মনা নাছিল। বাৰে বাৰে উৰি গৈছিল ছোৱালীজনীৰ কাষলৈ। সেই মুখ, সেই হাঁহি মোৰ যেন খুব আপোন। আপোন হ'লেও জানো ভাবি লাভ আছে? থাকক।

ছোৱালীজনীৰ কথা ভাবিবলৈ এৰি দিছিলোঁ, কিন্তু হঠাতে এদিন তাইক আকৌ লগ পালোঁ। সেই দিনা লগ পাইছিলোঁ আমাৰ ঘৰত। মই মোৰ ৰূমত সোমাই বাহিৰা কিতাপ এখন চাই আছিলোঁ। এনেতে কৰবীৰ লগত সোমাই আহিল পিছে পিছে সেই নাম নজনা ছোৱালীজনী। কৰবীয়ে চিনাকী কৰি দিছিল-- "এইয়া মোৰ সৰু দাদা, আউসী। নাম অনুপম। মই পমদা বুলি মাতো, গতিকে তইও সেই বুলিয়ে মাতিবি। আৰু দাদা মোৰ বান্ধবী আউসী দুৱৰা। আউসীয়ে কৰা নমস্কাৰৰ প্ৰত্যুত্তৰ জনাই ওচৰতে থকা চকীখনত বহিবলৈ কলোঁ? আউসী বহিছিল মুখত সেই পাৰিজাত হাঁহি লৈ। কৰবীয়ে আমাক কথা পাতিবলৈ দি চাহ আনিবলৈ ওলাই গ'ল। কোঠাটোত থাকি গ'লো মই আৰু আউসী। কাৰো মুখত কথা নাই। দুয়ো নিজৰ নিজৰ ভাৱত ব্যস্ত। মই কি কম ভাবি থাকোতেই আউসীয়ে কৈছিল "মই কিন্তু আগতে আপোনাক কৰবীৰ দাদা বুলি জনা নাছিলোঁ।" "এতিয়াতো জানিলা।" 'অ' মোক কৰবীয়ে তুমি বুলি মাতে গতিকে......।

মইও তুমি বুলি মাতিম নহয়? মোৰ কথা শেষ হবলৈ নেপাওতেই আউসীয়ে সম্পূৰ্ণ কৰি দিছিল। এনেতে কৰবী সোমাই আহিল চাহলৈ। এটা সময়ত আউসী গলগৈ। মোৰ মন বজ্ৰাহুতি গছৰ দৰে অকলশৰীয়া হৈ গ'ল।

এনেকৈয়ে চিনাকী হৈছিলোঁ আউসীৰ লগত। আউসীৰ অনুৰোধত মই মাজে-মাজে সিহঁতৰ ঘৰলৈ গৈছিলোঁ। প্ৰথমতে মাহটোত এদিন। কিন্তু পিছলৈ মোৰ সদায় আউসী-হঁতৰ ঘৰলৈ যাবৰ মন যোৱা হ'ল। আউসীৰ মৰমে, মাক-দেউতাকৰ মৰমে মোক আকৰ্ষণ কৰিছিল সদায়। আউসীৰ মৰমৰ অভিমান মোৰ খুব ভাল লাগিছিল। এদিন নগলে মুখ ওফোন্দাই মোৰ আগেদি দহবাৰ অহা-যোৱা কৰি থকা অথচ এবাৰো কেৰাহিকৈ নোচোৱা আউসীক দেখি মোৰ ভাল লাগিছিল। তাইক লৈ মই বহুতো কল্পনা কৰিছিলোঁ। কিন্তু মোৰ এই কল্পনা মা-দেউতাই বাস্তৱত পৰিণত কৰিবলৈ নিদিলে। আউসীৰ দৰে এজনী দুখীয়া পৰিয়ালৰ ছোৱালীক বিয়া কৰোৱা মানে মা-দেউতাৰ সন্মান হানি হোৱা কথা। দেউতাৰ ভাব দাদাই সম্ভ্ৰান্ত ঘৰৰ ছোৱালী বিয়া কৰাইছে, গতিকে মইও এনে এটা পৰিয়ালৰ ছোৱালী বিয়া কৰাব লাগে। দেউতাৰ এই মনোভাব নিজে প্ৰকাশ কৰাৰ আগতেই মই বুজি পাইছিলোঁ। সেই কাৰণে দেউতাৰ আগত আউসীৰ কথা কবলৈ মই সাহস গোটাব নোৱাৰিলোঁ। আৰু সেইকণ সাহস গোটাব নোৱাৰিলোঁ কাৰণেই আজি মই আউসীক হেৰুৱাই বঞ্চনাক ওচৰ চপাই লব লগা হ'ল।

বিছনাৰ ওচৰত বৈ কি ভাবিছা ? বৌৰ মাতত মই চখ খাই উঠিলোঁ। মোৰ ভাবৰ আঁত হেৰাই গ'ল। লাজত কি কম ভাবি নাপাই ক'লোঁ : "বিছনাখন চাইছো বৌ ৰজনীগন্ধাৰ পাহী, চেণ্টৰে ইমান ধুনীয়াকৈ সজাইছে।" বৌয়ে হাঁহি কৈছিল : "এইয়া আউসীৰ কাম জানা। তোমাৰ দাম্পত্য জীৱন ৰজনীগন্ধাৰ দৰে উজ্জল হ'ব কাৰণে হেনো এনেকৈ সজাইছে। কিযে আচৰিত ছোৱালী। বাৰু তুমি এতিয়া শোৱা।" বৌ ওলাই গৈছিল। মোৰ মনটো আকৌ এসপ্তাহৰ পিছলৈ গৈছিল।

বিয়াৰ নিমন্ত্ৰণ জনাবলৈ আৰু মোৰ মনৰ বহুতো কথা জনাবলৈ আউসীৰ ঘৰলৈ গৈছিলোঁ। মই জানিছিলোঁ এইয়া মোৰ উচিত হোৱা নাই বুলি। মোৰ বিবেকে বাৰে বাৰে কৈছিল যিজনী ছোৱালীক প্ৰবঞ্চনা কৰিছ যিজনী ছোৱালীৰ কল্পনাৰে ভৰা জীৱনটো ধ্বংস কৰিছ, সেই ছোৱালীজনীৰ ওচৰলৈ যাব। তাৰ বিয়াৰ নিমন্ত্ৰণ জনাবলৈ। বিবেকৰ এই কথা মোৰ মনে মনা নাছিল। মই গৈছিলোঁ আউসীৰ ওচৰলৈ। তেতিয়া আউসী নিজৰ ৰুমত খিৰিকীখনৰ কাষত বহি উদাস মনেৰে চাই আছিল সীমাহীন দিগন্তলৈ ! মৰ্মৰ শুভ্ৰ দুখন গালেদি মুকুতা মণিৰ দৰে বৈ গৈছে দুধাৰী চকুলো। মোৰ বুজিবলৈ বাকী নাথা-কিল আউসীৰ এইয়া কিহৰ চকুপানী। মই গৈ তাইক মাত দিলোঁ। লৰা-লৰিকৈ চকুৰ পানী-খিনি চাদৰৰ আচলটোৰে মচি লৈ হাঁহিবলৈ চেষ্টা কৰি কৈছিল : পমদা··· আহা বহাহি। "তুমি কান্দিছা আউসী ?" মই কৈছিলোঁ। "নাই নাই কন্দা নাই, পমদা মই আকৌ কান্দিম কিয় ? মোক খং কৰিছা ?"

"মই তোমাক খং কৰিব নোৱাৰো। সেই অধিকাৰ মোৰ নাই। মোৰ বিয়া ! তুমি



মোঁক কি বুলি ভাবিছা ? তোমাৰ বিয়াৰ কথা শুনি মই খুব সুখী হৈছোঁ। আৰু তুমি মোৰ আগৰ সেই পমদাই হৈ আছা।"

আউসীৰ কথা শুনাৰ মোৰ ধৈৰ্য্য নাছিল। তাতোকৈ আউসীয়ে মোক তিৰস্কাৰ কৰক। কাপুৰুষ বিশ্বাসঘাতক বুলি কওক। "তোমাৰ বিয়াত মই খুব কাম কৰিম পমদা।" 'আউসী'। মই চিঞৰি উঠিছিলোঁ। "সচাঁ পমদা ? খুব কাম কৰিম।" আউসীৰ দুগাল তিতাই বৈ অহা চকুৰ পানী মচি দি মই কৈছিলোঁ : তুমি সচাঁকৈ মোৰ বিয়ালৈ যাবা ?' 'তোমাৰ বিয়ালৈ নিমন্ত্ৰণ নকৰিলেও যাম।' মই আউ-সীক জোৰেৰে সাবটি ধৰিছিলোঁ। তেনেকৈ থাকিয়েই তাই কৈছিল "তোমাৰ বিয়াত উপহাৰ স্বৰূপে তুমি মোৰ পৰা কি বিচাৰিবা পমদা ?' 'উপহাৰ জানো খুজি লয় ?' "উপহাৰ স্বৰূপে মই কি দিম জানা। দুটা চুমা আৰু তোমাৰ ফুলশয্যাৰ বিছনাখন সজাই দিম মই। মই আশীৰ্বাদ কৰিছোঁ। তোমাৰ দাম্পত্য জীৱন ৰজনীগন্ধা পাহীৰ দৰে..............."

আকৌ সেয়া ৰজনী গন্ধা। "মোক তুমি তেনেকৈ আশীৰ্বাদ নিদিবা আউসী। এই-টোকে দিয়া মাত্ৰ বিয়াৰ এসপ্তাহৰ পাছত যেন বঞ্চনা বাৰী হয়।"

পমদা— আউসীয়ে চিঞৰি উঠিছিল।

সেইদিনা মই আউসীক বিয়ালৈ নিমন্ত্ৰণ কৰি তাইৰ ওঠত এটা চুমা আঁকি গুচি আহিছিলোঁ। আউসীয়ে মোৰ কথা ৰাখি-ছিল। তাই বিয়াৰ দুদিনৰ আগতে আহি-ছিল। আহি কৰবীৰ লগত কামত লাগি গৈছিল। এসময়ত বিয়া শেষ হৈ গ'ল। মই এটা চাবি দিয়া যন্ত্ৰৰ দৰে যোনে যি কয় কৰি যাবলৈ ধৰিলোঁ।

আৰু আজি এইয়া মোৰ ফুলশয্যা। এই বিছনাখন সজাইছে আউসীয়ে। কিন্তু তুমি ভুল কৰিলা আউসী। তোমাৰ ভাল পোৱাৰ মৰ্য্যাদা দিব নোৱাৰিলোঁ। তাৰ পৰিবৰ্ত্তে তোমাক মই প্ৰবঞ্চনা কৰিলোঁ। তোমাৰ প্ৰকৃত ভালপোৱাক মই জীয়াই ৰাখিব নোৱাৰিলোঁ। তাৰ কাৰণে কিয় তুমি মোক এষাৰো কথা নকলা ? কিয় তুমি এনেকৈ অভিনয় কৰি গলা। মই জানো তুমি মনত খুব আঘাত পাইছা। তুমি সিদিনা কোৱা এটা কথা আজিও মোৰ মানস পটত জিলিকি আছে। তুমি কৈছিলা— "তোমাৰ বাহিৰে আৰু অন্য কাকো মোৰ হৃদয়ৰ দেৱতাৰূপে প্ৰতিষ্ঠা কৰিব নোৱাৰোঁ। তোমাক এৰি দিলে মোৰ সকলো শেষ হ'ব পমদা।" কিন্তু এতিয়া এয়া তুমি কি কৰিলা ? মোৰ ফুলশয্যাৰ বিছনা ৰজনীগন্ধাৰ পাহীৰে কিয় সজাই দিলা ?? এই ৰজনী গন্ধাৰ বিছনাত মই তোমাক বিচাৰিছোঁ। বঞ্চনাক নহয়। উজ্জ্বল কৰিবা তুমি আউসী, আউসী। মোৰ মনটো আকৌ আউসীৰ ওচৰলৈ উৰি গ'ল। মই আউসীক লগ পাবলৈ ৰুমৰ পৰা প্ৰায় দৌৰি ওলাই আহিলোঁ। দুৱাৰ মুখত বঞ্চনাক পালোঁ, দেখিও একো নকৈ ওলাই আহিলোঁ। কিন্তু আউসীক লগ নাপালোঁ। কৰবীৰ পৰা গম পালোঁ ভায়েক আহিছিল তাৰ লগতে গুচি গ'ল। আৰু কৰবীয়ে

কৈছিল তাইক মই খুব ৰখালোঁ। কিন্তু তাই নেথাকিল। আৰু তোমাক বেয়া পাবলৈ মানা কৰি গৈছে। কথাখিনি কৈয়ে কৰবী গুচি গ'ল। মই একো নেমাতি লাহে লাহে গুচি আহিলোঁ তাৰ পৰা। আউসী কিয় গ'ল অন্য কোনেও নাজানিলেও মই জানিছিলোঁ। ইমান দিনে অভিনয় কৰি ভাগৰি পৰি এতিয়া তাই যোৱাটোকেই শ্ৰেয় বুলি ভাবিলে। মই মোৰ ৰুমলৈ সোমাই গ'লো। ৰঞ্জনা বিছনাখনৰ ওচৰত বৈ আছিল। মই দেখা পালোঁ সেইয়া ৰঞ্জনা নহয় যেন আউসী। মোলৈকে বাট চাই আছে। মই গৈ আউসীক মাত দিলোঁ। তাইক চুমা খাই দুয়ো শুই পৰিছিলোঁ। ৰজনী গন্ধাৰ পাহীয়ে সজাই থোৱা বিচনাৰ ওপৰত। তেতিয়া ৰাতি কিমান মনত নাই। দূৰৰ পৰা এটা বাঁহীৰ সুৰ ভাঁহি আহি আমাৰ কাণত পৰিছিল।

০ ০ ০

---

"মাথোন আবেগ, মাথোন উচ্ছাস, মাথোন ভাষাৰ একেসুৰীয়া মাধুৰ্য্যই সাধাৰণ পাঠক-মনক আচ্ছন্ন কৰিব পাৰে। কিন্তু তাৰ উৰ্দ্ধলৈ কলাক তুলিলেহে সি সত্য কলা হ'ব।"

ড° মহেশ্বৰ নেওগ।

---



কুমাৰী মালা ৰজক
প্ৰাক্-বিশ্ববিদ্যালয়
২য় বাৰ্ষিক।

# আত্মত্যাগ

ৰিক্সাখনে যেন দুটা প্ৰাণীক এখন অচিন বিচাৰালয়লৈ লৈ গৈছিল, যিখন বিচাৰালয়ৰ ৰায় অৰুণিমাই বহুদিন আগতে অনুমান কৰি লৈছিল, হেন্দোলনীত তাই তাকে ভাবি আহিছিল। ঘপ্‌কৈ পুলিচ ৰিজাৰ্ভৰ ওচৰৰ শিৱ মন্দিৰটোৰ সন্মুখ পাই, ৰিক্সাৰ ওপৰৰ পৰাই নিজৰ অজানিতে হাতখন কপাললৈ দাঙি ধৰি এটা সেৱা আগবঢ়ালে। সেৱাটি আগবঢ়ায়েই অৰুণিমাই আঁৰ চকুৰে চাই ল'লে স্বামী জগদীশ বৰুৱাই তেওঁক লক্ষ্য কৰিলে নেকি বাৰু? নাই, কিবা ভাবি গৈ আছে নিজৰ মনতে আপোনভোলা মানুহজনে। অৰুণিমাই আকৌ ভাৰৰ সূতাডালৰ আঁত ধৰি আগ বাঢ়িব ধৰিলে।

কাঠ-গড়াত থিয় হোৱাৰ পিছত তাইকে বাৰু জগৰীয়া কৰিব নেকি ডাক্টৰ অমিতাভ চলিহাই? নে জগৰীয়া কৰিব এই জগদীশ বৰুৱা নামৰ মানুহজনক? জগদীশ বৰুৱাক দোষী কৰাৰ কথা ভবাৰ লগে লগে অৰুণিমাৰ চকু চলচলীয়া হৈ পৰিল। জগদীশ বৰুৱা দোষী হ'ব নোৱাৰে। দোষ আছে যদি অৰুণিমাৰে থাকক। দোষ যাতে জগদীশ বৰুৱাৰ নোলায় সেইটো অৰুণিমাৰো কাম্য। আজিৰ এই বিচাৰখন শুনিবৰ বাবেই দুটা পৰিয়াল আজি চাৰি বছৰৰ পৰাই আগ্ৰহান্বিত হৈ আছে। কিন্তু জগদীশ বৰুৱাই? একমাত্ৰ কপালখনৰ বাহিৰে কাকো দোষ দিব নিবিচাৰে জগদীশ বৰুৱাই। অৰুণিমাকো কোনো দিন একো টান কথা কোৱা নাই। কোনোবাই যদি পৰোক্ষভাৱে অৰুণিমাৰ দোষলৈ অকমানো ইঙ্গিত জগদীশ বৰুৱাক দিছে, তেন্তে তেওঁ লগে লগে হাঁহি মুখে সেই দোষ অস্বীকাৰ কৰি অৰুণিমাক অকণ্টকিত কৰি ৰাখিছে।

কথাবোৰ ভাবি ভাবি অৰুণিমাই আকৌ এবাৰ জগদীশ বৰুৱাৰ ফালে সজল নয়নে চাই ললে। মুখখনিত এটা কেচুৱাৰ কোমলতা সদায় জগদীশ বৰুৱাৰ যেন লাগিয়েই আছে।

ন-বোৱাৰী হিচাবে অৰুণিমা দুৱৰা যেতিয়া অৰুণিমা বৰুৱা হিচাবে প্ৰথম এইখন ঘৰলৈ আহিছিল, তেতিয়া অৰুণিমাৰ এই জগদীশ

বৰুৱা নামৰ মানুহজনক কিবা কঠিন কঠিন লাগিছিল। কিন্তু এইভাব অৰুণিমাৰ মনত বেচিদিন স্থায়ী নহ'ল, যেতিয়া জগদীশ বৰুৱাৰ অতি সংস্পৰ্শলৈ আহি মানুহজনক অৰুণিমাই বুজি পালে। লাহে লাহে অৰুণিমাই জগদীশক একেবাৰে নিজৰ কৰি ললে, যিদৰে ললে জগদীশে অৰুণিমাক। পিতৃ পুৰুষৰ পৰা মিলেৰে থকা দুৱৰা আৰু বৰুৱা পৰিয়াল দুয়োটায়ো তেওঁলোকৰ এনে মিল দেখি খুব ভালেই পালে।

কিন্তু অৰুণিমাই কি হ'ল কব নোৱাৰে, জগদীশ বৰুৱাই অৰুণিমাক পাই ঘৰখনক একেবাৰে পাহৰি পেলালে। এনেকুৱা অৱস্থাত বৰুৱা পৰিয়ালটো অলপ ক্ষুন্ন হোৱাটো স্বাভাৱিক, যিহেতু বৰুৱা পৰিয়ালৰ একমাত্ৰ সন্তান আছিল জগদীশ। তথাপি জগদীশৰ সুখত সুখী ভাব ৰাখিয়েই বৰুৱা পৰিয়ালে একো ক্ষুন্নতা প্ৰকাশ নকৰিলে। অৰুণিমাই কিন্তু সকলো বুজি পালে।

বিয়াৰ দ্বিতীয় বছৰৰ পিছতো যেতিয়া তেওঁলোকে কোনো সন্তানৰ মুখ দেখাৰ সৌভাগ্য নাপালে, তেতিয়া বৰুৱাহঁতৰ ঘৰখনে যেন কিবা এটা অচিন অভাৱৰ ইঙ্গিত পালে। বেচিকৈ আঘাত পালে তেতিয়াহে, যেতিয়া এচিষ্টেণ্ট মেনেজাৰ হিচাবে জগদীশ বৰুৱাক খাদ্য নিগমে গুৱাহাটীৰ পৰা নগাঁৱলৈ বদলি কৰিলে। নগাঁৱলৈ আহি জগদীশ বৰুৱাই ঘৰৰ পৰা মাহটোত তিনি চাৰিখনকৈ চিঠি পাবলৈ ধৰিলে, যি কেইখন চিঠিৰ প্ৰত্যেক শাৰী কথাই পৰোক্ষভাৱে অৰুণিমাৰ অসমৰ্থতাক ব্যঙ্গ কৰি অৰুণিমা আৰু জগদীশ বৰুৱা দুয়োকে আঘাত দিব ধৰিলে। জগদীশ বৰুৱাৰ দেউতাক হৰেন বৰুৱাৰ আশা মিহলি অনুৰোধ, তেওঁ যাতে অনতিপলমে ককা-দেউতাক হ'ব পায়।

কিন্তু তাৰ পিছতো তেনে কোনো আশা নেদেখি স্বাভাৱিকতে যি হয়, সেয়ে হ'ল। এইবাৰ প্ৰত্যক্ষভাৱে তেওঁলোকৰ অৰুণিমাৰ ওপৰত ক্ষোভবোৰ চিঠিয়ে কঢ়িয়াই আনিব ধৰিলে আৰু ক্ৰম অনুসৰি প্ৰত্যেক চিঠিত ক্ষোভৰ মাত্ৰা বাঢ়ি যাব ধৰিলে। কিন্তু জগদীশ বৰুৱাই তেতিয়ালৈকে অৰুণিমাক দোষো দিয়া নাই। একমাত্ৰ কপালকে ধিয়াই আছে। সদায় হাঁহি থকা জগদীশে চিঠিবোৰ পায়ো হাঁহিয়েই আছিল।

নিজকে প্ৰস্তুত কৰি লৈ, অতি দুখ পাব বুলি জানিও অৰুণিমাই জগদীশক কৈ চাইছিল কিবা এটা ব্যৱস্থা লবলৈ বা দ্বিতীয় এখন বিয়াকে কৰি পেলাবলৈ। জগদীশে মুখেৰে একো কোৱা নাছিল, কিন্তু অৰুণিমাক হেৰুৱাৰ সম্ভাৱনাত জগদীশৰ করুণ হৈ পৰা মুখখনক সেই গোটেই দিনটোৰ বাবে তেওঁৰ পৰা আঁতৰাই ৰাখিছিল। কিবা দুখত জগদীশৰ মুখখন করুণ হওঁক, সেইটো অৰুণিমাই নিবিচাৰে। করুণ মুখখনত আৰু করুণ ভাব আনি জগদীশে কৈছিল :

"চোৱা অৰু, দোষ কাৰ নাজানো। হয়তো দোষ তোমাৰ বা মোৰ কাৰোৱেই নাই। কিমানখিনি কথাই বা জানো আমি বিবাহিত জীৱনৰ।"

"গতিকে এবাৰ ডক্টৰৰ ওচৰৰ পৰা –" অৰুণিমাৰ কথা শেষ নহওঁতেই আধাতে কাঢ়ি নি জগদীশে আকৌ কৈছিল :

"এই সাধাৰণ কথাটোতেই আমি ডাক্টৰৰ ওচৰলৈ গৈ লঘু হোৱাৰ কোনো কাৰণ নেদেখোঁ। দেখা যাওকচোন আৰু দুবছৰমান। তুমি ইমান ব্যস্ত হৈছা কিয় ?"

প্ৰত্যেক নাৰীয়ে মা হ'ব পৰাটোহে নাৰীত্বৰ গৌৰৱ বুলি ভাবে। মা হোৱাৰ আশা দেখিছিল অৰুণিমাই আৰু আশা ৰাখিছিলোঁ ভবিষ্যতলৈ। অৰুণিমাই ব্যস্ত হোৱা নাছিল, হ'বলৈ বাধ্য কৰিছিল বৰুৱাহঁতৰ ঘৰৰ ব্যস্ত ক্ষোভপূৰ্ণ চিঠিবোৰেহে। সেয়েহে অৰুণিমাই এই প্ৰস্তাৱ জগদীশৰ আগত দাঙি ধৰিছিল, জগদীশক মানসিকভাৱে আঘাত দিবৰ বাবে নহয়। অৰুণিমাই জানে জগদীশে অৰুণিমাক এৰি দ্বিতীয় এজনী ছোৱালীক বিয়া কৰোৱাৰ কথা চিন্তাই কৰিব নোৱাৰে। সেয়েহে তাৰ পিছৰ পৰাই অৰুণিমাই সেই প্ৰস্তাৱ দ্বিতীয়বাৰ তুলি জগদীশক আঘাত দিয়াৰ কথা নাভাবিছিলেই। সহজ, সৰল, আপোনভোলা জগদীশৰ মনত যেন অৰুণিমাই দুখহে চটিয়াই দিছিল – যি দুখৰ কলাভাগ জগদীশৰ চকুত কেইবা দিনলৈ লাগি আছিল। সেয়েহে এদিন ৰাতি—

"মোক ক্ষমা কৰক ! মই আপোনাৰ মনত দুখ দিবলৈ তেনেকৈ কোৱা নাছিলোঁ। মোক ক্ষমা কৰক।" উচুপি উঠিছিল অৰুণিমাই।

"জানো, অৰু- জানো, মই যিদৰে তোমাৰ বাহিৰে দ্বিতীয় এজনী ছোৱালীৰ কথা ভাবিব নোৱাৰো, তুমিও যে মোক দ্বিতীয় এজনীৰ বুকুৰ মাজলৈ ঠেলি দিব নোৱাৰা সেইটো মই ভালকৈ জানো। তুমি যে দেউতাহঁতৰ চিঠিত অস্থিৰ হৈছে তেনেকৈ কৈছা তাকো মই জানো।"

–মৰমসনা মাতেৰে জগদীশে কৈছিল। অৰুণিমাৰ চকু আকৌ চলচলীয়া হৈ পৰিছিল। উমানতে জগদীশৰ মূৰটো বুকুৰ মাজলৈ টানি আনিছিল আৰু চুলিবোৰত আঙুলি বোলাই গৈছিল। এটা সৰু ল'ৰাৰ দৰে জগদীশে সিদিনা অৰুৰ বুকুৰ মাজতে শুই পৰিছিল।

ইমানবোৰ ক্ষোভ মিশ্ৰিত চিঠি পায়ো জগদীশে অৰুণিমাক একো কোৱা নাছিল, বৰঞ্চ তেওঁলোকৰ মৰমৰ বান্ধোন যেন বাঢ়িহে গৈছিল।

জগদীশে কোৱাৰ দৰেই আৰু দুটা বছৰ পাৰ হৈ গৈছিল। লাহে লাহে মাত্ৰ বৰুৱা পৰিয়ালৰ পৰাই নহয় অৰুণিমালৈ দেউতাকহঁতেও এই বিষয়ে দুই এখন চিঠি লিখিছিল। ডাক্টৰৰ পৰামৰ্শ লবলৈ উপদেশ দিছিল। কিন্তু এই ক্ষেত্ৰত জগদীশ আছিল একঘেঁয়ে। তেওঁ ডাক্টৰৰ ওচৰলৈ যাব কোনোপধ্যেই মান্তি হোৱা নাছিল। তেওঁৰ দৃঢ় ভাব হৈছিল ডাক্টৰৰ ওচৰলৈ গলেই যেন অৰুণিমাক ডাক্টৰে জগদীশৰ পৰা আঁতৰাই পেলাব। এইবোৰ ভাবিয়েই হয়তো কোনোবা নিশা অৰুণিমাই বিচনাত উচুপি উঠিছিল :

"অৰু"

"কওঁক" – ভিজা মাতেৰে উত্তৰ দিয়ে অৰুণিমাই।

"আমিতো সুখতে আছোঁ। মাথো সন্তান-

টিক লৈহ জানো সুখী হ'ব পাৰি, আমি এনেকৈয়ে ভালে আছো।"

অৰুণিমাৰ উচুপনি বেচি হৈহে গৈছিল। অৰুণিমাই জানে জগদীশৰ এইটো এটা বিৰাট ফাঁকি মাত্ৰ। নিজকে প্ৰতাৰণা কৰি আহিছে ইমান দিনে এই মানুহজনে। মনে-প্ৰাণে এৰেঁা বিচাৰে এটা সন্তানৰ পিতৃ হ'বলৈ। নহ'লে আলমাৰী ভৰ্ত্তি পুতলা কিনি আলমাৰীত সজাই থোৱাৰ কাৰণ কি? কোনোবা আলহীয়ে কোলাত কেচুৱালৈ তেওঁলোকৰ ঘৰলৈ অহাৰ পিছত জগদীশৰ মুখখন কৰুণ হৈ পৰাৰ অৰ্থ ক'ত? প্ৰত্যেকটো পুতলাক নিসঙ্গ সময়ত হাততলৈ বোবা চাৱনীৰে বহু সময়লৈ চাই থকাৰ কাৰণ কি? সেয়েহে অৰুণিমাৰ উচুপনি সেই নিশা কান্দোনত পৰিণত হৈ পৰিছিল।

দুয়োখন ঘৰেই এই বিষয়ে নিষ্ক্ৰীয় হৈ পৰিছিল। শেষলৈ বৰুৱাহঁতৰ ঘৰখনে আশা এৰি দিছিল। আনকি অৰুণিমাৰ দেউতাকেও এই বিষয়ে একো লিখা নাছিল পিছলৈ দুটা বছৰ আকৌ হাঁহি-ধেমালিৰ মাজেৰে নগাঁৱতে পাৰ হ'ল অৰুণিমা আৰু জগদীশ বৰুৱাৰ। হঠাতে আৱিৰ্ভাৱ হ'ল জগদীশ বৰুৱাৰ বাল্য বন্ধু ডাক্টৰ অমিতাভ চলিহাৰ। ডিব্ৰুগড়ৰ পৰা নগাঁৱলৈ আহিছে বদলি হৈ আৰু এ, টি, ৰোডতে ক্লিনিক খুলি বহিছে।

অমিতাভক লগ পাই জগদীশে যেন কিবা এটা নোপোৱা বস্তু পালে। একে কোবেই নিহঁতৰ গোটেই কাহিনীটো বুজাই ক'লে। অমিতাভ চলিহাই জগদীশ বৰুৱাৰ ঘৰলৈ আহি পুতলা ভৰ্ত্তি আলমাৰী দেখি জগদীশৰ দুৰ্বলতা ধৰিব পাৰিলে। কিবা এটা নোপোৱাৰ বেদনা যে অনবৰত হাঁহি থকা মানুহজনৰ মাজত লুকাই থাকে তাকো গম পালে। সেয়েহে অমিতাভে তাক "চেকআপ" কৰাৰ কথা ক'লে। জগদীশো বন্ধুৰ প্ৰস্তাৱত মান্তি হ'ল। সেই দিনা ৰাতি শুৱাৰ সময়ত জগদীশ বৰুৱাই অৰুণিমাক ক'লে যে এবাৰ অমিতাভৰ দ্বাৰা পৰীক্ষা কৰাই লোৱা ভাল হ'ব। মাত্ৰ "ও" শব্দটোৰে সহাঁৰি দিলে অৰুণিমাই।

আজিয়েই সেই পৰীক্ষাৰ দিন। মিলন-পুৰৰ পৰা বিস্ৰাত আহি থাকোতে পুলিচ বিজাৰ্ভৰ মন্দিৰটোত অৰুণিমাই কি উদ্দেশ্যে সেৱা কৰিলে তেওঁ নিজেই নাজানিলে। মনে মনে ভাবিলে যদি অৰুণিমাৰ কিবা দোষ হয়, তেন্তে তেওঁ জগদীশক দ্বিতীয়বাৰ বিয়া কৰাবলৈ আকৌ অনুৰোধ কৰিব। অজস্ৰ সম্পত্তিৰ মালিক জগদীশৰ দেউতাকেও নিশ্চয় নাতি সন্তানৰ আশা কৰি ধুম-ধামকৈ জগদীশৰ দ্বিতীয় বিবাহ পাতি দিব। সুখী হওঁক জগদীশ, সেইটো অৰুণিমাই সদায় বিচাৰে। এটা সন্তানৰ বাবেহে জগদীশে বিয়া পাতিব, এজনী ন-কইনা লাগে বুলিতো নহয়। গতিকে অৰুণিমাই জানে দ্বিতীয় বিবাহৰ পাছতো জগদীশৰ তেওঁৰ প্ৰতি মৰম তেনে-দৰেই থাকিব। জগদীশক এটা সন্তানে পিতা বুলি মাতিব; জগদীশে সন্তানটিক বুকুৰ মাজত লৈ সন্তোষৰ হাঁহি মাৰিব, বৰুৱা পৰিয়ালৰ আৰু এটা সংখ্যা বাঢ়িব, তাতেই অৰুণিমা সুখী হ'ব। অৰুণিমাই জানে যদি দোষ তেওঁৰ গাতেই হয়, তেন্তে গোটেই পৰিয়াল-টোৱে তেওঁৰ শান্তি নষ্ট কৰি দিব। তাত অৰুণিমাৰ ভ্ৰূক্ষেপ নাই। তেওঁ মাত্ৰ বিচাৰে জগদীশ সুখী হোৱাটোহে; বৰুৱা পৰিয়াল সুখী হোৱাটোহে অৰুণিমাৰ কাম্য। সেই কাৰণে মনে প্ৰাণে বিচাৰি আছে যাতে ডাক্তৰ অমিতাভ চলিহাই আজিৰ পৰীক্ষাত অৰুণিমাকে দোষী বুলি ৰায় দিয়ক। জগদীশ য'ত সুখী, অৰুণিমাও তাতেই সুখী। কিন্তু দোষ যদি জগদীশৰ হয়? কথাটো ভবাৰ লগে লগে অৰুণিমা জিকাৰ খাই উঠিল। হ'ব নোৱাৰে, জগদীশ দোষী হ'ব নোৱাৰে। ই অসম্ভৱ! আকৌ চকুৰ কোণত পানী জিলিকি উঠিল অৰুণিমাৰ।

"নামা অৰু, এয়া অমিতাভৰ ক্লিনিক"।

কিবা এটা আশঙ্কাৰে জগদীশৰ মুখলৈ চাই পঠিয়ালে অৰুণিমাই। চকুৰ কোণৰ পানী কেই টোপাৰ কথা তেওঁ কেতিয়া গালেৰে বৈ-আহিছিল গমেই নাপালে।

"ছিঃ অৰু, তুমি কান্দিছা? একো ভয় কৰিব নালাগে।" "চেক্ আপ" সাধাৰণ কথা, তোমাৰ মোৰ সম্পৰ্কটো যে তাতোকৈ বৃহত, সেই কথা সকলোকে বুজোৱাৰ ই এটা সুন্দৰ সময়, অৰু।"

"নাই, ক'ত কন্দা দেখিলে, আহি থাকোঁতে চকুত কিবা এটা পৰি চকুপানী ওলাইছে।"

ইমান সোনকালে প্ৰকৃতস্থ হৈ অৰুণিমাই জগদীশক কথাষাৰ ক'লে যে জগদীশে কথাষাৰ সঁচা বুলিয়ে ভাবিলে। জগদীশে ৰিক্সাৱালা-টোক বিদায় দি ক্লিনিকলৈ আগবাঢ়িল। পিছে পিছে অৰুণিমাই মনতে ভাবি গ'ল "হে ভগৱান এই আপোনভোলা মানুহজনৰ যাতে কোনো দোষ নোলায়। অমিতাভ চলিহাই যাতে পৰীক্ষাত অৰুণিমাৰেই হে দোষ দেখা পায়। ০ ০ ০

# সংগ্ৰাম

কুমাৰী অঞ্জলি গগৈ
২য় বাৰ্ষিক, স্নাতক

পুৱাৰে পৰা কুঁৱলী পৰিছিল; এনে লাগিছিল যেন এৰি যাব নোখোজে কুঁৱলীয়ে পৃথিৱীক দিনটোৰ বাবে হ'লেও। পৃথিৱীয়ে কিন্তু ভালপোৱা নাছিল কুঁৱলীৰ একপক্ষীয় স্বাৰ্থপৰতাক। সেয়েহে নিমন্ত্ৰণ জনাইছিল পৃথিৱীয়ে সূৰ্য্যদেৱতাক. কুঁৱলীক আঁতৰ কৰি ধৰাৰ বুকুত পোহৰ সিঁচিবলৈ। সূৰ্য্য দেৱতাইও যেন সহাৰি জনাইছিল নিমন্ত্ৰণৰ-পৃথিৱীয়ে তেওঁক কৰা। কুঁৱলী ফালি হাঁহিছিল উজ্জ্বল হৈ ৰঙা সূৰুযে, পৃথিৱীৰ যেন আনন্দৰ সীমা নাই। কুঁৱলী আঁতৰি গৈছিল যেন অৱহেলিতা বোৱাৰীয়েহে স্বামীগৃহ পৰিত্যাগ কৰিছে।

ঠিক তেনে এটি পৰিবেশতে মই আৰু নয়নাও ওলালোঁগৈ আমাৰ পৰিচিত কলং পাৰত। শীতৰ ৰ'দৰ আমেজখিনি উপভোগ কৰিবলৈকে যেন আমাৰ জিৰণি সময় এটা মিলি গ'ল হঠাতে। শীতকালিৰ ৰ'দ, আমেজ লাগিছিল; ঠাণ্ডা যেন আঁতৰি গৈছিল, যদিও আমাৰ গৰম কাপোৰ আছিল শৰীৰ আৱৰি। আমি বহি পৰিছিলোঁ বননি ডৰাত। নয়নাই কথা আৰম্ভ কৰি দিলেই, তাই অলপ বেছি-



কৈয়েই কথা কয়, গতিকে মই প্ৰায়েই শ্ৰোতা হৈ ৰওঁ। সেইদিনাও মই শুনি গৈছিলোঁ তাই কৈ গৈছিল। তাই কৈছিল: "জান পৰাণী, আজি মই কলেজলৈ ওলাওতে পান্নাই কৈছিল আজি গাড়ীখন বেয়া হ'ল! তই খোজ কাঢ়িয়েই যাবি। মোৰ যে ইমান খং উঠিছিল জান! নাহিম বুলিয়ে ভাবিছিলোঁ। চাচোন এককিলোমিটাৰ ৰাস্তা কেনেকৈ খোজ কাঢ়ো। আৰু কি জান, মাম্মীয়ে মোক কালি পিন্ধা চুৰেটাৰটোকে আজিও পিন্ধিব কৈছিল, কিন্তু চাচোন একেটা চুৰেটাৰ দুদিন একেৰাহে পিন্ধো কেনেকৈ! ইফালে ইমানবোৰ চুৰেটাৰ এইবছৰতে নিপিন্ধিলে দেখোন 'পুৰণা মডেল'ৰ হৈ যাব। মাম্মীয়ে একেবাৰে নুবুজে।' অনৰ্গল কথা কৈ যোৱা নয়নাৰ মুখলৈ চাই মোৰ ভাব হৈছিল: মোৰ চুৰেটাৰটো ধুব লাগিছিল, এমাহ পিন্ধিলোঁ একেৰাহে, লেতেৰা হৈছে।

হঠাতে অলপ নিলগত কোৰ্হাল শুনি চোৱাত দেখিলোঁ সৰু সৰু তিনিজনী ছোৱালী দৌৰি দৌৰি আহিছে কলং পাৰলৈকে। নয়নাই সেই সময়ত কি বিষয়বস্তুৰ ওপৰত বক্তৃতা আৰম্ভ কৰিছিল মোৰ খেয়াল নাছিল। মোৰ দৃষ্টি আৰু মন ছোৱালী কেইজনীৰ ফালে। সিহঁত কলৈ আহিছে, কিয় আহিছে, কি কৰিব আজি নানা ভাব মনলৈ আহিছিল, সেয়েহে চাই ৰৈছিলোঁ সিহঁতৰ গতি-বিধিলৈ। সিহঁত কেইজনী আমাৰ ওচৰ পায়েই কামত থকা 'মেডেলুৱা বন' ৰ শুকাই যোৱা গছবোৰ উঘালিবলৈ লাগি গল। সিহঁতে আজুৰিব



লাগিছে কিন্তু পৰা নাই উঘালিব। মোৰ দৃষ্টি সিহঁতৰ নিবিড় প্ৰচেষ্টাৰ ওপৰত। সিহঁতে পৰা নাই, সিহঁতৰ বয়সানুপাতে গছ বোৰো বহুত ডাঙৰ; কাৰণ মোৰ অনুমান-মতে সিহঁতৰ বয়স চাৰি, ছয় আৰু সাত বছৰ মানেই হ'ব। ইফালে গছবোৰ সৰু যদিও পৰিপক্কতাক সাবটি লৈ এনেদৰে আছে, যেন সিহঁতক তুলি দিয়াৰ সাধ্য নাই কণমানি ছোৱালীকেইজনীৰ।

এই পৰাণী, কি হ'ল তই অন্যমনস্ক হৈ গলি দেখোন? নয়নাৰ হাতত যেন মই টোপনিৰ পৰাহে সাৰ পালোঁ! 'নাই, নাই শুনি আছো' কৈ যাচোন বুলি তাইৰ প্ৰশ্নটোৰ পৰা এৰাই যাব খুজিলোঁ মই। বাধ্য হৈ চাই ৰ'ব লগা হ'ল তাইলৈ। নয়নাই এখন ধুনীয়া দামী শাৰী আৰু তাৰ লগত মিলাই এটা চুৰেটাৰ পিন্ধিছে। কিন্তু মোৰ চকুৰ আগতে দেখা ছোৱালী কেইজনীৰ শৰীৰত একোটা উৰলি যোৱা চোলাৰ বাহিৰে একো নাছিল। সিহঁতে চাগৈ ৰ'দ ওলাবলৈ বাট চাই আছিল। কিমান যে আনন্দ পাইছে চাগে, ৰ'দটো ওলোৱাত! ৰ'দটো দেখি সিহঁতে চাগৈ ফটা চোলাটোৰ কথা পাহৰি গৈছে নহলে বেলেগ (গৰম কাপোৰ দূৰতে থাকিব)। কাপোৰৰ অভাৱত ফটা চোলাটোৰ চেহেৰাই যোৱা অংশ কেইটুকুৰাৰ বেদনা বৰকৈ অনুভৱ কৰে সিহঁতে।

'এই জোনটি মই এইকেইদাল উঘালিলোঁ, তই চাবি, মই সৌখিনিৰ পৰা অলপ উঘালোঁগৈ—।' হঠাতে মাত এষাৰ শুনি

চালোঁ আকৌ ছোৱালী কেইজনীলৈ। দেখিলোঁ সাত বছৰ মান যেন লগা ছোৱালীজনীয়ে চাৰি বছৰমান লগা ছোৱালীজনীক কৈছে। ভাল লাগিল মোৰ অপৰাচিতা ছোৱালী এজনীৰ নামটো জানি, ই দুজনীৰ নাম দুটাও জানিব পাৰো বুলি অপেক্ষা কৰিলোঁ। এইবাৰ জোনটিয়ে কোৱা শুনিলোঁ 'ই আশা' তই হ'বলা এদালো উঘালিব পৰা নাই; এইয়া চা ধনটিবা'য়ে ইমানবোৰ উঘালিলে' এইবুলি জোনাটিয়ে ইজনী ছোৱালীলৈ চাই ক'লে। আশাৰ মনটো দুখেৰে যেন উপচি পৰিছে। বেচেৰীয়ে বন আজোৰোতে ভাগৰি পৰিছে। তথাপিও উঘালিব পৰা নাই। জোনাটিয়ে আশাৰ অৱস্থা দেখি হাঁহিছে— তাইলৈ চাই বায়েকে থৈ যোৱা গছবোৰৰ ৰখিয়া হৈ থকাৰ পৰাই।

নয়নাই কথা কৈ থকাৰ কথা পাহৰি মই তাইক কৈ উঠিলোঁ, চাচোন নয়না 'সেই ছোৱালী কেইজনীলৈ।' মোৰ মাত, নয়নাই মই আঙুলিয়াই দিয়াৰ ফালে চালে যদিও তই কথা কোৱাত বাধা পোৱাত অসন্তুষ্ট হৈছিল। তাই কৈছিল "কি হ'লনো, কাক চাব লাগে? এই ছোৱালীকেইজনীয়ে 'মেডেলুৱা গছবোৰ উঘালি চাব কোৱাত তাই কৈছিল— তাই যে কিবোৰ চাই থাক আৰু, কিনো কৰিব সেইবোৰেৰে।" মই তাইৰ মনোযোগিতা-অমনোযোগিতালৈ আওকাণ কৰি কৈ যাব ধৰিলোঁ।--- "চাচোন সিহঁতে কেনেদৰে গছবোৰ উঘালিব চেষ্টা কৰিছে। কিন্তু পৰা নাই, পাৰিবলৈ সিহঁতৰ বয়সেই বা কিমান! ঘৰত ছাগৈ সিহঁতকৈ ডাঙৰ আৰু কোনো নাই খড়ি লুড়িবলৈ আহিবলৈ। নয়নাই সুধিছিল মোক কিয় এইবোৰ, কি কৰিবনো? ইত্যাদি। ভাবিছিলোঁ মই কিনো বুজিবা তুমি উৰলি যোৱা চোলা পিন্ধা ছোৱালী কেইজনীয়ে শীতৰ ৰাতি এটা কটাবলৈ সহিব লগা কষ্টৰ যাতনাখিনি; সিহঁতৰ দৰেতো তোমাৰ জীৱনত কাপোৰৰ অভাৱত নিশা জুই একুৰাৰ ওচৰত শুবলৈ চেষ্টা কৰা কষ্টৰ তিক্ততা নাই। গতিকে তুমি কেনেকৈ জানিবা বা বুজিবা সিহঁতৰ সংগ্ৰামৰ কথা। সিহঁতৰ দৰেতো তুমি নিপীড়িতা নোহোৱা। প্ৰতিদিনে কলেজলৈকে চুৰেটাৰ সলাব পৰা ছোৱালী তুমি, কি বুজিবা উৰলি যোৱা চোলা পিন্ধা ছোৱালী কেই-জনীয়ে বেছিকৈ ঠাণ্ডা পালে (সিহঁত সদায় নামানা অৱস্থাত) চোলাটোৰ হেৰাই যোৱা টুকুৰাবোৰৰ বেদনা কেনেকৈ অনুভৱ কৰে।

মই তাইক সিহঁতৰ 'মেডেলুৱা গছ'-বোৰ তোলাৰ কাৰণ এইবোৰে হ'ব বুলি কোৱাত তাইৰ মুখত যে অকণো সহানুভূতিৰ ছাপ নপৰিল। তাই বৰঞ্চ কৈ উঠিল— 'মাই গড্' কেনেকৈ থাকে!!' মই কিন্তু কেতিয়াও ভাবিবই নোৱাৰো ভাই!

ৰাতি মোৰ ইমান ঠাণ্ডা লাগে--- লেপ কম্বল লৈ শুই শুই হে পঢ়িব পাৰোঁ। মাম্মীয়ে কেতিয়া 'ডিনাৰ' খাবলৈ মাতে বাট চাই থাকো। অৱশ্যে 'ডিনাৰো' সোনকালে ৰেড্ দি হৈ যায়, প্ৰেচাৰকুকাৰত বহাই দি গেচত দি দিয়ে, হৈ যায়।

এৰা নয়না তহঁত ধনীৰ দুলালী, কি বুজিবি তহঁতে আন এটা শ্ৰেণীৰ জীৱন সংগ্ৰামৰ কথা। তহঁতৰ দৰে একশ্ৰেণীৰ পৰাই সিহঁত আজি শোষিত, নিষ্পেষিত, বঞ্চিত— কিবা এটা পোৱাৰ পৰা, মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰৰ পৰা। এইযে ছোৱালী কেইজনী দেখিছ সিহঁতে সেই গছবোৰ নি ঘৰত জুই জ্বলাব ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ। ৰাতি ভাত খোৱাৰ বাবে জুই জ্বলোৱাৰ নিয়ম সিহঁতৰ নাই। সিহঁতে তোৰ-মোৰ দৰে নিৰ্দয় শীতৰ ৰাতিটোত ঢাক খাই থাকিব নোৱাৰে কাপোৰৰ দ'মৰ মাজত। জুইৰ তাপটোৱেই অৱলম্বন সিহঁতৰ। সিহঁতৰ বাদে ঘৰত আৰু এনে এটা প্ৰাণী নাই চাগৈ, যিয়ে খড়ি লুড়ি-বলৈ আহিব, আছে যদিও সিহঁত নিশ্চয় দুৰ্ভিক্ষৰ তাড়নাত নতুবা বেমাৰৰ অত্যাচাৰত বিচনাৰ নামত (পাইছে যদি) এটুকুৰা ফটা বস্তাৰ ওপৰত পৰি কেকাই-গেথাই পৰি আছে।

আশাহঁতৰ ফালে চাই দেখিলোঁ সিহঁত তিনিজনীৰ মাজত খড়িবোৰ লৈ কাজিয়া লাগিছে। ধনটি আৰু জোনটিয়ে আশাক চুৰুনী বুলি কৈ তাইৰ হাতৰ পৰা গছবোৰ কাঢ়িব ধৰিছে। আশাই কৈছে 'মই নিজে উঘালিছো,' জোনটিয়ে কৈছে 'মই ধনটিবা'ৰ ওচৰলৈ যাওতে তোৰ এডালো নাছিল, এতিয়া ক'ত পালি।' এইদৰে কৈ কৈ সিহঁতে কঢ়া-আজোৰা কৰি আছে। আশাইও এৰি নিদিয়ে। কিন্তু বেচেৰি অকলশৰীয়া, কিমান যুঁজিব সিহঁত দুজনীৰ লগত। তাইৰ হাতৰ পৰা জোনটিহঁতে গছবোৰ কাঢ়ি লৈ গুচি গ'ল— আশাক তাতে এৰি থৈ। আশাই তাতে কান্দি থাকিল সিহঁতলৈ চাই। মই অতপৰে চাই আছিলো সিহঁতৰ কাণ্ডবোৰ কিবা ছবি চোৱাৰ দৰে। সম্বিত ফিৰাই পাই ভাবিলোঁ— মই নিশ্চয় কিবা এটা কৰা উচিত আছিল। নয়নাক তাতে এৰি থৈ মই আশাৰ ওচৰ পালোঁগৈ। মই তাইক সুধিলো—'কি হ'ল তোমাৰ'? তাই যেন মোৰ মাতত, প্ৰাণ পালে। তাই ক'লে "চাওঁকচোন বাইদেউ" মই খড়ি অলপ উঘালিছিলোঁ, কিন্তু জোনটিহঁতে মই চুৰ কৰা বুলি কৈ মোৰ পৰা কাঢ়ি লৈ গ'ল। এতিয়া মোৰ ঠাণ্ডা লাগিছে, তাতে বেমাৰী আইক ঘৰত থৈ আহিছোঁ আৰু উঘালিলেও বহুত দেৰি হ'ব। ইফালে খড়ি নিব নোৱাৰিলে বেমাৰী আইয়ে ৰাতি কেনেকৈ শুব ভাবিবই নোৱাৰো, খাবলৈ পোৱা হলেও জাৰটো চাগৈ সহ্য কৰিব পাৰিলোঁ হয়।" সংঘাতে আশাক বয়সীয়া মানুহৰ দৰে অভিজ্ঞতা দিছে। বেয়া লাগিল তাইৰ দুঃখৰ কথা ভাবি। অলপমান খড়ি গোটাই দিলোঁ তাই নিব পৰাকৈ। তাইৰ আনন্দ চায় কোনে! ভাল লাগিল তাইৰ স্ফূৰ্ত্তি দেখি। তাই খড়িখিনি লৈ মোলৈ চাই হাঁহি হাঁহি দৌৰি দৌৰি গুচি গ'লগৈ।

মই তাই যোৱালৈ চাই ৰ'লোঁ। ভাবিলোঁ সেইখিনি খড়িয়ে তাইক আৰু বেমাৰী মাক-জনীক কিমান সময়নো জাৰৰ পৰা ৰক্ষা কৰিব! তাইতো আকৌ আহিব লাগিব এইদৰে খড়ি নিবলৈ। আকৌ যদি কোনোবা জোনটি-ধনটিহঁতে তাইৰ খড়িবোৰ কাঢ়ি লৈ যায়। মই আৰু ভাবিব নোৱাৰা হ'লোঁ। লাহে লাহে বহি থকা ঠাই ডোখৰলৈ ঘূৰি আহি দেখিলোঁ— নয়না ইতিমধ্যেই তাৰ পৰা উঠি গৈছে। ০ ০ ০

শ্ৰীঅৰুণা দেৱী
প্ৰাক্-বিশ্ববিদ্যালয়
২য় বাৰ্ষিক।

# প্ৰতিশ্ৰুতি

এয়া বকুলতলি ! বকুলতলি গাওঁ। বৰনৈৰ পাৰৰ শেৱালিৰ মৰমৰ গাওঁ বকুলতলি। এই বকুলতলিৰ বুকুলৈও ফাগুন আহে। ফুলে পলাশ, মদাৰ। ৰ'দেৰে ৰাঙলী হয় বকুলতলি। ফাগুনে ফাকুৱাৰ লগতে বতৰা আনে বসন্ত অহাৰ। কুলি, কেতেকীৰে মাতেও যেন বকুলতলিৰ মানুহখিনিক বহাগ বিহু অহাৰ বতৰা দিয়ে। আপোন পাহৰা হৈ যায় বকুলতলিৰ ডেকা-গাভৰু। নিজৰ নিজৰ ভাৱত বিভোৰ হৈ পৰে সিহঁত। এদিন কুলিৰ মাত শুনি শেৱালিও উন্মনা হৈ পৰিছিল। আপোন ভাৱত বিভোৰা স্বপ্না নয়না। কল্পনা কৰি কৰি তাই তেতিয়া পাহৰি গৈছিল নিজকে। হৰিণাৰ দৰে তাইৰ চকুৱে যেন তেতিয়া কেউফালে দেখিছিল যৌৱনৰ উন্মনাবোৰ। তাইৰ তেতিয়া নিজকে সপোনপুৰীত বিচৰণ কৰি ফুৰা পৰী বুলি ভ্ৰম কৰিছিল। কিন্তু আজি ! আজি আৰু তাই কুলিৰ মাতত উন্মনা নহয়, নহয় আপোন বিভোৰা স্বপ্না নয়না। কুলিৰ মাতে জগাই তোলে হিয়াৰ গোপন বেদনা ৰাশিহে। সেয়া তাইৰ জীৱনৰ অন্য এক কাহিনী। সেই কাহিনী তাইৰ জীৱনৰ এৰি অহা একুৰি দুটা বসন্তৰ। তাইৰ মনৰ বেদনাৰ কাহিনী সেয়া, তাইৰ সত্বাৰ।

শেৱালিৰো সপোন আছিল। কল্পনা আছিল— আছিল মনৰ অফুৰন্ত কামনা বাসনা। আজি আৰু তাইৰ সপোন নাই। সপোনৰ স্বৰ্ণময় সৌধ তাইৰ ভাগি গ'ল। কল্পনা তাইৰ হেৰাই গ'ল সময়ৰ পাহৰণিৰ বুকুত। কামনা বাসনা উটি গ'ল জীৱন নদীৰ সোঁতত। জীৱন বীণৰ তাঁৰ তাইৰ চিগি গ'ল, ভাগি গ'ল বীণখন থান-থান কৈ। ফলত তাই হৈ পৰিল ৰিক্তা, অশ্ৰুসিক্তা এক বেদনা-বিধুৰা নাৰী।

বৰনৈৰ পাৰৰ বকুলতলি গাৱঁতে জন্ম হৈছিল শেৱালিৰ। সৰুৰে পৰা তাই দেখি আহিছিল বকুল ফুলেৰে উপচি থকা বকুলতলিৰ নিত্য নতুন ৰূপ। বকুলতলিৰ সুনীল আকাশ, নিৰ্ম্মল বতাহৰ মাজতে তাই ডাঙৰ হ'ল উমলি-জামলি। বকুলতলিৰ কেঁচা মাটিৰ গোন্ধ তাই চিনি পায়। বুজি পায় বকুলতলি গাৱঁৰ কেঁচা মৰম। তাই গাভৰু হ'ল এদিন। বুজি পালে জীৱন কি ? যৌৱনৰ প্ৰথম স্তৰত উপনীত হৈ কল্পনা কৰিলে হেজাৰ, অলেখ।

গাভৰু শেৱালিৰ ৰূপৰ পোহৰেৰে বনৰ গৰিমাৰে উপচি পৰিল বকুলতলিৰ আকাশ, বতাহ। নতুন উদ্যমেৰে জীৱন বুটলিলে হাঁহি হাঁহি শেৱালিয়ে। লগ সমনীয়াৰ লগত হাঁহি হাঁহি ভূই ৰুৱে শেৱালিয়ে। ধান দায়। বিহুত আহতৰ তলত বিহু মাৰে। সকলোতে যেন তাইৰ প্ৰাণৰ নতুন উদ্যম। সেই সময়তে তাই থমকি ৰ'ব লগা হৈছিল। থমকি ৰৈ গৈছিল বকুলতলিৰ আটাইতকৈ ৰূপহী গাভৰু শেৱালি। ক'ৰবাত যেন ভুল হৈ গ'ল। তাই কব নোৱাৰাকৈয়ে তাইৰ জীৱন আকাশত কলা মেঘ উঠিছিল। সেই ডাৱৰ তাই দেখা নাছিল। যি দিনা দেখিছিল সেই দিনা তাই গোটেই পৃথিৱী অন্ধকাৰ দেখিছিল।

বকুলতলিৰ ৰূপ-গুণেৰে চেৰ পেলাব নোৱাৰা শেৱালিক গাঁৱৰ প্ৰায়বোৰ ডেকাই নিজৰ কৰি ল'ব বিচাৰিছিল। বহুতে বহু আশা কৰিছিল। বহুতে বহুত সপোন দেখিছিল শেৱালিক লৈ। শেৱালিয়েও জানিছিল আৰু বুজিছিল বহুতৰে তাইৰ প্ৰতি থকা দুৰ্ব্বলতাৰ কথা। কিন্তু কাকো তাই মৰমৰ এনাজৰীৰে বন্ধা নাছিল। কিন্তু অৱশেষত তাই পৰাজয় বৰণ কৰিছিল হেমন্তৰ ওচৰত। সেয়াও যে তাইৰ জীৱনৰ অন্য এক কাহিনী।

সিহঁতৰ গাঁৱৰে হেমন্তই তাইক ভাল পাইছিল। বকুলতলিৰে ডেকা হেমন্ত। যাৰ নাঙলৰ আগত বকুলতলিৰ পথাৰ চিৰাচিৰ হৈ ফাটি সোণ গজে। গাঁৱৰ উদ্যমী, সাহসী ডেকা হেমন্ত। সেই হেমন্তই শেৱালিক নিজৰ কৰি লোৱাৰ সপোন দেখিছিল। সেয়েহে এদিন বৰনৈত পানী আনিবলৈ যোৱা শেৱালিক মনে মনে লগ ধৰি কৈছিল তাৰ মনৰ কথা। শেৱালিয়ে ভাল পাইছিল হেমন্তক। সেয়েহে তাই হেমন্তক লৈ ৰচিছিল এখন সোণৰ সংসাৰ গঢ়ি তোলাৰ। হেমন্তৰ কেঁচা মৰমে তাইক সকলো পাহৰাই দিছিল। পাহৰি গৈছিল তাই তেতিয়া নিজৰ ঘৰখনৰ কথা ; তাই নিজৰ অস্তিত্বৰ কথা। কাৰণ হেমন্তৰ নোমাল বহল বুকুত থকা মৰমত উটি-বুৰি তাই ফুৰিছিল।

নৈ ঘাটত পানী আনিবলৈ যাওঁতে শেৱালিয়ে হেমন্তৰ লগত মিঠা কথা পাতিছিল। বিহুত তাই বোৱা গামোচাৰ আটাইতকৈ ভাল খন পাইছিল হেমন্তই। নৈ ঘাটত পানী আনিবলৈ যাওঁতে তাই তাক গামোচাখন দি সেৱা কৰিছিল। হেমন্তই তাইক দুহাতেৰে তুলি ধৰিছিল। সি অনা কপৌফুল পাহ তাইৰ কলডিলীয়া খোপাত গুজি দিছিল। তাৰ পাছত সিহতে বৰনৈৰ বালিত আঠুকাঢ়ি বৰনৈক সাক্ষী কৰি ইটোৱে সিটোক নেৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু সেই প্ৰতিশ্ৰুতি শেৱালিয়ে ৰাখিব পৰা নাছিল। পাৰিছিল হেমন্তই।

সেইবাৰ শেৱালিয়ে বিহুত হেমন্তৰ

ঢোলৰ চেৱত নাচিলে। আচৰিত হ'ল বহুত! বহুতে বুজিলে সিহঁতৰ মনৰ কথা, প্ৰাণৰ ভাষা। তাৰ পাছতে তাইৰ জীৱনলৈ নামি আহিছিল ঘোৰ অন্ধকাৰ। সেই অন্ধকাৰত তাই দিক্ হেৰুৱাই পেলাইছিল। ঘৰত তাইৰ বিয়াৰ আয়োজন কৰিছিল। তাই মাথো শুনিছিল বিয়াৰ কথা। উপায় তাই একো পোৱা নাছিল। মাথোন ভগৱানক প্ৰাৰ্থনা কৰিছিল হেমন্তক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ। হেমন্তক তাই সকলো কথা কৈছিল এদিন মনে মনে লগ ধৰি। কথা শুনি স্তব্ধ হৈ গৈছিল হেমন্ত। তাৰ পাছত সি কৈছিল গাঁও এৰি দুয়োটা পলাই যোৱাৰ কথা। কিন্তু তাই তাৰ কথা মানি লব পৰা নাছিল। কাৰণ, লাজ-মান পুৰি খাই তাই তাৰ লগত যাব নোৱাৰে। তাই মাথোন সেইদিনা ৰবনৈৰ পাৰত হেমন্তৰ বুকুত মূৰ গুজি কান্দিছিল। তাৰ পাছত তাই গুচি আহিছিল। ঘৰত মাকৰ আগত হেমন্তৰ বাহিৰে কাৰো লগত তাইৰ বিয়া হ'ব নোৱাৰে বুলি কৈ খুব কান্দিছিল। কৈছিল: যদি তাইৰ অমতত আনৰ লগত তাইৰ বিয়া পাতে, তেনেহলে তাই ৰবনৈৰ বুকুত জাপ দিব। মাকে দেউতাকক সকলো কথা কৈছিল। কথা শুনি দেউতাক গৰ্জি উঠিছিল। আৰু তাই অকলে ঘৰৰ পৰা বাহিৰলৈ যোৱা বন্ধ হৈ গৈছিল। আনকি নৈঘাটত গা ধুবলৈ যাওঁতেও মাক লগত গৈছিল।

তাই নিৰুপায় হৈ মাথোন কান্দিছিল। চকুৰ পানীয়ে হৈছিল তাইৰ সঙ্গী। কান্দি-কান্দি তাই বাউলী হৈ গৈছিল। কাৰণ তাইৰ বিয়াৰ দিন কাষ চাপি আহিছিল। কিন্তু উপায় যে তাই একো পোৱা নাছিল। কি কৰিব! নৈঘাটলৈ গৈ তাই ৰবনৈক সাক্ষী কৰি হেমন্তক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ ৰবনৈক খাটিছিল। চকুৰ পানীৰে তিয়াইছিল ৰবনৈৰ বালি। তথাপি কোনেও নুশুনিলে তাইৰ প্ৰাণৰ বতৰা। তাইৰ মনৰ কামনা পূৰণ কৰাৰ কথা কোনেও নাভাবিলে। ৰবনৈৰ বুকুত জাপ দিব তাই নোৱাৰিলে। নোৱাৰিলে হেমন্তক শেষবাৰলৈ লগ পাব। হৃদয় তাইৰ ভাগি গ'ল। কেৱল মাথোন তাইৰ হৃদয় ভাঙি হুমুনিয়াহ ওলাল। কোনেও নুশুনিলে তাইৰ কৰুণ বিননি।

আহিনৰ স্নিগ্ধ জোনাকেৰে ভৰা শেৱালি ফুলৰ মধুৰ আমেজেৰে ভৰা নিশাত তাই বিয়া হ'ল। বকুলতলিৰ সকলো মায়া-মোহ মচি তাই গুচি আহিল ৰূপালী পামলৈ; ৰূপালী পাম গাঁৱৰ সনাতন গাওঁবুঢ়াৰ ৰবপুত্ৰৰ বোৱাৰী হল। তাই সনাতন গাঁওবুঢ়াৰ বোৱাৰী হৈ, প্ৰশান্তৰ পত্নী হৈ পাহৰি পেলাব বিচাৰিছিল বকুলতলিৰ মায়া-মোহ। সকলো পাহৰিব পাৰিলেও তাই নোৱাৰিলে হেমন্তৰ স্মৃতি মচিব। হেমন্তৰ স্মৃতিয়ে তাইক বাউলী কৰি তোলে। প্ৰাণে তাইৰ কান্দি উঠে হেমন্তক বিচাৰি। ভাহি উঠে এখন ছবি মনৰ মাজত—ৰবনৈৰ পাৰৰ হেমন্ত আৰু তাইৰ প্ৰতিশ্ৰুতিৰ ছবিখন।

বোৱাৰী শেৱালিৰ মনৰ মাজত চলি থকা বেদনাৰ অশান্ত পচোৱা জাকৰ কথা কোনেও



ধৰিব নোৱাৰিলে। নোৱাৰিলে বুজিব। হেমন্তৰ স্মৃতি মনৰ মাজত লৈ তাই নতুন জীৱনত খোজ পেলালে। প্ৰশান্তৰ লগত এক হ'বলৈ যত্ন কৰিলে। এয়া তাইৰ বিবাহিত জীৱনৰ আত্ম-প্ৰৱঞ্চনাৰ ৰঙ্গমঞ্চ। প্ৰশান্তৰ পৰা পালে তাই অফুৰন্ত মৰম। কিন্তু সেই মৰমে মচিব নোৱাৰিলে মনৰ মাজত থকা হেমন্তৰ ছবিখন। দিন অতিবাহিত হোৱাৰ লগে লগে তাই প্ৰশান্তক হেমন্তৰ ঠাইত বহুৱাই লৈছিল। মনটো তাইৰ নকৈ ঠন ধৰি উঠিছিল। কিন্তু এনেতে তাইৰ জীৱনলৈ আকৌ নামি আহিছিল অন্ধকাৰ। সেই অন্ধকাৰৰ বুকুত হেৰাই গৈছিল প্ৰশান্ত। মাত্ৰ বিয়াৰ দুবছৰৰ পাছতে। কিন্তু তাই হেৰাই নগ'ল। হেৰাই যাব তাই নোৱাৰিলে। ৰৈ গ'ল প্ৰশান্তৰ পত্নী হৈ, সনাতন বুঢ়াৰ বোৱাৰী হৈ আৰু মণিৰ মাক হৈ। মাথোন তাই জীয়াই ৰল স্মৃতি সুঁৱৰি। সেই স্মৃতি ৰোমন্থনতে তাই সুখ পায়।

জোনালী নিশা তাই বাৰান্দাৰ ৰেলিংত ভেজা দি আকাশলৈ চাই ভাৱে প্ৰশান্তৰ কথা, হেমন্তৰ কথা। ভাৱে বকুলতলি গাঁৱৰ কথা; বকুলতলিৰ মৰমৰ কথা। ভাৱে মণি আৰু তাইৰ অনাগত ভবিষ্যতটোক। মণিক ডাঙৰ কৰাৰ কল্পনা কৰে। মণিৰ কথা ভাবিলেই তাইৰ মনত পৰে প্ৰশান্তৰ এষাৰ কথা (মণিক মানুহ কৰিবা)। মৃত্যু শয্যাত পৰি থকা প্ৰশান্তক তাই প্ৰতিশ্ৰুতি দিছিল মণিক ডাঙৰ কৰাৰ। হেমন্তক তাই প্ৰতিশ্ৰুতি দি ৰাখিব নোৱাৰিলে। পাৰিব জানো তাই প্ৰশান্তক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব, মণিক মানুহ কৰিব!

জীৱনত তাই আজিলৈকে একো নাপালে, পালে মাথো বেদনাৰে ভৰা এটা অতীত। সেয়েহে তাই সেই অতীত ৰোমন্থন কৰি সুখ পায়। কাৰণ তাৰ মাজত তাই দেখিবলৈ পায় বকুলতলিৰ শেৱালিজনীক, ৰূপালী পামৰ শেৱালিক নহয়। অতীত ৰোমন্থনে তাইক যেন জীয়াই থকাৰ প্ৰেৰণা দিয়ে। হেৰাই যোৱা প্ৰশান্তই যেন কয় নতুনকৈ জীৱনক ভাৰি চাবলৈ। তাতে যেন তাই পাব জীৱনৰ উৎস।

তাই সঁচাকৈয়ে তাতে জীয়াই থকাৰ প্ৰেৰণা পায়। তাই ধূপ হৈ গোটেই জীৱন সৌৰভ বিলাই যাব। কিন্তু অৱশেষ ৰব মাথো ছাই। এদিন তাই নিজকে দেৱতাৰ পূজাত লগা শেৱালি বুলি ভাবিছিল। আজি আৰু তাই নিজকে দেৱতাৰ পূজাৰ শেৱালি বুলি নাভাবে। কাৰণ আজি তাই কোনো দেৱতাৰে পূজাত নালাগে। প্ৰশান্ত দেৱতা আছিল, সেয়ে হয়তো তাইক এৰি সি গুচি গ'ল। কাৰণ মৰহা শেৱালিয়ে দেৱতাৰ পূজাত স্থান নাপায়।

তাই মাথোন জীয়াই থাকিব মণিক সাৱটি নতুন প্ৰতিশ্ৰুতিৰে। সেই প্ৰতিশ্ৰুতি ৰূপালী পাম গাঁৱক আদৰি লোৱাৰ, মণিক মানুহ কৰাৰ আৰু প্ৰশান্তক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ। ০০০

## সাধাৰণ সম্পাদিকাৰ

# প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে নগাওঁ ছোৱালী কলেজৰ সাধাৰণ সম্পাদিকা হিচাপে ছাত্ৰীবৃন্দক সেৱা কৰাৰ সুবিধাকণ দিয়াৰ বাবে মই সমূহ ছাত্ৰী আৰু শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা নিবেদিলোঁ।

১৯৭৬ চনৰ নবেম্বৰ মাহতে অধ্যক্ষ মহোদয়ে মোক সাধাৰণ সম্পাদিকাৰ দায়িত্ব দিয়াৰ পাছত যোৱা বছৰটোত শিক্ষানুষ্ঠানটিত অনুষ্ঠিত হোৱা প্ৰতিটো উৎসৱকে সফল কৰি তুলিবলৈ মই পাৰ্য্যমানে চেষ্টা কৰিছিলোঁ। বিভিন্ন সময়ত হোৱা অনুষ্ঠান-বিলাকক সফল কৰি তোলাত বিভাগীয় সম্পাদিকা-সকলেও চেষ্টাৰ ক্ৰটি কৰা নাই। প্ৰতিবছৰে পালন কৰাৰ দৰেই '৭৬ চনৰ ১৫ ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ কলেজ সপ্তাহ সমাৰোহ পালন কৰা হয়। ইয়াত আয়োজিত বিভিন্ন খেল,-ধেমালি, সঙ্গীত, সাহিত্য, সুকুমাৰ-কলা প্ৰতিযোগিতাত বহুতো ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। তদুপৰি ১৯৭৭ চনৰ ১২ চেপ্তেম্বৰত কলেজৰ ষষ্ঠদশ প্ৰতিষ্ঠা দিৱস আৰু ১৩ চেপ্তেম্বৰত নৱাগতা আদৰণী উৎসৱ উলহ-মালহেৰে পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ দিনা সভাত সভাপতিত্ব কৰে অসমৰ শিক্ষাধিকাৰ শ্ৰীবিষ্ণুদেৱ শৰ্মাই। সেই দিনা শ্ৰীমতী ইন্দিৰা মিৰি, ডঃ লক্ষ্যহীৰা দাস আৰু শ্ৰীহৰেশ্বৰ গোস্বামীৰ লগতে কলেজৰ শিক্ষক আৰু ছাত্ৰীসকলৰ সহযোগত বৰ্ত্তমানৰ শিক্ষা পদ্ধতিৰ ওপৰত এখনি আলোচনা-চক্ৰ অনুষ্ঠিত হয়।

আনবাৰৰ দৰেই এইবাৰো গুৰু দুজনাৰ তিথি, সৰস্বতী পূজা আদি উৎসৱো পালন কৰা হয়।

১৯৭৬ চনৰ ডিচেম্বৰ মাহতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্দেশক্ৰমে আমাৰ কলেজৰ ৬০ জনীয়া ছাত্ৰীৰে নৈনেত ৰাষ্ট্ৰীয় সেৱা আঁচনি শিবিৰ পতা হয়। ছাত্ৰীৰ দলটি পৰিচালনা কৰিছিল অধ্যাপক জয়ধন দাস, অধ্যাপক জ্যোতি চক্ৰৱৰ্ত্তী, অধ্যাপিকা দীপালী মুখাৰ্জী, সবিতা ভট্টাচাৰ্য্য আৰু বাসন্তী হাজৰিকাই। ১০ দিনীয়া শিবিৰত বিভিন্ন আঁচনি কাৰ্য্যকৰী কৰাত সহায় কৰা বাবে নৈনে হাইস্কুলৰ শিক্ষকমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ।

যোৱা মাৰ্চ মাহতো আমি দ্বিতীয়বাৰৰ বাবে সৰ্বশ্ৰী অধ্যাপক জয়ধন দাস, অধ্যাপিকা গণেশ শৰ্মা আৰু অধ্যাপক ব্ৰজেন ৰায়চৌধুৰী, অধ্যাপিকা

ৰেখা দাসগুপ্তা, দীপালী মুখাৰ্জীৰ সহায়ত National Service Scheme'' ত নগাঁও চহৰৰ আশে-পাশে জৰীপ কৰিছিলোঁ।

আমাৰ এই নগাঁও ছোৱালী কলেজখন জিলাখনৰ ভিতৰতে এটি পৱিত্ৰ স্ত্ৰীশিক্ষাৰ অনুষ্ঠান। ১৯৬২ চনতে স্থাপিত হোৱা আমাৰ এই শিক্ষানুষ্ঠানটি এশ-এবুৰি সমস্যাৰে জৰ্জৰিত — ই সঁচায়ে পৰিতাপৰ কথা। বহু কষ্টেৰে ভগা চালিৰ তলত আমি ক্লাছ কৰিব লগীয়া হৈছেঁাহক। তদুপৰি ক্লাছৰুমবিলাক ইমানেই সৰু যে ছাত্ৰীসকলে সুবিধামতে বহি ক্লাছ কৰিব নোৱাৰে। বৰ্ত্তমানৰ প্ৰায় ৬৫০ গৰাকী ছাত্ৰীৰ উপযোগী এটা জিৰণী-কোঠাৰ আৱশ্যকতা বাৰকৈয়ে অনুভৱ কৰা হৈছে। শিক্ষকসকলেও এটা উপযুক্ত পৰিসৰৰ কমন-ৰুমৰ অভাৱত যথেষ্ট অসুবিধাত পৰা আমি দেখিছোঁ। ছাত্ৰী-একতা সভাৰ বাবেও এটা কোঠাৰ আৱশ্যক। কলেজৰ পুথিভঁৰালটিত কিতাপ যদিও ভালেখিনি আছে—ছাত্ৰীৰ সংখ্যাৰে সেয়া যথেষ্ট নহয়। তদুপৰি কিতাপ পঢ়াৰ বাবে সামন্যতম সুবিধাকণো ছাত্ৰীসকলে লাভ কৰিব পৰা নাই। খেল-ধেমালিৰ বাবেও এখন উপযুক্ত খেল পথাৰ নাই। প্ৰকৃতাৰ্থত আমি কলেজৰ পৰা উল্লেখযোগ্য কোনো সুবিধাই লাভ কৰিব পৰা নাই। আমি পাইছোঁ কেৱল শিক্ষক-মণ্ডলীৰ সহৃদয়তা — আমাক জ্ঞান দিয়াৰ প্ৰতি তেখেতসকলৰ অকুণ্ঠ আৰু প্ৰবল ইচ্ছাশক্তি। এই শিক্ষানুষ্ঠানটিৰ শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত থকা মধুৰ সম্পৰ্কই ছাত্ৰীসকলক কৰ্ত্তব্যৰ পথেৰে আগুৱাই যোৱাত সহায় কৰিছে। শিক্ষানুষ্ঠানটিয়ে আবয়বিক ক্ষেত্ৰত আশানুৰূপ অগ্ৰগতি লাভ কৰিব নোৱাৰিলেও বিভিন্ন সময়ত হোৱা পৰীক্ষাসমূহৰ ফলাফল সদায়ে ভাল হৈ আহিছে। ইয়াৰ পৰাই বহু কেইগৰাকী কৃতী ছাত্ৰীয়েই বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ স্থান অধিকাৰ কৰিছে। ইয়েই ছাত্ৰীসকলৰ একাগ্ৰতাৰ পৰিচায়ক।

আমাৰ শিক্ষানুষ্ঠানটিত গাৰ্হস্থ্য বিজ্ঞান ( Home Science ) বিষয়টো অন্তৰ্ভুক্ত কৰাটো নিতান্ত বাঞ্ছনীয়। বাকী বিষয়সমূহৰ সৰহভাগতে সন্মানৰ (Honours) পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰা হৈছে যদিও বাদ পৰি যোৱা বিষয় কেইটাতো অনতিপলমে সন্মান পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰা উচিত।

আমাৰ কলেজত কিছুদিন আগৰ পৰা এটা দুমহলীয়া ছাত্ৰী-নিবাস থকাৰ উপৰিও ১৯৭৬ চনৰ ২৫ নবেম্বৰত তেতিয়াৰ অসম কংগ্ৰেছৰ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাই শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাসটোও মুকলি কৰে। দুটাকৈ ছাত্ৰী-নিবাস হৈছে যদিও দূৰৰ পৰা আহি ক্লাছ কৰা ছাত্ৰীসকল থাকিবৰ বাবে যথেষ্ট হোৱা নাই। উল্লেখিত সমস্যাবিলাকৰ উপৰিও সবাতোকৈ দুখৰ কথা হৈছে— শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহ থকা সত্বেও ছাত্ৰীসকলে কেইবাটাও বিষয়ৰ শিক্ষকৰ অভাৱত উপযুক্ত শিক্ষালাভৰ ক্ষেত্ৰত বাধাগ্ৰস্ত হৈছে। আশা ৰাখিছোঁ কলেজ কৰ্তৃপক্ষই এই অসুবিধা দূৰীকৰণৰ ক্ষেত্ৰত অনতিপলমে যথোপযুক্ত ব্যৱস্থা লব।

আমাৰ কলেজত সাংস্কৃতিক পৰিবেশ এটা



লক্ষ্যনীয় বিষয়। ছাত্ৰীসকলক উৎসাহিত কৰিব পৰা কেইবা গৰাকীও সাহিত্যিক, গাল্পিক, সুৰকাৰ, গীতিকাৰ, গায়ক-গায়িকা অধ্যাপক-অধ্যাপিকাক পোৱাটো সঁচায়ে গৌৰৱৰ কথা।

যি কি নহওক মোৰ কাৰ্য্যকালত সাধাৰণ সম্পাদিকা হিচাবে যিবিলাক কাম কৰি গৈছিলোঁ, তাত মোৰ অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে সমূহ ছাত্ৰী বান্ধৱী আৰু শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

মাননীয় অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱ গোস্বামীয়ে মোক প্ৰতিক্ষেত্ৰতে পিতৃসুলভ পৰামৰ্শৰে সহায় কৰা বাবে তেখেতলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বিভিন্ন সময়ত উপদেশ-পৰামৰ্শৰে সহায় কৰা শিক্ষাগুৰুসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি ছাত্ৰী একতা-সভাৰ ভাৰপ্ৰাপ্ত শিক্ষাগুৰু সকল আৰু একতা-সভাৰ ছাত্ৰী-বান্ধৱী কেইগৰাকীলৈকেও কৃতজ্ঞতা জনালোঁ। বহুত সময়ত সহায় আগবঢ়াই অহা বান্ধৱী অঞ্জলি গগৈ, মিন্দাৰ কৌৰ, কল্পনা দেৱী, মৃদুলা গোস্বামী, লাহৰী দেৱীৰ নাম ধন্যবাদ আৰু কৃতজ্ঞতাৰে সুঁৱৰিছোঁ।

শেষত সকলোলৈকে স্বাগতম জনাই নগাঁও ছোৱলী কলেজখনি সৰ্বাঙ্গ সুন্দৰ স্ত্ৰীশিক্ষাৰ অনুষ্ঠান-ৰূপে গঢ়ি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনাই কলেজখনিৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ধন্যবাদেৰে-

প্ৰিয়ম্বদা শইকীয়া
সাধাৰণ সম্পাদিকা

# সম্পাদকীয়

দীৰ্ঘদিন বিৰতিৰ পাছত এয়া নগাঁও ছোৱালী কলেজৰ মুখপত্ৰিকা — মাথো সামান্য সাজ-সজ্জাৰে।

অনাটন-বিশৃঙ্খলতা আৰু হা-হুমুনিয়াহপূৰ্ণ আমাৰ আকাশ-বতাহ। বলিয়া প্লাবনৰে পূৰ্ণ আমাৰ ধুনীয়া ধৰিত্ৰী। নতুন সাজ-সজ্জা আৰু সাহিত্য-সৌৰভৰে মাধুৰ্য্যপূৰ্ণ এখনি মুখপত্ৰিকা বিশৃঙ্খলতা নে অনাটনৰ বাবে সাজি-কাচি ওলাব পৰা নাই সেয়া আমাৰ অজ্ঞাত।

জীৱন মধুময়, সৌন্দৰ্য্যময় কৰি তুলিবলৈ, কলাপূৰ্ণ এটি জীৱনৰ সুস্থ বিকাশৰ বাবে সাহিত্য-সৌৰভৰে পূৰ্ণ এখনি আলোচনী আমাক লাগে। আমাৰ আলোচনীখন ৰং-ৰূপেৰে সজাই তুলিবলৈ আমাৰ হাতত বহুত মানবিশিষ্ট কবিতা-গল্প-প্ৰবন্ধাদি আছে, কিন্তু এই সকলো গল্প-কবিতা আমি প্ৰকাশ কৰিব নোৱাৰিলোঁ। তাৰ বাবে আমি দুঃখিত। পৰৱৰ্ত্তী আলোচনীবোৰত সম্পাদিকাসকলে

সেইসমূহ প্ৰকাশ কৰিব বুলি আমাৰ আশা।

এখন আলোচনীৰ জন্ম দিয়াত শিক্ষকসকলতকৈ ছাত্ৰীসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। এইবাৰৰ দৰে ছাত্ৰীসকলৰ সহযোগিতা আৰু শিক্ষকসকলৰ উৎসাহ-উদ্দীপনা পালে প্ৰতি বছৰে নিশ্চয় এখনি আলোচনীৰ সৃষ্টি হ'ব আৰু বিকশি উঠিব বহুত কলাপূৰ্ণ হৃদয়; সৃষ্টি হ'ব নতুন সাহিত্যৰ।

এইখিনিতে আমাৰ কৰ্মপথত সহায় কৰা ছাত্ৰী বান্ধৱীসকলৰ, আৰু কেইগৰাকীমান শিক্ষাগুৰুৰ আশাশুধীয়া সহায়-সহযোগিতাৰ শলাগ নলৈ নোৱাৰিলোঁ। নগাঁও ছোৱালী কলেজৰ এখনি আটক ধুনীয়া সাহিত্য-সৌৰভৰে সৌৰভিত মুখপত্ৰিকা প্ৰতি বছৰে ওলাওঁক — এই কামনাৰে।

কুমাৰী স্বপ্না নেওগ